
# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbarnah | |
| Title: বাঁহী | |
| Transliterated Title: Baāũhai | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1928 (1848) | Edition: |
| Size: 23 cms - 55 pages | Genre: Magazine |
| Volumes: 16 - (5th issue) | Condition of the original: Brittle |
| Remarks: [illegible] | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৫৩৯৮/অা:
১৫.৮.৯৯




১৬শ বছৰ
৫ম সংখ্যা

১৮৪৮ শক
ভাদ

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে"

# গ্ৰীক ভাষা

## গ্ৰীক ভাষা বুলিলে কি বুজায়

প্ৰাচীন গ্ৰীচত গ্ৰীক ভাষা বুলি এটা বিশেষ ভাষা প্ৰচলিত নাছিল। বেলেগ বেলেগ ঠাইত পৰস্পৰ সাদৃশ্য থকা নানা ভাষা, দৰাচলতে উপভাষা (দিয়ালেকতচ) প্ৰচলিত আছিল। উদাহৰণ স্বৰূপে কব পাৰি, "তেওঁবিলাকে কয়" এই কথাষাৰে ঠাই আৰু উপভাষা অনুসৰি "লেগোচি", "লেগয়চি", "লেগস্থি", "লেগস্থি" আদি ভিন ভিন ৰূপ লৈছিল। কিন্তু সদায় এনে সাদৃশ্য নাথাকিবও পাৰে। সাধাৰণ এঠাইত "থাৰাস্তা" আৰু আন এঠাইত "থালছছা" বুলিলে বুজাত একো অসুবিধা নহয়, কিন্তু চাৰিক এঠাইত "তেত্তাৰেচ" আৰু আন এঠাইত "পিচুৰেচ" বুলিলে, বুজিবলৈ টান। প্ৰেছেণীয় উপভাষাত লিখা এখন শিলালিপি 'প্লেট' বা চফক্লিছে ভালকৈ বুজিব পাৰিছিল নে নাই সি সন্দেহৰ কথা। অন্ততঃ এতিয়া তেওঁবিলাকৰ গ্ৰন্থ পঢ়িবলৈ যি গ্ৰীক জানিব লাগে তাক জানিলে তেনে এখন শিলালিপিৰ অনেক ঠাইত এটা বা দুটা শব্দৰ বাহিৰে আন একো বুজা সম্ভৱপৰ নহয়।

### উপভাষাৰ বিভাগ

এই উপভাষাবিলাকৰ ভিতৰত অৱশ্যে আটাইবিলাকৰ মূল্য সমান নহয়, কাৰণ ইয়াৰ সেহি ভাগতে শিলালিপিৰ বাহিৰে কোনো সাহিত্যৰ আবিৰ্ভাৱ হোৱা নাছিল। ভাষা বা উপভাষা বুলিকে গোলা যায়, তাৰ ভিতৰত যি কেইটাৰ ঐতিহাসিক মূল্য আছিল সেই কেইটা হৈছে—এবলীয়, দৰীয়, ইয়নীয় আৰু এটিক। ইয়াৰ ভিতৰতে আকৌ কোৱা ঠাই অনুসৰি এবলীয়, দৰীয় আৰু ইয়নীয় ভাষাৰ নানা প্ৰকাৰ ভেদ আছিল, সেই-

STUDENT BINDERS
A. T. Road, Tarajan,
P.O. JORHAT-785 001
(Assam)

বিষয়ে ইয়াত কোৱাৰ সকাম নাই। অতি চমুকৈ কবলৈ গলে—

(১) এবলীয় ভাষা আৰু তাৰ প্ৰকাৰ ভেদবিলাক এছিয়া মাইনৰৰ এবলীয় গ্ৰীক উপনিবেশবিলাকত, থেছেলি, বয়ত্তিয়া আৰু লেচবচ দ্বীপত প্ৰচলিত আছিল। নকলেও হয় যে এই ঠাইবিলাকত একে গঢ়ৰ এবলীয় ভাষা প্ৰচলিত নাছিল। লেচবচ দ্বীপৰ এবলীয় ভাষাত কবি আলকায়ছে লিখিছিল আৰু ইয়াতে বিখ্যাত মাইকী কবি চাফই তেওঁৰ প্ৰণয় কবিতাবিলাক লিখিছিল (খৃঃ পূঃ সপ্তম-ষষ্ঠ শতিকা)। এবলীয় উপভাষাত বিশেষ কোনো গদ্য সাহিত্যৰ আবিৰ্ভাৱ হোৱা নাছিল।

(২) দৰীয় উপভাষা স্পাৰ্টাৰ ভাষা আছিল, কিন্তু ইয়াৰ বাহিৰেও ই এছিয়া মাইনৰৰ দৰীয় উপনিবেশবিলাকত, ক্ৰীট, ছিছিলি, ৰ'দ্চ দ্বীপ আৰু দক্ষিণ ইটালিত প্ৰচলিত আছিল। কিন্তু সকলো ঠাইতে তাক একে গঢ়ত ব্যৱহাৰ কৰা নহৈছিল, কাজেই ইয়াৰ প্ৰকাৰভেদ হছত। এই প্ৰকাৰ ভেদবিলাকক আকৌ গোটাদিয়েক বৰ্ণৰ প্ৰাধান্য অনুসাৰে "কোমল" আৰু "কৰ্কশ" নামেৰে দুটা ডাঙৰ শাখাত ভগোৱা হয়। ৫৩৯৮/অ:

এই দৰীয় ভাষাতে খৃঃ পূঃ প্ৰায় সপ্তম শতিকাৰ-পৰা আল্কমান, ষ্টেচিকৰচ, চিমনিদিচ, পিন্দাৰ, থিয়ক্ৰিটাছ আদি গ্ৰীচৰ ডাঙৰ ডাঙৰ গীতিকবিসকলে লিখিছিল। ইয়াৰ ভিতৰত থাইকৈ পিন্দাৰ আৰু থিয়ক্ৰিটাছৰ ভাষা অনেক পৰিমাণে মিহলি, কাৰণ, তেওঁবিলাকে দৰীয় ভাষাত লিখিছিল যদিও অনেক এবলীয় আৰু ইয়নীয় ৰূপ ব্যৱহাৰ কৰিছিল।

কবিসকলৰ বাহিৰে নাট্যকাৰ এপিকাৰ্মছে এই উপ-ভাষা ব্যৱহাৰ কৰিছিল। গদ্য সাহিত্যৰ ইয়াত বিশেষ একো বিকাশ হোৱা নাছিল। খৃঃ পূঃ পঞ্চম চতুৰ্থ শতিকাত পাইথাগৰাছ সম্প্ৰদায়ৰ কোনো কোনো দাৰ্শনিকে আৰু খৃঃ পূঃ তৃতীয় শতিকাত বিখ্যাত বৈজ্ঞানিক আৰ্কিমিদিছে তেওঁবিলাকৰ ৰচনাসমূহ এই উপভাষাত লিখিছিল।

(৩) ইয়নীয় উপভাষা থাইকৈ এছিয়া মাইনৰৰ ইয়নীয় উপনিবেশসমূহ আৰু তাৰ দাঁতি-কাষৰীয়া কিছুমান দ্বীপৰ ভাষা। ইয়াতে হমাৰৰ নামত প্ৰচলিত হোৱা ৰচনাসমূহ আৰু হেচিয়দৰ পদ্যগ্ৰন্থবিলাক লিখা হৈছিল (খৃঃ পূঃ দশম-অষ্টম শতিকা)। এওঁবিলাকৰ পাছত কালিনচ, মিমনেৰমছ আদিৰ গীতিকবিতা সমূহ এই ভাষাত ৰচা হৈছিল। আকৌ খৃঃ পূঃ পঞ্চম শতিকাত হেৰদটছে এই ইয়নীয় ভাষাতে তেওঁৰ বিখ্যাত বুৰঞ্জীখন লিখিছিল। এইকাৰণে, হমাৰ, হেচিয়দৰ ভাষাক প্ৰাচীন ইয়নীয় আৰু হেৰদটছৰ ভাষাক নব্য ইয়নীয় বোলা হয়। নব্য ইয়নীয়ত দাৰ্শনিক দেমক্ৰিটাচ আৰু চিকিৎসা শাস্ত্ৰবিৎ হিপক্ৰেটিচেও লিখিছিল আৰু খৃঃ পূঃ তৃতীয় শতিকাত ইয়াত কিছুমান অশ্লীল ৰচনা ওলাইছিল।

ইয়নীয় ভাষাৰো যে বেলেগ বেলেগ প্ৰকাৰভেদ আছিল তাক নকলেও হব, অন্ততঃ তিনটা। তদুপৰি, হমাৰৰ নামত প্ৰচলিত ৰচনাসমূহ প্ৰাচীন ইয়নীয় ভাষাত লিখা হৈছিল বুলি কোৱা হৈছে যদিও তাত অনেক এবলীয় উপভাষাৰ ৰূপ পোৱা যায়। যেনে, "আমাটৈ" বুলা বলৈ ইয়নীয় "হেমিন"ৰ লগে লগে এবলীয় "আম্মি"ৰো প্ৰয়োগ কৰা হৈছে। ভাষাৰ পৰস্পৰ আদান-প্ৰদান গ্ৰীক সাহিত্য-বুৰঞ্জীৰ এটা লক্ষণ।

(৪) এটিক উপভাষা এথেন্সৰ ভাষা। এটিক ভাষা ইয়নীয় ভাষাৰপৰা ওলোৱা, কিন্তু এই দুই ভাষাৰ অনেক পাৰ্থক্য আছে। এটিক উপভাষা থাইকৈ নাটক, বুৰঞ্জী, বক্তৃতা আৰু দৰ্শনৰ ভাষা। ইয়াতে ছফক্লিচ, প্লেটো, দেমছথেনিচ আদিয়ে লেখিছিল। বৰ্তমান যুগত গ্ৰীক ভাষা শিকা মানে এই এটিক ভাষা শিকা। অন্যান্য উপ-ভাষাবিলাকত যি ৰচনা আছে তাক পঢ়িবলৈ হলে এটিক উপভাষাৰ লগত যিবিলাক ৰূপ আৰু শব্দ নিমিলে তাক বেলেগকৈ শিকা আৱশ্যক। বিশেষকৈ হমাৰ আৰু হেৰদতচৰ ভাষাৰ আৰু এটিক ভাষাৰ যিবিলাক পাৰ্থক্য আছে তাৰ তালিকা গ্ৰীক ভাষাৰ প্ৰায়বিলাক ব্যাকৰণতে দিয়া হয়।

## এটিক উপভাষাৰ প্ৰাধান্য

ওপৰত যি কোৱা হৈছে তাৰপৰা পাঠকে দেখিব যে পুৰণি গ্ৰীছ ভাষা উপভাষাৰ এটা প্ৰকাণ্ড যাদুঘৰ

STUDENT ...
A. T. ...



আছিল। সাহিত্য হিচাপে এটিক আৰু ইয়নীয় উপভাষা প্ৰধান, বিস্তাৰ আৰু প্ৰচাৰ হিচাপে এটিক আৰু দৰীয় প্ৰধান। কিন্তু সকলোবিলাক উপভাষাৰ ভিতৰত এটিক ভাষা প্ৰধান হৈ উঠিছিল। গ্ৰীক সাধনাৰ কেন্দ্ৰ এথেন্সৰ ভাষাই নিজৰ বিস্তাৰৰ সীমা বঢ়াই অন্যান্য উপভাষা-বিলাকক লাহে লাহে তল পেলাবলৈ ধৰিলে। কালক্ৰমত বাকীবিলাক লাহে লাহে শুকাই ক্ষীণাই গৈ শেহত একেবাৰেই লোপ পালে, খৃষ্টীয় দ্বিতীয় তৃতীয় শতিকাত সিহঁতৰ হাড়তো বন গজিল বুলিব পাৰি।

এটিক ভাষাৰ প্ৰাধান্যৰ থাই কাৰণ অৱশ্যে এথেন্সৰ সাধনা আৰু ডাঙৰ ডাঙৰ লেখকসকলৰ প্ৰতিভা। কিন্তু এটিক ভাষাৰ এটা আকৰ্ষণ শক্তিও আছিল। দিনবাচক এটিক শব্দ "হেমেৰা" দৰীয় "হামেৰা" বা ইয়নীয় "হেমেৰেত"কৈ শুনিবলৈ ভাল বুলি বোধ হয়। বয়তীয় ভাষাৰ "একমিত্তা"তকৈ যে এটিক "একমিছা" (মই আনিছিলো) শুনিবলৈ ভাল সেই বিষয়ে সন্দেহ নাই; ধ্বনিৰ মাধুৰ্য্যৰ বিষয়ত এথেন্সবাসী বৰ সহানীকয়া আছিল। ইয়াৰ বাহিৰেও ভাষা সম্পৰ্কে তেওঁবিলাক বৰ উদাৰ আছিল; এথেন্সবাসীয়ে আৱশ্যক অনুসৰি অন্যান্য উপভাষাৰপৰা উপকৰণ সংগ্ৰহ কৰি এটিক ভাষাক বিদেশীৰ মনোৰঞ্জন এটা সাৰ্ব্বজনীন ছাপ দিবলৈকো যত্ন কৰিছিল। জেনফনে এঠাইত কৈছে যে অন্যান্য গ্ৰীক সকলে সদায় নিজৰ ভাষা, নিজৰ আচাৰ-ব্যৱহাৰ আদি সংৰক্ষণ কৰে, এথেন্সবাসীৰ কিন্তু ভাষা, আচাৰ-ব্যৱহাৰ সকলো মিহলি (কেক্ৰামেনে)।

গদ্যৰ বিকাশো এটিক উপভাষাৰ প্ৰাধান্যৰ কাৰণ, কিয়নো গদ্যই হৈছে মানুহৰ স্বাভাৱিক বাণী আৰু গদ্যৰ সহায়েৰেই ভাষাৰ বহুল প্ৰচাৰ হোৱাৰ সুবিধা। খৃঃ পূঃ পঞ্চম শতিকাত চফিষ্টসকলৰ হাতত এটিক গদ্য বৰ মসৃণ আৰু ৰমকজমক হৈ উঠে। তেওঁবিলাকৰ দাৰ্শ-নিক চিন্তা তৰাং, কিন্তু ভাষাৰ ওপৰত একচ্ছত্ৰ আধি-পত্য আছিল। এওঁবিলাকৰ ভিতৰত বিশেষকৈ গৰ্গিয়াছে এটিক গদ্য অলঙ্কাৰপূৰ্ণ আৰু মনোহৰ কৰি তোলে। প্ৰধান প্ৰধান চফিষ্টসকল কিন্তু এথেন্সৰ মানুহ নাছিল। তেওঁবিলাক গ্ৰীচৰ আন ঠাইৰপৰা আহি তাত অলঙ্কাৰ-শাস্ত্ৰ শিক্ষা দিছিল। এটিক তেওঁবিলাকৰ মাতৃভাষা নোহোৱা কাৰণেই সম্ভৱতঃ তেওঁবিলাকে এটিক গদ্য এটা কলাবিদ্যাৰ দৰে চৰ্চ্চা কৰিব পাৰিছিল। এই কলামণ্ডিত গদ্যৰ প্ৰভাৱে যে এটিক ভাষাৰ প্ৰচাৰত সহায় কৰিছিল সেই বিষয়ে সন্দেহ নাই।

## উপভাষা আৰু সাহিত্যৰ শাখা

এটিক ভাষা যদিও সৰ্ব্বপ্ৰধান হৈ উঠিছিল তথাপি সাহিত্যৰ কোনো কোনো শাখাৰ উৎপত্তি আৰু বিকাশ অন্যান্য উপভাষাত হৈছিল। প্ৰাচীন গ্ৰীকসকলৰ এটা অভ্যাস আছিল যে তেওঁবিলাকে যেই সেই উপ-ভাষাৰ কোনো এটা শাখা অগ্ৰসৰ হলে সেই উপভাষা নিজৰ মাতৃভাষা নহলেও তাক সাহিত্যৰ সেই শাখাটোৰ কাৰণে ব্যৱহাৰ কৰিছিল। মহাকাব্য ইয়নীয় ভাষাত বিকশিত হৈছিল, কাজেই হমাৰ হিচিয়দৰ পাছতো যি-সকলে কাব্য অথবা মহাকাব্য লিখিছিল তেওঁবিলাকে প্ৰায়েই নিজৰ মাতৃভাষা যি কি নহওক ইয়নীয় ভাষাত লিখিছিল। মহাকাব্যৰ দৰে গ্ৰীক গদ্যৰো পোনতে খৃঃ পূঃ ষষ্ঠ শতিকাত ইয়নীয় ভাষাত আৰম্ভ হৈছিল। এই কাৰণেই হেৰদটচে তেওঁৰ বুৰঞ্জীখন নিজৰ মাতৃ ভাষা দৰীয়ত নিলিখি ইয়নীয় ভাষাত লিখিছিল। চিকি-ৎসা শাস্ত্ৰবিৎ হিপক্ৰেটিছৰ সম্পৰ্কেও একে কথা; তেওঁ ইয়নীয় উপভাষাত লিখিছিল, কিন্তু তেওঁৰ মাতৃ ভাষা আছিল দৰীয়।

দৰীয় উপভাষাত "কৰচ" অৰ্থাৎ অনেকে মিলি গোৱা গীতি-কবিতাৰ উৎপত্তি আৰু বিকাশ হৈছিল। বিখ্যাত কবি পিন্দাৰ, আৰু চিমনিদিছে এই ধৰণৰ কবিতা দৰীয় ভাষাত লিখিছিল, কিন্তু প্ৰথমজনৰ মাতৃ ভাষা আছিল এবলীয় আৰু দ্বিতীয়জনৰ নিজ ভাষা আছিল ইয়নীয়। এই একে কাৰণতে গ্ৰীক নাটকবিলাক যদিও এটিক ভাষাত ওলাইছিল, তথাপি নাটকৰ অন্তৰ্গত গায়কদলে গোৱা গাথাবিলাক দৰীয় ভাষাত লিখা হৈছিল।

এবলীয় উপভাষাত প্ৰণয় কবিতাৰ বিকাশ হৈছিল।

কাজেই অনেক লিখকে এৰ্ঁলীয় ভাষা তেওঁবিলাকৰ মাতৃ ভাষা নোহোৱা স্বত্বেও তাত প্ৰণয় কবিতা লিখিছিল। কবি থিয়ক্ৰিটাচে নিজৰ মাতৃভাষা দৰীয়ত লিখিছিল যদিও তেওঁৰ কোনো প্ৰেম-কবিতা এৰ্ঁলীয় ভাষাত লিখিছিল।

## গ্ৰীক ভাষা আৰু সংস্কৃত ভাষা

গ্ৰীক ব্যাকৰণ আৰু সংস্কৃত ব্যাকৰণৰ নানা সাদৃশ্য আছে ইয়াত ছুটামান লক্ষণ নিৰ্দ্দেশ কৰা হল। গ্ৰীকত সংস্কৃতৰ দৰে দ্বিবচন আছে, বিভক্তিৰ ভিতৰত কিন্তু সংস্কৃতৰ দৰে ইয়াত তৃতীয়া, পঞ্চমী আৰু সপ্তমী নাই। এই কাৰণে গ্ৰীকত এই কেইটা বিভক্তিৰ কাম অন্যান্য বিভক্তিৰেই চলোৱা হৈছিল। যেনে কৰণ বুজাবলৈ সংস্কৃতৰ তৃতীয়াৰ ঠাইত গ্ৰীকত চতুৰ্থী ব্যৱহাৰ কৰা হৈছিল। সংস্কৃতত সহ, সাৰ্দ্ধম আদি "সৈতে" বুজোৱা অব্যয়ৰ লগত তৃতীয়া ব্যৱহাৰ কৰা হয়। গ্ৰীকত তৃতীয়া নাই, কাজেই "সৈতে" বুজোৱা অব্যয় "মেথা" আৰু "চূণ"ৰ লগত ক্ৰমে ষষ্ঠী আৰু চতুৰ্থী ব্যৱহাৰ কৰা হৈছিল। গ্ৰীকত সন্ধি আছে, কিন্তু অতি সৰল আৰু সংস্কৃতৰ দৰে য'তে ত'তে ব্যৱহাৰ কৰা নহয়। সংস্কৃতৰ দৰে দীঘল, কৃত্ৰিম সমাস গ্ৰীকত নাই, "ফিলচফচ" (যি জ্ঞান ভাল পায়), "ফিলকালচ" (যি সৌন্দৰ্য্য ভাল পায়) গ্ৰীক সমাসৰ ভাল উদাহৰণ। সংস্কৃত ধাতুৰূপ আৰু গ্ৰীক ধাতুৰূপৰ সাদৃশ্য আছে, যেনে গ্ৰীক দিদমি (মই দিওঁ) সংস্কৃত দদামি। গ্ৰীকত সংস্কৃতৰ দৰে পৰস্মৈপদ, আত্মনেপদ আছে। সংস্কৃতত যিদৰে "ভূ"ৰ পৰা বভুব "কৃৰ" পৰা চকাৰ আদি ৰূপ হয় গ্ৰীকতো সেইদৰে "লুৱৰ" পৰা লেলুকা, "থুৰ"ৰপৰা তেথুকা আদি ৰূপ হয়। সংস্কৃতৰ অভৱৎ, অভূৎ আদিৰ "অ"টোৰ ঠাইত গ্ৰীকত 'এ' হয়। অভাব অৰ্থ বুজাবলৈ সংস্কৃতত যি দৰে শব্দৰ আগত "অ" ব্যৱহাৰ কৰা হয় (যেনে অমৰ) গ্ৰীকত সেইদৰে শব্দৰ আগত "আ" ব্যৱহাৰ কৰা হয়। সংস্কৃত বিদ্যমান, বৰ্ত্তমান আদিৰ 'মান'ৰ ঠাইত গ্ৰীকত 'মেনচ' হয়, সংস্কৃত গুৰুতৰ, লঘুতৰ আদিৰ "তৰ"ৰ ঠাইত গ্ৰীকত 'তেৰচ' হয়। সংস্কৃতত article নাই, গ্ৰীকত কিন্তু article আছে। গ্ৰীক আৰু সংস্কৃত ব্যাকৰণৰ সাদৃশ্য আৰু আছে, কিন্তু ইয়াৰপৰা গ্ৰীক আৰু সংস্কৃতৰ বৰ ওচৰ সম্বন্ধ বুলি ভাবিব নালাগে। কাৰণ, ভাষাৰ শৰীৰ গঠন কৰে প্ৰকৃততে শব্দাৱলীয়ে, গ্ৰীক আৰু সংস্কৃত শব্দাৱলীৰ কৰবাত এটা ওটাৰ বাহিৰে একো সাদৃশ্য নাই, গ্ৰীক শব্দাৱলী বৰ মৌলিক। ব্যাকৰণৰ বিষয়তো গ্ৰীক আৰু সংস্কৃতৰ সাদৃশ্য যিমান পাৰ্থক্য তাতকৈ বেছি। বিশেষকৈ গ্ৰীক ধাতুৰূপ সংস্কৃত বা লেটিন ধাতুৰূপৰ সমান নিয়মবদ্ধ নহয়, গ্ৰীক ধাতুৰূপত অসংখ্য অশৃঙ্খল নিয়ম-বিৰুদ্ধ ৰূপ।

## গ্ৰীক ভাষাৰ পৰিবৰ্ত্তন কাহিনী

গ্ৰীক ভাষাৰ সুদীৰ্ঘ বুৰঞ্জী যিমান ঘটনাপূৰ্ণ সম্ভৱতঃ আন কোনো ভাষাৰ বুৰঞ্জী তিমান নহয়, গ্ৰীক ভাষাৰ ওপৰেদি যিমানবিলাক ধুমুহা গৈছে আৰু তাৰ যিমান পৰিবৰ্ত্তন ঘটিছে, সম্ভৱতঃ আন কোনো ভাষাত তেনে হোৱা নাই। ভাষা জীৱনৰ সকলোবিলাক দৃশ্য গ্ৰীক ভাষাৰ জীৱনত দেখিবলৈ পোৱা যায় বুলিলে অত্যুক্তি নহয়।

এটিক উপভাষাৰ প্ৰচাৰ হবলৈ ধৰিলে, উপভাষা গুচি সি এটা স্বতন্ত্ৰ ভাষাত পৰিণত হল। কিন্তু তাৰ যিমানেই প্ৰচাৰ হল তিমানেই তাৰ গঢ় লৰিল। হিন্দুৰ দৰাই দেশে বিদেশে ফুৰিলে জাতটি ৰক্ষা কৰিবলৈ অসুবিধা পায়, ভাষাও সেইদৰে বহুত মানুহৰ মুখ বাগৰিলে নিজৰ শুদ্ধি ৰক্ষা কৰিবলৈ টান পায়। গ্ৰীচৰ নানা ঠাইৰ মানুহৰ মুখত আৰু কলমৰ আগত পৰি এটিক ভাষাই গঢ় সলাবলৈ ধৰিলে। আনপক্ষে গ্ৰীচৰ সকলো ঠাইৰ মানুহে বুজিব পৰা এটা সাধাৰণ ভাষা গঢ়ি তোলাৰ আৱশ্যকো বোধ কৰা হৈছিল। এই কাৰণে অন্যান্য ঠাইৰ মানুহে এটিক ভাষা ব্যৱহাৰ কৰোঁতে স্থানীয় উপভাষাবিলাকত প্ৰচলিত এনে অনেক শব্দ আৰু ৰূপ ব্যৱহাৰ কৰিবলৈ ধৰিলে যিবিলাকক আগেয়ে এটিক ভাষাই সাহিত্যৰ উপযুক্ত নহয় বুলি ভাবিছিল। উদাহৰণ স্বৰূপে কব পাৰি, এটিক ভাষাৰ "হেত্তন" (নীহ), "থাত্তন" (বেছি বেগী) আদি শব্দৰ ঠাইত এতিয়া "হেছ্ছন," "থাছ্ছন" আদি লিখিবলৈ ধৰা হল। অকল এয়ে



নহয়, সময়ৰ লগে লগে এটিক ভাষাৰ ব্যাকৰণ অলপ সৰল কৰিবৰ কাৰণে এটা স্বাভাৱিক প্ৰবৃত্তিৰো আবিৰ্ভাৱ হৈছিল। দেমচথেনিচৰ নিচিনা এটিক ভাষাৰ নামজ্বলা লেখকসকলৰ ৰচনাতে ব্যাকৰণসম্পৰ্কীয় পৰিবৰ্ত্তন দেখা দিবলৈ ধৰিলে, দেমচথেনিচৰ নিজৰ নামটোকে ষষ্ঠী বিভক্তিত এতিয়া আগৰদৰে ৰূপ নকৰি আন প্ৰকাৰে কৰা হল। দ্বিবচনৰ লাহে লাহে অন্তৰ্ধ্যান হল। মুঠতে খৃঃ পূঃ চতুৰ্থ শতিকাৰ মাজ ভাগত প্লেট' আৰু জেনফনৰ মৃত্যুৰ লগে লগে এটিক ভাষাৰ বিশুদ্ধ যুগ শেষ হল বুলিব লাগে। ইয়াৰ পাছত দেমচথেনিচ আৰু মেনান্দাৰ আদি সামাজিক নাটক ৰচোতাসকলৰ হাতত এটিক ভাষাৰ সালসলনি ক্ৰমাৎ আগ বাঢ়িবলৈ ধৰিলে। লাহে লাহে তাৰ পৰিমাণ ইমান বেছি হল যে কিছুমান দিনৰ পাছত গ্ৰীচত এটা নতুন ভাষাই দেখা দিলে, তাৰ নাম হল "কয়নে" (সাধাৰণ) অৰ্থাৎ গোটেই গ্ৰীচৰ উমৈহতীয়া ভাষা। এই কয়নে অৱশ্যে এটিক ভাষাৰপৰাই ওলোৱা অথচ সম্পূৰ্ণ এটিক নহয়। এই কয়নেত পৰৱৰ্ত্তী যুগৰ গ্ৰীক লেখকসকলে লিখিছিল, পলিবিয়াচ (খৃঃ পূঃ দ্বিতীয় শতিকা), প্লুটাৰ্ক (খৃষ্টীয় প্ৰথম শতিকা) আৰু অন্যান্য অনেক।

"কয়নে"ৰ প্ৰচাৰ হবলৈ ধৰিলে, অকল গ্ৰীচতে নহয় এলেকজান্দাৰৰ সাম্ৰাজ্য বিস্তাৰৰ লগে লগে ইজিপ্তত, ছিৰিয়াত। কয়নে গোটেই গ্ৰীক জগতৰ এটা নিৰ্দ্দিষ্ট অচল, অটল ভাষা হৈ থকা হলে অনেক বেমেজালি কমিল হেতেন, কিন্তু সি ভিন ভিন ঠাইত ভিন ভিন ৰূপ ললে। ইজিপ্তত এলেকজেন্দ্ৰিয়াৰ ইহুদীবিলাকে পুৰণি টেষ্টামেণ্ট হিব্ৰুৰপৰা গ্ৰীকলৈ অনুবাদ কৰিলে, সিও একপ্ৰকাৰ কয়নে, পেলেষ্টাইনত গ্ৰীক ভাষাত লাহে লাহে নতুন টেষ্টমেণ্টৰ ৰচনা হল, সিও একপ্ৰকাৰ কয়নে। এজন ডাঙৰ জাৰ্ম্মাণ পণ্ডিতৰ মতে এই দুই কয়নেক কয়নে বুলিব নালাগে, কাৰণ এই দুই গ্ৰন্থৰ ভাষা একেবাৰেই তলশ্ৰেণীৰ মানুহৰ ভাষা, কয়নে হৈছে প্লুটাৰ্ক আদি লেখকসকলৰ ভাষা। যি হক, নামৰ কাৰণে একো নহয়, গ্ৰীক ভাষাৰ প্ৰকৃতি এই সময়ত বৰ চঞ্চল হৈ উঠিছিল।

## পৰিবৰ্ত্তন আৰু বেমেজালি

গ্ৰীকভাষাত বেমেজালিৰ যুগ আৰম্ভ হল। খৃঃ পূঃ তৃতীয় দ্বিতীয় শতিকাত পুৰণি লেখকসকলৰ ভাষা জনসাধাৰণে দুবুজা হৈ উঠিল। এই কাৰণে বিদ্বান টীকাকাৰসকলে পুৰণি গ্ৰন্থাৱলীৰ ব্যাখ্যা লিখিবলৈ ধৰিলে। আনপক্ষে পুৰণি গ্ৰীকভাষা আকৌ প্ৰচাৰ কৰিবৰ কাৰণে এটা আন্দোলনৰ সূত্ৰপাত হল। এই কাৰণেই খৃঃ পূঃ দ্বিতীয় শতিকাত এপলনিয়াচৰ নিচিনা দুই চাৰি বিশিষ্ট কবিয়ে প্ৰচলিত কয়নেত নিলিখি পুৰণি গ্ৰীকভাষাত কাব্য ৰচনা কৰিছিল, সেই সময়ত কিন্তু পুৰণি গ্ৰীক এটা মৰাভাষাত পৰিণত হৈছিল।

কবিসকলৰ বাহিৰে খৃঃ পূঃ প্ৰথম শতিকাৰপৰা বৈয়াকৰণিকসকলে কয়নেৰ ঠাইত আকৌ পুৰণি গ্ৰীকভাষা চলাবলৈ চেষ্টা কৰিছিল। কয়নে পুৰণি এটিক ভাষাৰ পৰা যিমানেই আঁতৰিল তিমানেই এই আন্দোলন প্ৰবল হবলৈ ধৰিলে। খৃষ্টীয় দ্বিতীয় শতিকাত বৈয়াকৰণিকসকল একেবাৰে উত্তাৱল হৈ উঠিল। তেওঁবিলাকে আটাহ পাৰিবলৈ ধৰিলে—এইটো ভুল, এইটোহে শুধ, এই দৰেহে লিখিব লাগে, এইটোহে গ্ৰীক। তেওঁবিলাকে পাহৰি গৈছিল যে গ্ৰীক এটা জীয়া ভাষা আৰু জীয়া ভাষাৰ গতি ৰোধ কৰিব নোৱাৰি। আজিৰ আসামত যদি কোনোবাই প্ৰস্তাৱ কৰে "বাইজ, আহক, আমি আকৌ গোলন্ত, দেখিলন্ত, হৈলা আদি চলাওঁ" তেন্তে তেওঁৰ কথালৈ কোনে কাণ কৰিব? মুঠতে গ্ৰীক বৈয়াকৰণিকসকলৰ অৰণ্য ৰোদন হল।

ইতিমধ্যে খৃষ্ট ধৰ্ম্মৰ প্ৰচাৰ হল। ভাষাৰ ফালৰ পৰা চালে ইয়াক ভূতৰ ওপৰত দানহ বুলিব পাৰি। ঈশ্বৰৰ পুতেক জন বাপেক গৰাকীতকৈ ডাঙৰ নে সৰু তেনে বিধৰ আলোচনা প্লেট' ছক্ৰেটিছে কৰা নাছিল, এতিয়া তেনে আলোচনা কৰাৰ আৱশ্যক হল। খৃষ্ট ধৰ্ম্মৰ নানা আলোচনা, অনুষ্ঠানৰ কাৰণে অসংখ্য নতুন শব্দ, নতুন বাক্য-ভঙ্গীৰ সৃষ্টি হল, গ্ৰীকভাষা তাৰ পুৰণি চানেকীৰপৰা আৰু আঁতৰিল।

খৃঃ পূঃ দ্বিতীয় শতিকাত গ্ৰীছ ৰোমৰ তললৈ যায়।

খৃষ্টীয় চতুৰ্থ শতিকাত ৰাজধানী ৰোমৰপৰা বাইজেন্তিয়াম বা কনস্তান্তিনোপললৈ যায়। বাইজেন্তীয় যুগত আইন, শাসন-বিধি আদি বিষয়ত লেটিন ভাষায়ো গ্ৰীকৰ ওপৰত ছাপ এৰি যায়।

## শেষ যুগ, শেষ দশা

ইতিমধ্যে গ্ৰীছৰ লোক সমষ্টিৰো অনেক পৰিবৰ্ত্তন হয়। খৃষ্টীয় অষ্টম শতিকাত এটা ভয়ঙ্কৰ মহামাৰীয়ে গ্ৰীছৰ অনেক ঠাই শূন্য কৰিলে। ফলত নানা শ্লাভ জাতীয় মানুহে খালি ঠাইবিলাকত বসতি কৰিবলৈ ধৰিলে। ইটালীয়, মিছৰীয়, ইহুদী আদি নানা জাতিৰ মানুহ গ্ৰীছৰ বাসিন্দা হল। এই পৰিবৰ্ত্তনে ভাষাত পোনপটীয়াকৈ বিশেষ একো প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। কিন্তু ভাষা শব্দৰ এটা প্ৰাণশূন্য সমষ্টি নহয়, সি বক্তাৰ বিদ্যা-বুদ্ধি, ভাবৰ গতি অনুসৰণ কৰা এটা গতিশীল পদাৰ্থ। এই জাতি সংমিশ্ৰণৰ ফলত যে বাক্যভঙ্গীৰ নানা পৰিবৰ্ত্তন হৈছিল সেই বিষয়ে সন্দেহ নাই।

সালসলনিৰ খেমেজালি লাহে লাহে ইমান বেছি হবলৈ ধৰিলে যে খৃষ্টীয় দ্বাদশ শতিকাত পুৰণি এটিক ভাষাৰপৰা ওলোৱা পূৰ্ব্বোক্ত "কয়নে" জন সাধাৰণৰ অবোধ্য হৈ উঠিল। এই যুগৰপৰা দুটা বেলেগ ভাষাৰ প্ৰচলন হল বুলিব লাগে। জন সাধাৰণে এটা খেমেলিহলি ভাষা ব্যৱহাৰ কৰিবলৈ ধৰিলে, কিন্তু সাহিত্যত আগৰ দৰে কয়নে চলি থাকিল। নকলেও হব যে এই সময়ত এই কয়নে একেবাৰেই মৰা ভাষাত পৰিণত হৈছিল। লেখকসকলৰ দূৰদৰ্শিতা থকা হলে তেওঁবিলাকে এটা মৰা ভাষাত নিলিখি সৰ্ব্বসাধাৰণৰ কথিত ভাষাত এটা লৌকিক সাহিত্য সৃষ্টি কৰিবলৈ যত্ন কৰিলেহেঁতেন, কিন্তু জনসাধাৰণৰ ভাষাক তেওঁবিলাকে সাহিত্যৰ অনুপযুক্ত বুলি ভাবিছিল। তেওঁবিলাকৰ এই পণ্ডিতী ভাষা লেণ্ড চিয়াই লেণ্ড চিয়াই প্ৰায় অষ্টাদশ শতিকালৈকে চলিছিল। কয়নেৰ এই শেষ যুগত তেওঁবিলাকে যি সাহিত্যৰ সৃষ্টি কৰিছিল তাৰ বেছি ভাগেই আজি বিস্মৃতিৰ গৰ্ভত, বেছি ভাগৰে তেটিত তিতা লাও গজিল বুলিব পাৰি।

আনপক্ষে কিন্তু জনসাধাৰণৰ লৌকিক ভাষাতো যে সাহিত্যিক ৰচনা হব পাৰে এই ধাৰণাটো একেবাৰেই অজ্ঞাত হৈ থকা নাছিল। দ্বাদশ শতিকাৰপৰা আৰম্ভ কৰি মাজে মাজে এই লৌকিক ভাষাতো ভাল হক, বেয়া হক লিখা হৈছিল আৰু এই লৌকিক ভাষাৰপৰাই লাহে লাহে আধুনিক গ্ৰীক ভাষাৰ উৎপত্তি হয়। ইতিমধ্যে পঞ্চদশ শতিকাৰ শেষ ভাগত গ্ৰীছ তুৰস্ক শাসনৰ অধীন হয়। ইয়াৰ ফলত লৌকিক ভাষাত অনেক তুৰস্ক শব্দয়ো ঠাই ললে। উনবিংশ শতিকাত যেতিয়া তুৰস্ক শাসনৰ বিৰুদ্ধে এটা জাতীয় আন্দোলনৰ আৰম্ভ হয় আৰু লাহে লাহে বিদ্ৰোহৰ সূত্ৰপাত হয়, তেতিয়া স্বাধীনতা বাদী সকলে জাতীয় স্বাধীনতাৰ লগে লগে এটা জাতীয় ভাষা আৰু জাতীয় সাহিত্যৰ আৱশ্যকো বোধ কৰিছিল। প্ৰচলিত কথিত ভাষাক পুৰণি গ্ৰীক ভাষাৰপৰা শব্দ সম্পদ সংগ্ৰহ কৰি বিশুদ্ধ আৰু পৰিপুষ্ট কৰিবলৈ কৰায়েচ নামে এজন বিদ্বান মানুহে চেষ্টা কৰিছিল। গ্ৰীছে ৰাষ্ট্ৰীয় স্বাধীনতা পালে, কিন্তু ভাষা-সমস্যাৰ সমাধান নহল। সাহিত্যৰ ভাষা কি হব সেই বিষয়ে এতিয়াও বাগ-বিতণ্ডা। কোনোৱে কয় পুৰণি গ্ৰীক ভাষাৰ আদৰ্শ লব লাগে, কোনোৱে কয় লৌকিক ভাষাই সাহিত্যৰ ভাষা হব লাগে। শিক্ষিত সকলে অন্যান্য ইউৰোপীয় ভাষাৰপৰাও বিশেষকৈ ফৰাচীৰ পৰা উপকৰণ সংগ্ৰহ কৰিব খোজে।

সৰশেষত, পুৰণি গ্ৰীকৰপৰা আধুনিক গ্ৰীকলৈ কি দৰে পৰিবৰ্ত্তন হৈছিল তাৰ এটা উদাহৰণ দিয়া যক। সংস্কৃতত যিদৰে দ্বিতীয়াৰ একবচনত শব্দৰ পাছত "ম্" লগোৱা হয়, পুৰণি গ্ৰীকত সেইদৰে "ন" ব্যৱহাৰ কৰা কৰা হৈছিল (যেনে সংস্কৃত শকম্—গ্ৰীক লগন), কিন্তু মানুহবাচক "আনেৰ" শব্দৰ দ্বিতীয়াত নিয়মৰ ব্যতিক্ৰম কৰি "আন্দ্ৰা" লিখা হৈছিল। পৰৱৰ্ত্তী যুগৰ "কয়নে"ত কিন্তু লেখকসকলে সৰলতাৰ খাতিৰত "আন্দ্ৰা" নিলিখি অন্যান্য শব্দৰ দৰে "আন্দ্ৰাণ" লিখিছিল। কয়নেৰ এই আন্দ্ৰাণ"ৰ পৰাই আধুনিক গ্ৰীকত মানুহবাচক "আন্দ্ৰাচ" শব্দৰ উৎপত্তি হৈছে। পুৰণি গ্ৰীক আৰু আধুনিক গ্ৰীক ভাষাৰ অনেক সাদৃশ্য আছে, কিন্তু অকল পুৰণি গ্ৰীক ভাষা জানিলে আধুনিক গ্ৰীক ভাষা আৰু সাহিত্য অধ্যয়ন কৰিব নোৱাৰি, তাৰ কাৰণে বিশেষ শিক্ষাৰ আৱশ্যক।

## গ্ৰীক লিপি

গ্ৰীক বৰ্ণমালাত ২৪ টা আখৰ। গ্ৰীক ভাষাৰ নিজৰ স্বকীয়া লিপি আছে। ইংৰাজী আদি ভাষাত ব্যৱহাৰ কৰা লেটিন লিপিৰ লগত তাৰ সাদৃশ্য বেছি নহয়। গোটাদিয়েক গ্ৰীক আখৰ কছ ভাষাৰ লিপিত ব্যৱহাৰ কৰা হয়।

গ্ৰীক বৰ্ণমালা ফনিছীয় বৰ্ণমালাৰপৰা ওলোৱা। পোনতে সোঁফালৰপৰা বাঁওফাললৈ লিখা হৈছিল। তাৰ কিছুমান দিনৰ পাছত ক্ৰমান্বয়ে প্ৰথম শাৰী সোঁফালৰপৰা আৰু দ্বিতীয় শাৰী বাঁওফালৰপৰা লিখা হৈছিল। সৰশেষত খৃঃ পূঃ পঞ্চম শতিকাৰপৰা নিৰ্দ্দিষ্ট ভাবে বাঁওফালৰপৰা লিখিবলৈ ধৰা হয়।

## সামৰণি

বৰ্ত্তমান প্ৰবন্ধত গ্ৰীক ভাষাৰ এটা সাধাৰণ বিৱৰণ দিয়া হল। গ্ৰীকভাষা সম্পৰ্কে ইমানবিলাক কথা কোৱাৰ উদ্দেশ্য এই যে গ্ৰীকভাষাৰ বুৰঞ্জীৰপৰা ভাষা জীৱনৰ অনেক কথা জানিব পৰা যায়। বেলেগ বেলেগ ভাষাত ভিন ভিন সময়ত যিবিলাক সমস্যাৰ আবিৰ্ভাৱ হৈছে অকল গ্ৰীকভাষাৰ জীৱনতে তাৰ প্ৰায়বিলাক দেখা যায়। গ্ৰীক ভাষাৰ জীৱনৰপৰা আৰু অন্যান্য কথা আলোচনা কৰিব পাৰি, কিন্তু আমাৰ ভাষাত ভাষাবিজ্ঞান সম্পৰ্কীয় আলোচনাতকৈ সাহিত্যৰ আলোচনাহে বেছি উপযোগী। ভৱিষ্যতত গ্ৰীক সাহিত্য আৰু দৰ্শনৰ বিস্তৃত বিৱৰণ দিয়া হব।

পুৰণি গ্ৰীকভাষা আৰু সাহিত্যৰ বৈজ্ঞানিক আলোচনা আজিকালি গ্ৰীছতকৈ পশ্চিম য়ুৰোপতহে বেছি। বিশেষকৈ ইংৰাজী, ফৰাছী আৰু জাৰ্ম্মাণ ভাষাত গ্ৰীক ভাষা আৰু সাহিত্য সম্পৰ্কে নানা পাণ্ডিত্যপূৰ্ণ আলোচনা হৈছে আৰু পুৰণি গ্ৰীক গ্ৰন্থসমূহৰ সমালোচনামূলক সংস্কৰণ প্ৰকাশ কৰা হৈছে। ইংৰাজী ভাষাত গ্ৰীক-সাহিত্যৰ ভাল বুৰঞ্জী নাই। ফৰাচী ভাষাত তাৰ সুবিস্তৃত বুৰঞ্জী লিখা হৈছে। কিন্তু গ্ৰীক সাহিত্য, দৰ্শন, পুৰাণ, বুৰঞ্জী, ব্যাকৰণ আদি সকলো বিষয়তে আজিলৈকে যিবিলাক আটাইতকৈ গুৰুত্বশালী আলোচনা হৈছে তাৰ প্ৰায়বিলাকেই জাৰ্ম্মাণ ভাষাত। জাৰ্ম্মাণভাষাৰ সহায় নললে গ্ৰীক ভাষা আৰু সাহিত্যত ভালকৈ ব্যুৎপত্তি লাভ কৰা অসম্ভৱ।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ

---

# কাঁহুদী আৰু খাৰলি

বাঁহীয়ে "পলিটিক্সত" হাত নিদিয়ে। কিন্তু হিন্দু-মুছলমানৰ মৰামৰিটো পলিটিক্সৰ ভিতৰত পৰিলে বিহুত পৰে কব নোৱাৰোঁ। কোনোৱে বোলে পৰে, কোনোৱে বোলে নপৰে—পৰে ধৰমত হে। আমি কিন্তু মৰামৰিৰ মাজত পৰি পেপুৱা লাগিছোঁ; মাৰৰ কোবত আমি ক'ত পৰোঁ, ক'ত নপৰোঁ; অৰ্থাৎ কাৰ ঘৰত সোমাই পৈতৃক প্ৰাণটি ৰক্ষা কৰিম, সেইটোৰ ভু নলৈ লৰি কেতিয়াবা হিন্দুৰ ঘৰত সোমাইছোঁ, কেতিয়াবা মুছলমানৰ ঘৰত আশ্ৰয় লৈছোঁ, আৰু সদাশয় হিন্দু গৃহস্থই নিজৰ বিপদলৈ আওকাণ কৰি আমি মুছলমানক আশ্ৰয় দি ৰাখিছে, আৰু ছুৰা-মুৰাৰ কালতো মূৰ থিৰেৰে ৰাখিব পৰা বিস্তৰ মুছলমান গৃহস্থইও ঘটিবপৰা আপদলৈ চকু নিদি আমি হিন্দুক নিজৰ ঘৰত স্থান দি ৰাখিছে। এতেকে হিন্দু-পলিটিক্সৰ টিকনি আৰু মুছলমান খিলাফতৰ ডাঢ়িৰ মূৰাত একেমুঠিয়েই ধৰি যেতিয়া দন্দুৰাদৈত্যই "ঘণ্টা লাৰি" দুইকো ওপৰত পৰি দুইকো "ভূমিত পাৰি" সমজ্যাত চোচোৰাই লৈ ফুৰায়, তেতিয়া স্থান, কাল, দেশ, পাত্ৰৰ হিচাপ ৰাখিব নোৱাৰি।

একেলগে সদায় মিলা-প্ৰীতিৰে থকা দুই ভাই হিন্দু-মুছলমানক এইদৰে মিছা কথাতে বা ক্ষুদ্ৰ কথাতে সুৰ ফলাফলি কৰি মৰিবলৈ আজিৰ দিনতো কোনে শিকাইছে, কোনে ভাৰতীয় জাতি (Indian Nation) সঙ্ঘটনৰ আৰম্ভতে এইদৰে ভাৰত আইৰ আগ মঙহতে কামোৰ মাৰিছে সেইটোৰ বুজ-বিচাৰ লবলৈ আজি আমি নাযাওঁ; কাৰণ সেই কাৰ্য্যকৰোঁতাসকল ৰবখৰৰ বেৰৰ ভিতৰত, কোনেও তেওঁলোকক নেদেখে, আৰু দেখিলেও আঙু-লিয়াবলৈ নাইবা তেওঁলোকৰ গাত হাত দিবলৈ সাহ নকৰে। তাৰ কাৰণ অনেক। তেওঁলোকে উলুৱনিত জুই লগাই দূৰৰপৰা ৰং চায়, আৰু গিৰিহঁতক "খুচী" কৰি নিজে ডাঙৰ হবলৈ আৰু নৰালুৰিক ডাঙৰ কৰি-বলৈ দিহা কৰে। দেশত ৰৰ যুজ হলে শগুণ শিয়ালৰ মহা আনন্দ হয়; কাৰণ তেতিয়া সিহঁতে শ খাই পেট ভৰাই লোদোৰপোদোৰ হবৰ উপায় ওলায়, ইতি পিণ্ডিতাৰ্থ।

• • •

আমি যেনে অৱস্থাত পৰিছোঁ, আমাৰ ভিতৰত উলুৱনিত জুই লগাই দূৰৰপৰা ৰংচোৱা কিছুমান থাকিবই। যেতিয়ালৈকে ভেদ নীতিৰ দ্বাৰাই দেশ শাসিত থাকিব তেতিয়ালৈকে এনে মানুহৰ ওৰ নপৰে। আৰু শাসক সকলৰ পক্ষে এই নীতিৰো আৱশ্যকতা নাযায়—যেতিয়া, লৈকে দেশ বন্ধুতা আৰু প্ৰীতিৰ অস্ত্ৰৰে শাসিত নহৈ তৰোৱালেৰে শাসিত হৈ থাকিব। এই বাবেই আত্ম-শাসনৰ আৱশ্যক। আত্মশাসনে ভাই-ভাইৰ লগত ডিঙি কটাকটিৰ ওৰ পেলায়। আকৌ আন ফালে ভাই-ভায়ে ডিঙি কটাকটি কৰি থাকিলেও আত্মশাসন লাভ হোৱা কঠিন। সেইদেখি ভাৰত এতিয়া, দুইও দুইফালে দুইৰো নেগুৰ গিলিবলৈ ধৰা দুটা সাপৰ মেৰপাক অৱ-স্থাত। এনে সঙ্কট সময়ত ভাৰতক ঈশ্বৰে নাৰাখিলে আৰু কোনে ৰাখে।

• • •

ভাৰতত হিন্দুৰ আৰু মুছলমানৰ সৰহ ভাগেই অশিক্ষিত। এমুঠি শিক্ষিতে এই অশিক্ষিত বৃন্দক জ্ঞান বুদ্ধি আৰু পৰামৰ্শৰে চলাব পাৰে, আৰু চলায়। এই এমুঠি শিক্ষিতৰ ভিতৰৰ স্বাৰ্থপৰসকলে নিজৰ স্বাৰ্থ বা মৎলব সিদ্ধিৰ অৰ্থে, আৰু নিস্বাৰ্থপৰসকলে নিজৰ স্বাৰ্থ বলি দি দেশৰ মঙ্গলৰ অৰ্থে বিপুল অশিক্ষিতক কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰে। অশিক্ষিত সমূহ তেওঁলোকৰ হাতত Dumb driven cattle অৰ্থাৎ নিমাত গৰু-মহৰ জাক। যেতিয়ালৈকে ভাৰতৰ সৰহভাগ মানুহৰ এনে অৱস্থা থাকিব, তেতিয়ালৈকে স্বাৰ্থপৰসকলে নিমাত-সকলক লৈ দেশৰ অনিষ্ট আৰু নিজৰ নিষ্ট (প্ৰকৃততে শেহত নিজৰো ভয়ানক অনিষ্ট) কৰি থাকিব। এতেকে এই বিপদৰপৰা ভাৰতক ৰক্ষা কৰিবলৈ এক উপায় হৈছে, দেশৰ নিমাত অজ্ঞানসকলক শিক্ষিত কৰি তেওঁ-লোকৰ চকু গজাই দিয়াটো। এইটো কিন্তু বৰ ডাঙৰ আৰু টান কাম। টান এইবাবে যে ৰজাঘৰৰপৰা এই কাৰ্য্যত পূৰ্ণ সহায় পোৱা নাযায়, বিশেষকৈ ধনেৰে। পৃথিবীৰ আন আন সুসভ্য দেশত এশজনৰ ভিতৰত কেইজন শিক্ষিত আৰু সেই সেই দেশৰ গভৰ্ণমেণ্টে সেই কাৰ্য্যত কিমান ধন ভগন কৰে, সেইবোৰ কথাৰে ভাৰ-তৰ কথা বিজালেই এইটো ফট্ফটীয়া হৈ ওলাই পৰে। ৰজাৰপৰা যেতিয়া আমি পূৰ্ণ সহায়েৰে বঞ্চিত, তেতিয়া আমি প্ৰাণ টাকি দুখীৰ দুখী অৱস্থাৰে এই কাৰ্য্যত লাগি নগলে আৰু উপায় নাই।

• • •

কেনে ক্ষুদ্ৰ কথা বা মিছা কথাতে দন্দ–হাই মৰা-মৰি কৰি দেশলৈ অশান্তি অনা হৈছে চোৱাঁ। মছজিদৰ আগেদি ৰাজআলিয়েদি হিন্দুৱে গান বাজনা কৰি গলে মছজিদ আৰু মুছলমান ধৰ্ম্মক হেনো অপমান কৰা হয়। মছজিদৰ ভিতৰত মুছলমানসকলে ঈশ্বৰৰ উপাসনা কৰোঁতে হিন্দুৰ গান বাজনা কাণত পৰিলে তেওঁলোকৰ কাণ লৰি উপাসনাত ব্যাঘাত হয়। কলিকতা চহৰত চৰ্কাৰি আলিয়ে ঘৰ্ঘৰাই ট্ৰেম গাড়ী যায়; পোঁপোঁৱাই ভোঁভোঁৱাই ডেডাউৰিয়াই ৰিঙিয়াই টিংটিঙাই ঢংঢঙাই মটৰ গাড়ী লৰি-গাড়ী অনবৰত হোঁহোকৰে যায়; চিপাহীয়ে পেঁপা বজাই ঢোল বজাই বেণ্ড বজাই জোখৰ



খোজ জোখেৰে পেলাই দম্দমাই চলে; বাটৰ কাষতে মছজিদ, কিন্তু সেই বাজনা, সেই গীত, সেই ভোঁভোঁৱনি সেই পোঁপোঁৱনি, সেই ডেডাউৰি, সেই ঘৰ্ঘৰণি, সেই কৰ্কৰাণত মজিদত উপাসনা কৰোঁতা মুছলমান ভকত ভাইসকলৰ কাণো নলৰে, মজিদৰো অপমান নহয়; হয় মাথোন হিন্দুৰ গান বাজনাত হে। এইবোৰ কেনে গঢ়ৰ কথা এৰা! হিন্দুৱে গোসাঁনী উটাওঁতে বাটত বাজনা বজাই যোৱাটো, ঈশ্বৰৰ পূজা মহোৎসৱত বাটত সংকীৰ্ত্তন কৰি যোৱাটো আজিৰ দস্তুৰ নহয়, কৌটিকলীয়া দস্তুৰ। মুছলমানসকলো হিন্দুস্থানত অনেক শ বছৰৰ অধিবাসী। এনে কাৰ্য্য সদায় অনেক শ বছৰৰপৰা চলি আহিছে, বলেৰে হাতীটোকে বাতিটো নাপাতিলে এইটোক শুই কৰিব নোৱাৰি। আৰু যদি তেনেহে কথা তেন্তে হিন্দুৰ নাম-ঘৰ দোল-দেৱালয়ৰ ওচৰত আৰু হিন্দুৰ ঘৰৰ কাষত ৰাজআলিৰ ওচৰত আগৰ মুছলমান সকলে কেতিয়াও মজিদ নাসাজিলেহেঁতেন, আৰু সাজি আজিকালিৰ নিচিনাকৈ আগৰসকলে ঠহ ধৰাহেঁতেন সেই কালতে হিন্দু মুছলমানৰ ভিতৰত এটা "ইস্পাৰ-উস্পাৰ" হৈ মীমাংসা হৈ গলহেঁতেন, আজি হাজী ছাহাবৰ দলে সেই বিষয়ত আঙুলি বটিয়াবলৈ নাপালেহেঁতেন।

• • •

হিন্দুৰ ঈশ্বৰৰ পূজা, অৰ্চ্চা, আৰতি, উপাসনা, প্ৰাৰ্থনা সকলোবোৰতে গীত বাদ্যৰ অবিভাজ্য সম্মিলন। গীত বাদ্য হিন্দুৰ উপাসনাৰে সৈতে অঙ্গাঙ্গী সমন্ধীয়। এনে স্থলত ৰাজবাটত যদি হিন্দুৱে মুছলমানসকলৰ উপাসনাত ব্যাঘাত হয় বুলি গীত বাদ্য অৰ্থাৎ ঈশ্বৰৰ সংকীৰ্ত্তন বন্ধ কৰিব লগীয়া হয়, তেন্তে মুছলমানসকলেও হিন্দুৰ ঈশ্বৰোপাসনাত ব্যাঘাত জন্মোৱাটো হলনে নহল? মুছলমানসকলেও যদি নিজৰ উপাসনাত ব্যাঘাত সহিব নোৱাৰে হিন্দুৱেও নো সহিব কেনেকৈ সেইটো তেওঁ-লোকে ভাবি নাচায় কিয়? বৈদিক কালৰেপৰা সঙ্গীত হিন্দুৰ ঈশ্বৰোপাসনাৰ সজুলি। হিন্দু ঋষিয়ে সাম গান কৰি ঈশ্বৰোপাসনা কৰিছিল। মহাশাস্ত্ৰ গীতা ও সঙ্গীত। আন নালাগে ছেমিটিকৰ বাইবেলৰ Psalm ও হিন্দুৰ সামৰ ঠাচ। এনে স্থলত আমাৰ মুছলমান ভাইসকলে বিবেচনা কৰি চলাটোহে শোভন কাৰ্য্য। মুছলমান সকলৰ ভিতৰত ধীৰ স্থিৰ বিজ্ঞসকলেও স্বীকাৰ কৰিছে আৰু কেইবাজনে এই নতুন আন্দোলনৰ বিষয়ে প্ৰতি-বাদ কৰি নিজৰ মত বাতৰি-কাকতত প্ৰকাশ কৰিছেও। অসমৰ গৌৰৱৰ কথা যে আমাৰ অসমীয়া মুছলমান ভাই শ্ৰদ্ধাস্পদ মৌলবী তৈয়বুল্লাই প্ৰথমতে আলি ভ্ৰাতৃদ্বয়ৰ কথাৰ আৰু হিন্দু মুছলমানৰ মিলনৰ বিষয়ে খিলাফৎ কমিটিৰ কাৰ্য্যৰ প্ৰতিবাদ কৰে। তেওঁৰ পিছত বিহাৰ উৰি-ষ্যাৰ কো-অপাৰেটিভ ৰেজিষ্ট্ৰাৰ খাঁ বাহাদুৰ মহিয়ুদ্দিন আহমদৰ প্ৰতিবাদ চিঠি ওলায়। তাৰ পিছত মৌলবী লিয়াকৎ হুছেনৰ। তাৰ পিছত লাহে লাহে কেইবাজনৰ। বেঙ্গল প্ৰেছিডেঞ্চিৰ মছলিম লিগৰ অনৰেৰি ছেক্ৰেটৰী মিষ্টাৰ কুতুবুদ্দিন আহমদেও প্ৰতিবাদ কৰি এখন দীঘল চিঠি বাতৰি-কাকতত লেখিছে। এইবোৰ শুভ লক্ষণ।

• • •

মিষ্টাৰ কুতুবুদ্দিন আহমদৰ চিঠিৰপৰা এই খিনিতে শাৰীচেৰেক তুলি দি দেখুৱাও যে better and sober class-অৰ মুছলমানে এই নতুন আন্দোলনৰ বিষয়ে কি ভাবিছে। "The League is undoubtedly a sectarian organisation but it cannot be a party to the fraud perpetrated by the reactionary leaders over the Mussalmans of Bengal in the name of religion as party weapon to gain selfish ends on account of the coming election and to become ministers to draw fat salaries" ইয়াৰ সংক্ষেপ মানে,—ধৰ্ম্মৰ নামত এই আন্দোলনত বঙ্গদেশৰ সৰলপ্ৰাণ বঙ্গ মুছলমানসকলক লেলাই দি উন্নতি-প্ৰতিৰোধী মুছল-মান নেতাসকলে যি প্ৰতাৰণা কৰিছে, লীগে তাত "বেঙ্গল প্ৰেছিডেঞ্চি মছলেম লিগে" যোগ দিব নোৱাৰে। নেতাসকলৰ মৎলব হৈছে, এই গণ্ডগোল লগাই, অহা নিৰ্ব্বাচনত মন্ত্ৰী হৈ ডাঙৰ দৰমহা খোৱাটো।

এওঁৰ চিঠিৰপৰা আৰু এডোখৰ তোলো—"I hum-

bly submit that the playing of music before mosque should not be a religious issue when people of other denominations are concerned. Our Holy Prophet himself allowed the playing of music inside the mosque during its Id Festival and asked Hazrat Ayeshato witness the same. He even received the non-Moslem delegation of Yemen in the mosque and allowed them to stay there. The Khalifatul Muslims at Constantinople used to attend the Salam Alek ceremony on Friday at the St Sophia Mosque accompanied by Turkish Bands. During the Moslem rule Ram Lila used to be held in front of Jam-I-Masjid at Delhi and the Royalites used to gather at the mosque and garland the hero of the play. In Calcutta in a Mohamedan family musical marriage procession was started from the house in the compound of which a mosque was situated. Certain Akharas with music start from a mosque even to this day and all other Akharas visit the Mowlally Durga adjacent to the mosque and play music for hours together without any protest from any quarter. I am therefore of opinion that it has nothing to do with Shariat and has been invented by self-interested persons or party as a counter-blast to cow-sacrifice in order to cause wanton irritation among the ignorant section of the community."

চমুকৈ ইয়াৰ মৰ্ম্ম—মই কওঁ যে মজিদৰ সমুখত গান-বাজনাৰ কথাটো ধৰ্ম্ম সম্পৰ্কীয় প্ৰশ্ন কৰি তোলাটো উচিত নহয়, যেতিয়া আন ধৰ্ম্মাৱলম্বীসকলৰ তাত সংশ্ৰৱ থাকে। আমাৰ পবিত্ৰ ধৰ্ম্মোপদেষ্টা হজৰৎ মহম্মদেও ইদ্ উৎসৱত মজিদৰ ভিতৰত বাজনা বজাবলৈ দিছিল, আৰু হজৰৎ আয়েচাক শুনিবলৈ কৈছিল। ইয়েমেনৰ বিধৰ্ম্মী প্ৰতিনিধিসকলক তেওঁ মজিদৰ ভিতৰতে দেখা কৰি তাতে থাকিবলৈ দিছিল। কনষ্টেণ্টিনপোলৰ খালিফাটুল মছলেম সকলে শুক্ৰবাৰে ছেণ্ট ছফিয়া মজিদত ছালেম আলেক উৎসৱত সদায় যোগ দিছিল, সেই উৎসৱত তুৰ্কীবেণ্ড বজোৱা হৈছিল। মক্কাযাত্ৰী মাহমেল শোভাযাত্ৰাত সদায় ইজিপ্টৰ বেণ্ড বজোৱা হৈছিল। মুছলমান বাদশ্বাহসকলৰ দিনত দিল্লীত জুমা মজিদৰ সমুখত ৰামলীলাৰ উৎসৱ কৰিবলৈ দিয়া হৈছিল, আৰু সেই উৎসৱ ৰজা ঘৰৰ লোকসকলে মজিদৰপৰা চাই, ৰামলীলাৰ প্ৰধান ভাৱৰীয়াৰ ডিডিত মালা পিন্ধাই দিছিল। কলিকতাত এক মুছলমান পৰিয়ালৰ বিয়াত তেওঁলোকৰ ঘৰৰপৰা যি শোভাযাত্ৰা বাহিৰ হৈছিল, সেই ঘৰৰ চোতালৰ ভিতৰতে মজিদ এটা আছিল। আজিলৈকে এটা আথৰৰপৰা গান বাজনাৰে সৈতে শোভাযাত্ৰা বাহিৰ হয় আৰু আন আন আথৰাৰপৰাও সেইদৰে বাহিৰ হৈ মৌলাআলি দৰ্গালৈ যায়। দৰ্গাৰ কাষতে মজিদ; অথচ তাত সেই বাজনা কেইবা ঘণ্টাও চলি থাকে; কোনেও কেতিয়াও আপত্তি নকৰে। এই দেখি মই কওঁ, যে মজিদৰ কাষত বাজনাৰ কথাটোৰে ছেৰিয়টৰ (shariat) সম্পৰ্ক নাই, এইটো "ফেকুৰা" স্বাৰ্থপৰ মানুহ কিছুমানে উলিয়াই নজনা মানুহক উচটাই এনেকুৱা কৰিছে।

• • •

মোটামুটি ভাৱে কবলৈ গলে, আৰ্য্য জাতিৰ মানুহৰ ধৰ্ম্মত সঙ্গীতক অতি ওখ ঠাই দিয়া হৈছে, আৰু ঈশ্বৰোপাসনাৰ এটি প্ৰধান অঙ্গ বুলি তাক ধৰা হৈছে। ছেমিটিক জাতিৰ ধৰ্ম্মত সঙ্গীতৰ অতি তল ঠাই। এই ধৰ্ম্মত সঙ্গীতক বাইজাৰ নৃত্যগীত, মতলীয়া আৰু দুশ্চৰিত্ৰ মানুহৰ নাচ গানেৰে লেটিপেটি কৰি থোৱা হৈছে। এইবাবেহে ছেমিটিক জাতীয় ধৰ্ম্মৰ তীৰ্থস্থান আৰু উপাসনাৰ ঠাইত সঙ্গীতৰ প্ৰৱেশ নিষেধ। "মিউজিকৰ" বিষয়ে ছেক্সপিয়েৰে কয়—

"The man who hath no music in himself
Nor is not moved by concord of sweet sound,
Is fit for treason, stratagems and spoils;
Let no such man be trusted"

প্লেটোৱে কয়—"Music is a moral law. It gives a soul to the universe, wings to the mind, flight to the imagination, a balm to sadness, gaiety and life to every thing"

ৱিলিয়েম কংগ্ৰেভে (W. Congreve) কয় "Music hath charms to soothe the savage beast, To soften rocks, or bend a knotted oak"

এটা কথা মন কৰিবলগীয়া যে ভাৰতত যিসকল সঙ্গীত বিদ্যাত শ্ৰেষ্ঠ সেইসকলৰ অনেকেই মুছলমান ধৰ্ম্মাৱলম্বী আছিল, যেনে তানসেনকে আদি কৰি। আজিও সঙ্গীত বিদ্যাত পাৰ্গত ডাঙৰ ডাঙৰ ওস্তাদৰ ভিতৰত ভালেমান মুছলমান।

• • •

৯ বছৰীয়া মাণিকীৰ মাক ধৰ্ম্মী আৰু বাপেক বিকাই বাপুৱে মাণিকীলৈ বুলি আৰু মাণিকীৰ নামে এতোলা সোণ কিনি তেওঁলোকৰ হাতনি-পেৰাত থলে। অথচ চোৰ কালিয়াই এদিন সেই হাতনি-পেৰা ভাঙি সোণ তোলা চুৰকৈ লৈ অঃফুট মাৰিলে। সোণ হেৰালে সোণৰ গৰাকীৰ গাত পাপ লাগে। সেইদেখি এতিয়া কণ ছোৱালী মাণিকীৰ গাত লাগিল পাপ! আৰু এই পাপৰ কঠাল-এঠা যেনে-তেনে এঠা নহয়; সি মাণিকীৰ গাত বজ্ৰলেপ হৈ ধৰিলে, আৰু জীয়াই থকা কাল ডোখৰত সি তাইক নেৰে। পৰশুৰামে জানি-শুনি মাতৃবধ পাপ কৰিও আমাৰ উজনিৰ পৰশু-কুণ্ডত জোবোৰা মাৰি হাতৰ কুঠাৰ এৰুৱাব পাৰিছিল, কিন্তু অজ্ঞান বালিকা মাণিকীয়ে কোনো সোণ কিনিছিল, কোনো কত থৈছিল, কোনো সেই সোণ চুৰ কৰিলে, আৰু সেই তোলা সোণেই নে পিতলেই, এইবোৰৰ তাই ভুকে নাপালে; কিন্তু একমাত্ৰ নোৰবা চেলাপটীজোক, পাপ লাগিল তাইৰ গাত:—যাৰ নাম widowhood অৰ্থাৎ বৈধব্য দশা। আগলৈ পাতিব-খোজা তাইৰ ঘৰৰ চালত এই hood বা বৰছত্ৰ পৰিল যেতিয়া তাইৰ ঘৰত জুই লাগিল আৰু সেই জুই বৰনৈৰ বান পানীয়েও নুমাব নোৱাৰে।

• • •

শিক্ষিত অশিক্ষিত দিক্‌গজ পণ্ডিত লেখাক আৰু বক্তাসকলৰ লেখা কাকত-পত্ৰত পঢ়িবলৈ পাওঁ, তেওঁলোকে মনু পৰাশৰৰ হাড়ৰ পাৰাটি কেইডাল জোকাৰি-পোকাৰি আজিলৈকে বিধৱাৰ পুনৰ্ব্বিবাহৰ ব্যৱস্থা অব্যৱস্থাৰ "পোৰাবাৰ" মাৰিবই লাগিছে। কিন্তু আমাৰ মাণিকীৰ সঁচাকৈয়ে বিয়া হৈছিল কেতিয়া কোনটো কণাপুলিৰে সৈতে, আৰু কেতিয়ানো সেইটি কাৰ কণা পুলি গ'ত মৰিল, আৰু মুৰ নাইকিয়াৰ মুৰ কামোৰণি পুনৰ্ব্ব বিবাহ তাইলৈ কৰপৰা আহিব, এইবোৰৰ ভু তেওঁলোকে নাৰাখে। আজিও ভাৰতত

| | |
|---|---|
| পাঁচ বছৰ বয়সলৈকে | ১১৮৯২ |
| পাঁচ বছৰৰপৰা দহ বছৰলৈকে | ৮৫০৩৭ |
| দহ বছৰৰপৰা পোন্ধৰ বছৰলৈকে | ২৩২১৪৭ |
| মোট | ৩২৯০৭৬ জনী |

বালিকা বিধৱা। অথচ আমি নিজক বৰ শিক্ষিত, বৰ পণ্ডিত, গণ্য, মান্য, ধাৰ্ম্মিক, সাধু, ডাঙৰ ভব্য গব্য বুলি ভাবোঁ। বোপাঁ ভায়া হে! তিনিলাখৰ ওপৰে আমাৰ ঘৰত বাল বিধৱা! আমি ওপৰত কোৱাবোৰৰ ভিতৰৰ একোৱেই নহওঁ; আমি হওঁ মাথোন ভীমটোকা। আমাৰ সাহ নাই, স্বাৰ্থত্যাগৰ ক্ষমতা নাই, হৃদয়ও নাই, আছে যদিও নথকাৰ নিচিনাই। আমি নিশ্চয় নিশ্চয় ভীমটোকা নহয় কি, আৰু আমাক মানুহ বুলি ভবাবোৰো বাটৈ-টোকা নহয় কি? দিনদেক আমাৰ অসমত বিধৱা বিবাহৰ বিষয়ে আন্দোলন হোৱা দেখিছিলো। ধনুৰ্দ্ধৰসকলে ডনা হৈ ধনুত গুণ লগাই টঙ্কাৰ দি মহা আটোপ কৰিলে। কিন্তু আচল বস্তুটো কাৰো নাই। সেইটো হৈছে প্ৰকৃত সাহ, নিভাঁজ স্বাৰ্থত্যাগ।

বোপাঁ যাৰ যাৰ ঘৰত বালিকা "বিধৱা" আছে—

পোন্ধৰ বছৰীয়া ছোৱালীলৈকে এই শ্ৰেণীত পৰে—তেওঁলোক আগবাঢ়ি ওলাওক; তেওঁলোকে বুকুত অদম্য সাহ বান্ধি লওক; অসংখ্য দুৰ্ভগীয়া বালিকাৰ মঙ্গলৰ অৰ্থে মান, অপমান, যন্ত্ৰণা, নিন্দা সহিবলৈ প্ৰস্তুত হওক; উদাহৰণ দেখুৱাই ভয়াতুৰৰ বুকুত সাহ দিয়ক; নিশ্চয় তেওঁলোক কৃতকাৰ্য্য হব, ঈশ্বৰৰ আশীৰ্ব্বাদ তেওঁলোকৰ মূৰলৈ নামি আহিব।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# স্বাস্থ্য-সম্বন্ধে টোকা

(৪)

## বিলাতত শৱদাহ প্ৰথা

কথাষাৰ শুনিয়েই বোধকৰো বহুতে উচপ খাই উঠিব, কিন্তু এই কথা ঠিক যে পাশ্চাত্য জগতেও শৱদাহ প্ৰথাৰ সুগুণ বুজিব পাৰিছে। শৱদাহ সমিতি এখন (The Cremation Society of England) বিলাতত ভালেমান বছৰৰপৰা আছে। এই সম্বন্ধে এই বছৰৰ জুলাই মাহৰ "ইণ্ডিয়ান মেডিকেল গেজেট" নামেৰে ডাক্তৰী কাকতত যি আলোচনা হৈছে তাৰপৰা কিছুমান কথা টুকি দিলোঁ।

ভাৰতবৰ্ষত অৱশ্যে ধৰ্মানুষ্ঠানস্বৰূপে শৱ-সংকাৰৰ নানা প্ৰথা অৱলম্বন কৰা হয়, কিন্তু এই দেশত ভালেমান য়ুৰোপীয় ডাক্তৰ আৰু আন আন মানুহ আছে যিবিলাকে আমি অলপতে পোৱা ইংলণ্ডৰ শৱদাহ সমিতিৰ ১৯২৫ সনৰ কাৰ্য্য বিৱৰণীৰ আলোচনা পঢ়ি আমোদ পাব। এইখন হৈছে উক্ত সমিতিৰ ৫১শ বছেৰেকীয়া কাৰ্য্য বিৱৰণী। শৱদাহ প্ৰথা সম্বন্ধে বিলাতত হোৱা আন্দোলন যে সৰহাই হবলৈ ধৰিছে তাৰ কোনো ভুল নাই। এই সমিতিৰ ১৬ খন শৱদাহ ঠাই (Crematoria) আছে আৰু এই ঠাইবোৰত যোৱা বছৰত ২৭০১ শৱদাহ কৰা হৈছিল। সমিতিৰ তলত লিখা নামজ্বলা সভ্য কেইজনৰ যোৱা বছৰত মৃত্যু হোৱাত তেওঁবিলাকৰ শৱদাহ কৰা হৈছিল:—ইজিপ্তৰ বিখ্যাত ইৰিগেশ্যন ইঞ্জিনিয়াৰ ছাৰ বিলিয়াম গাৰষ্টিন, কেম্ব্ৰিজ ট্ৰিনিটি কলেজৰ অধ্যাপক মেক্‌টাগাৰ্ট, ফিল্ড্ মাৰ্ছেল লৰ্ড ইপ্ৰেচ, মেজৰ জেনেৰেল ছাৰ ৰিচাৰ্ড বেষ্টমেকট্, ছাৰ ৰাইডাৰ হেগাৰ্ড, বিছপ্ ৰাইল, বিখ্যাত হৃদ ৰোগৰ বিশেষজ্ঞ ছাৰ জেম্‌ছ মেকেঞ্জি; লণ্ডনৰ মাটিৰ তলেদি চলা ৰেলৰ অগ্ৰদূত ছাৰ জৰ্জ গিব। স্বৰ্গীয় ছাৰ চাৰ্লছ কেমেৰণ (গ্ৰেট ব্ৰিটেইনৰ স্বাস্থ্যবিভাগৰ নামজ্বলা গুৰিয়াল) ১৯০৪ সনৰপৰা ১৯২১ সনলৈকে এই সমিতিৰ সভাপতি আছিল। ভালেমান সুপ্ৰসিদ্ধ ডাক্তৰৰ নামো এই সমিতিৰ সভ্য তালিকাত আছে।

এই কাৰ্য্য বিৱৰণী মতে যোৱা বছৰত সমিতিয়ে ধীৰভাৱে উন্নতি কৰা দেখা যায়। সমিতিয়ে আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ চেষ্টা নকৰিলেও সমিতিৰ ধনভঁৰাল চহকী আৰু ৰাকী-থকা টকাৰে সমিতিৰ অন্তৰ্ভুক্ত শৱদাহৰ ঠাইবোৰৰ উন্নতি কৰা হৈছে।

কাৰ্য্য বিৱৰণীৰ লগতে শৱদাহ সম্বন্ধীয় সৰু কিতাপ এখন দিয়া হৈছে। তাত বিলাতৰ শৱদাহৰ ঠাই এখনৰ (Golders Green Crematorium) ছবি দিছে। প্ৰথমতে এটি গীৰ্জ্জা ঘৰত ধৰ্ম্মানুষ্ঠান কৰা হয়; তাৰ পাছত মাজত থকা কুঠৰী এটাৰ ভিতৰেদি কফিন লৈ গৈ শৱদাহ কৰা ঠাইখনত দাহ কৰা হয়। ছাইখিনি গোটাই লৈ দিয়ে নাইবা "বিশ্ৰাম বাগিচাত" (Garden of Rest) পেলাই দিয়ে। সাধাৰণ ৰকমে শৱ



পুতি থোৱাতকৈ এই ধৰণে দাহ কৰাত প্ৰকৃততে কম খৰচ হয়; সৰ্ব্বসাধাৰণৰ স্বাস্থ্যৰ পক্ষে চালেও ইয়াৰ সুবিধা স্পষ্টৰূপে বুজিব পাৰি।

## গ্ৰহণ আৰু হিন্দুৰ পৌৰাণিক নীতি-নিয়ম

নিউটন, কেপ্‌লাৰ আৰু গেলিলিওৰ আবিষ্কাৰৰ ভালেমান যুগৰ আগেয়েই হিন্দুসকলে জ্যোতিষ আৰু অঙ্কশাস্ত্ৰৰ সহায়েৰে কেতিয়া গ্ৰহণ লাগিব, কেতিয়া ভাগিব আৰু কিমান সময় থাকিব সঠিক আৰু নিৰ্ভুলকৈ কব পাৰিছিল। আধুনিক যুগৰ হিন্দুৱে পঞ্জিকা চাই ঠিক সময়ত গ্ৰহণ লাগি ভগাৰ বিষয়ে জানিব পাৰি আচৰিত হয়, কিন্তু যেতিয়া কোৱা যায় যে শাস্ত্ৰৰ বিধান মতে গ্ৰহণৰ সময়ত গা ধুই, লঘোনে থাকি প্ৰাৰ্থনা কৰিব লাগে, তেতিয়া হয়তো তেওঁ কুসংস্কাৰ বুলি হাঁহিয়ে উৰাই দিব।

এইটো ভালকৈ জনা কথা যে এই পৃথিৱীত থকা সকলো বস্তুৱেই সূৰ্য্যৰ শক্তিৰপৰা (solar energy) উদ্ভৱ হৈছে। সূৰ্য্যৰপৰা অহা নাই এনে কোনো বস্তু পৃথিৱীত নাই। আধুনিক 'ফিজিক্স' শাস্ত্ৰবিদসকলে দেখুৱায় বা 'ফিজিক্স' শাস্ত্ৰই প্ৰমাণ কৰে যে জীৱন ধাৰণৰ নিমিত্তে সূৰ্য্যৰ শক্তিৰ আৱশ্যক; পৃথিৱীৰ ওপৰত থকা সমুদায় প্ৰাণী, উদ্ভিদ আদি সকলো সজীৱ আৰু নিৰ্জ্জীৱ বস্তুৱেই জীৱন ধাৰণ আৰু জীৱনী-শক্তিৰ কাৰণে সূৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰিবই লাগে। ভৈষজ্য-ইতিহাসৰ অতি আদিম কালৰেপৰা সূৰ্য্যৰ তাপ স্বাস্থ্যৰক্ষা আৰু জীৱনী বৃদ্ধিৰ কাৰণে লাগতিয়াল বুলি বিবেচনা কৰা হৈছে।

গ্ৰহণৰ সময়ত যে পৃথিৱীৰ ওপৰত কাৰ্য্য কৰা সূৰ্য্যৰ শক্তিৰ পৰিমাণ কম থাকে সেইটো স্পষ্টৰূপে বুজা যায়। সেই অনুপাতে সকলো জীৱ-জন্তুৰে জীৱনী শক্তি অস্থায়ীভাৱে হ্ৰাস হয়; গতিকে জীৰ্ণ-শক্তিও কম হয়। সেই কাৰণে গ্ৰহণৰ সময়ত শৰীৰত জীৰ্ণ নোহোৱা খাদ্য থাকিবলৈ দিব নালাগে। বিশেষকৈ বুঢ়া মানুহ কেঁচুৱা লৰা-ছোৱালী, দুৰ্ব্বল আৰু বেমাৰী মানুহৰ পক্ষে পচি যোৱা কাৰ্য্য (putrefaction) হবলৈ বৰ সুবিধা লাগি পৰে আৰু এই কাৰ্য্যই নানাৰকম বীজাণুৰ সৃষ্টি কৰে। শৰীৰৰ নানা অংশত মিহলি হৈ যোৱা (absorbed) এই দূষিত খাদ্যই (প্ৰতিকাৰ নকৰিলে) শৰীৰৰ মহা অনিষ্ট কৰে। সেই পৌৰাণিক যুগত আমাৰ পূৰ্ব্বপুৰুষসকলৰ যে কিমান দূৰদৃষ্টি আছিল ভাবিলেও আচৰিত হব লাগে।

পৌৰাণিক যুগৰ হিন্দুসকলৰ মতে গ্ৰহণ লগাৰ ৩ ঘণ্টাৰ আগেয়ে পেটত কোনো জীৰ্ণ নোহোৱা বস্তু থাকিবলৈ দিব নালাগে। গতিকে সম্পূৰ্ণৰূপে খোৱা বস্তু জীৰ্ণ যাবলৈ আৰু ৫ ঘণ্টা সময় ধৰি মুঠতে গ্ৰহণৰ আঠ ঘণ্টাৰ আগেয়ে খাদ্য খাব লাগে। ইয়াৰ দ্বাৰাই শাস্ত্ৰ মতে অস্থায়ীভাৱে কৰা উপবাসৰ উদ্দেশ্য বুজিব পাৰি।

গ্ৰহণ ভগাৰ পাছতো পূৰ্ণিমাৰ দিনা কৰা আহাৰৰ অনুযায়ী লঘু আহাৰ কৰা বিধান আছে। গ্ৰহণৰ সময়ত হিন্দুৱে তুবাৰ গা ধুব লাগে আৰু এনে উপলক্ষত সাগৰত গা ধোৱাৰ ব্যৱস্থা কৰা ভাল। শক্তিহ্ৰাস হোৱাৰ পাছত গা ধুব লাগে। এনে অৱস্থাত গা ধুলে শৰীৰৰ বলশক্তি অটুট থাকে। গৰ্ভৱতী তিৰোতাক গ্ৰহণ লগা চাবলৈ দিয়া অযুগুত। কাৰণ এই সময়তে গৰ্ভস্থ সন্তানে আকৃতি গ্ৰহণ কৰে। গৰ্ভৱতী তিৰোতাৰ মনত গ্ৰহণৰ প্ৰতিক্ৰিয়া হলে তাৰ প্ৰভাৱত সন্তানৰ আকৃতি বেয়া হোৱাৰ সম্ভাৱনা। এইবোৰেই পৌৰাণিক যুগৰ হিন্দুসকলৰ নীতি-নিয়মৰ অন্তৰ্গত মূল বিধানৰ অংশ।

পৌৰাণিক যুগৰ হিন্দুসকলে ধৰ্ম্মৰ লগত সংশ্ৰৱ ৰাখি স্বাস্থ্যৰ বিধান কৰিছিল, যাতে কোনো মানুহে সেই বোৰ পালন নকৰি থাকিব নোৱাৰে। এনেবোৰ সুন্দৰ নীতি-নিয়মৰ অৰ্থ নুবুজি আধুনিক হিন্দুসকলে সেইবোৰক 'কুসংস্কাৰ' আখ্যা দিছে। গতিকে আমি যে অতি শীঘ্ৰে ধ্বংসৰ বাটত আগবাঢ়ি এটা শক্তিহীন জাতিত পৰিণত হৈছো আৰু মৃত্যু আৰু ৰোগে খোজে খোজে আমাৰ অনুসৰণ কৰি আমাৰ বল আৰু জীৱনীশক্তি হ্ৰাস কৰি আমাৰ সৰ্ব্বনাশ কৰিছে তাত আচৰিত হবলগীয়া একো নাই।

(ক্ৰমশ)

## মাছ

মাছ আমাৰ এটা প্ৰধান খোৱা বস্তু। অৱশ্যে আমিষ-ভোজীৰ পক্ষেহে এই কথা খাটে। এই মাছৰ গুণাগুণ সম্বন্ধে "জৰ্ণেল অব্ আয়ুৰ্ব্বেদ" কাকতৰপৰা টুকি দিয়া হল।

আয়ুৰ্ব্বেদ মতে বেলেগ বেলেগ ঠাইৰ মাছৰ যে কেৱল বেলেগ বেলেগ গুণ হয় এনে নহয়, পানীৰ অৱস্থা বুজি একে বিধ মাছৰ গুণাগুণৰো তাৰতম্য হয়। আয়ুৰ্ব্বেদত ঋতু অনুসৰি বেলেগ বেলেগ ঠাইৰ মাছৰ বিধান আছে।

ভিন্ ভিন্ ঠাইৰ মাছৰ গুণাগুণ :—

(১) নৈৰ মাছ—খাবলৈ ভাল, জীণ নিয়াবলৈ টান, বায়ু নিবাৰণ কৰে, বায়ু, পিত্ত, তেজ আৰু তাপৰ বিকৃতি জন্মায় আৰু মলৰ (faecal refuge) পৰিমাণ বঢ়ায়।

(২) বাম পানীৰ মাছ—সোৱাদ, কিন্তু পিত্তৰ বিকৃতি জন্মায়।

(৩) ডাঙৰ আৰু সৰু পুখুৰীৰ মাছ—তৃপ্তিকৰ আৰু বায়ু-পিত্ত নিবাৰণ কৰে।

(৪) ডাঙৰ বিলৰ মাছ—গুৰুপাক আৰু হজম কৰিবলৈ টান।

(৫) জৰণাৰ ওচৰৰ মাছ—ডাঙৰ বিলৰ মাছৰ দৰে।

(৬) নাদৰ মাছ—কফৰ বিকৃতি জন্মায়।

### ঋতু অনুসৰি খাবলগীয়া মাছ

(১) আগ জাৰকালি ... নাদৰপৰা।
(২) শেহ ,, ... পুখুৰীৰ পৰা।
(৩) বসন্ত কাল ... নৈৰপৰা।
(৪) গ্ৰীষ্ম ,, সৰু আৰু ডাঙৰ পুখুৰীৰপৰা।
(৫) বৰ্ষা ,, ... বিলৰপৰা।
(৬) শৰৎ ,, ...জৰণাৰ কাষৰপৰা।

### বেলেগ বেলেগ মাছৰ গুণাগুণ

(১) ৰৌ মাছ—পানীত থকা সকলো জীয়া মাছতকৈ ভাল; খাবলৈ সোৱাদ, কিন্তু অলপ তিতা লাগে; জীৱনী-শক্তি বঢ়ায়; বায়ু নিবাৰণ কৰে, কিন্তু পিত্ত বৃদ্ধি কৰে।

(২) ৰৰালি মাছ—মাংসভোজী, কফ বঢ়ায়, শক্তি বৃদ্ধি কৰে, টোপনি নিয়ায়, পিত্ত বঢ়ায় আৰু তেজৰ বিকৃতি জন্মায়। কিছুদিন একেৰাহে ব্যৱহাৰ কৰিলে ই কুষ্ঠৰোগ আৰু তাৰ লগৰীয়া আন আন ছালৰ বেমাৰৰ সৃষ্টি কৰে।.

(৩) শিঙি মাছ—বায়ু দমায়, কফৰ বিকৃতি ঘটায়, শীতলকাৰক, তিতা, শৌচ বন্ধ কৰে (astringent), লঘু আৰু ভোক লগায়।

(৪) 'ইলিছ' মাছ—খাবলৈ বৰ সোৱাদ; তেল বেছি থকা কাৰণে ত্ৰিদোষৰ বিকৃতি জন্মায়।

(৫) শল মাছ—শৌচ বন্ধ কৰে, অলপ মিঠা আৰু খাবলৈ ভাল।

(৬) চেঙা মাছ (?)—তন্তু-গঠনকাৰী, শক্তিবৰ্দ্ধক আৰু শুক্ৰবৰ্দ্ধক।

(৭) কাৱৈ মাছ—সোৱাদ, শীতলকাৰক, ক্ষুধাবৰ্দ্ধক বায়ু দমায়, কিন্তু যৎকিঞ্চিৎ পিত্ত বৃদ্ধি কৰে।

(৮) বামী মাছ (?)—বায়ু পিত্ত দমায়, লঘু আৰু ভোক লগায়।

(৯) পুঠি মাছ—ডাঙৰ বিধ অলপ তিতা, কিন্তু সোৱাদো লাগে; শীতলকাৰক, ক্ষুধাবৰ্দ্ধক আৰু পিত্ত-কফ নিবাৰক। সৰুবিধ বৰ তিতা, জলা, নামমাত্ৰ সোৱাদ, লঘু আৰু বায়ু-কফ দমায়।

(১০) গৰৈ মাছ—সোৱাদ, তিতা, শৌচ বন্ধ কৰে, 'ত্ৰিদোষ' দমন কৰে, ভোক লগায়, লঘু, শক্তিবৰ্দ্ধক আৰু গৰ্ভৱতী উপকাৰী।

(১১) মাগুৰ মাছ—লঘু, শক্তিবৰ্দ্ধক, বায়ু দমন কৰে আৰু কিছু পৰিমাণে কফ বঢ়ায়।

(১২) শিঙৰা মাছ—মগজুৰ শক্তি বঢ়ায়, মজ্জা কমায়, ভোক লগায় আৰু বায়ু-পিত্ত বৃদ্ধি কৰে।

(১৩) খলিহনা মাছ—বায়ু-পিত্ত দমায় আৰু কফ বঢ়ায়।

(১৪) মাছৰ কণী—জীৱনী-শক্তি বঢ়ায়, মগজু শীতল কৰে, মজ্জা আৰু শক্তি বঢ়ায় আৰু মূত্ৰনলীৰ তেজ-পূৰ্ণ ওলোৱা অৱস্থাত ভাল।



### শুকান আৰু পোৰা মাছ

(১) শুকান মাছ—সৰহ দিন ৰাখিবৰ কাৰণে ৰ'দত শুকায়। জীণ নিয়াবলৈ টান, কোষ্ঠবদ্ধতা হয় (শৌচ খোলোচা নহয়), আৰু বল শক্তি নবঢ়ায়।

(২) পোৰা মাছ—অঙঠাৰে ৰাকলিথন পোৰাত ভিতৰৰ মঙহাল ভাগ জীণ নিয়াবলৈ উজু হয়। পোৰা মাছ ভাল আৰু বল-শক্তি বঢ়ায়।

### কিছুমান মাছৰ আধুনিক বিশ্লেষণ

| নাম | নাইট্ৰোজেন | তেল (fat) | লোণ |
|---|---|---|---|
| ৰৌ | ১৭.৫ (শতকৰা) | ১৬.৪ | ২.৩৬ |
| মাগুৰ | ১৮.৯ | ৫ | ১.৮০ |
| কাৱৈ | ২৩.৬ | ২.৮৪ | ২.৯১ |
| শিঙি | ২৪.৫৬ | ৪.২৬ | ২.৭৩ |
| বামী | ১৭.৯ | ২৪.৪ | — |
| শিঙৰা | ১৭.২ | ০.৩ | ১.৩ |

সাধাৰণতঃ মাছত, কাৱৈ আৰু শিঙিত বাজে, গোমাংস আৰু ছাগলীৰ মঙহতকৈ কম মাংসসাৰ (proteid) থাকে। মাছ সহজে ৰান্ধিব পাৰি আৰু সহজে (অৱশ্যে সৰহকৈ তেল থকা মাছ যেনে—ৰৌ, ইলিছ, বামী বাদ দি) জীণ যায়।

### গৰুৰ গাখীৰৰ তাৰতম্য

ছালৰ বৰণ অনুসৰি যে গৰুৰ গাখীৰৰ তাৰতম্য হয়, বোধ কৰোঁ এই কথা বহুত মানুহে নাজানে। আয়ুৰ্ব্বেদ-শাস্ত্ৰত এই বিষয়ৰ উল্লেখ দেখা যায়। এই সম্বন্ধে "জাৰ্ণেল অব আয়ুৰ্ব্বেদ" নামেৰে কাকতৰপৰা তলত লিখা কথাখিনি টুকি দিলোঁ।

১। কলী গাইৰ গাখীৰ—অতি স্বাস্থ্যকৰ আৰু বায়ুসংক্ৰান্ত বেমাৰত ভাল।

২। হালধীয়া গাইৰ গাখীৰ—বায়ুপিত্ত সংক্ৰান্ত ৰোগত ভাল।

৩। ৰঙা গাইৰ গাখীৰ—জীণ নিয়াবলৈ টান (গুৰুপাক) আৰু কফৰ বিকৃতি জন্মায়।

৪। বাঙলী বা পাথৰী গাইৰ গাখীৰ—বায়ুৰ কাৰণে ভাল।

৫। সৰু পাহাৰী গাইৰ গাখীৰ—বৰ তেলেতীয়া আৰু গুৰুপাক।

৬। অন্নাহাৰিণী (কমকৈ ঘাঁহ আদি খোৱা) গাইৰ গাখীৰ—মধুৰ, কফ বৃদ্ধি কৰে; বৰ ভাল শক্তিকাৰক।

৭। পোৱালি থকা গাইৰ গাখীৰ—ভাল।

৮। পোৱালি নথকা গাইৰ গাখীৰ—ভাল নহয়।

৯। বহুত দিন আগেয়ে পোৱালি দিয়া গাইৰ গাখীৰ—ভাল শক্তিকাৰক আৰু ত্ৰিদোষনাশক।

### দৈ-গাখীৰৰ গুণাগুণ

দৈ-গাখীৰৰ গুণাগুণ সম্পৰ্কে "জাৰ্ণেল অব্ আয়ুৰ্ব্বেদ"ত এইদৰে লিখিছে :—

১। ভালকৈ নবন্ধা দৈ—জ্বলাপ, মূত্ৰনিঃসাৰক; অৱসাদ আনে, নাইবা, আন পক্ষে ক্ষৰণ (secretious) বন্ধ কৰে।

২। ভালকৈ বন্ধা দৈ—অৰ্শ (কেঁচুমুৰীয়া) আৰু পিত্তৰোগৰ কাৰণে ভাল।

৩। বৰ টেঙা দৈ—অম্লপিত্তৰ উৎপত্তি কৰে।

৪। মাখন কটা গাখীৰৰ দৈ—অৱসাদ আনে। গ্ৰহণী, ভেদৰোগ আৰু কোষ্ঠবদ্ধতাৰ কাৰণে ভাল।

৫। তপত গাখীৰেৰে কৰা দৈ—সকলো প্ৰকাৰে ভাল।

৬। মিঠা গাখীৰেৰে (চেনি মিহলোৱা) কৰা দৈ—পিয়াহ লগা, পিত্তৰ বিকাৰ, ছালৰ পোৰণি আৰু তেজৰ বিকৃতিৰ পক্ষে ভাল।

৭। গুৰেৰে মিঠা কৰা দৈ—গুৰুপাক।

৮। ছেকি খোৱা দৈ—যকৃৎসংক্ৰান্ত বেমাৰত জ্বলাপৰ কাম (cholagogue) কৰে।

৯। দৈৰ ডাঠ অংশ—অষ্ঠীলা বাহিৰ কৰাত সহায় কৰে।

১০। হ্বাগলী গাখীৰৰ দৈ—প্ৰদাহ (congestion), প্ৰলাপ (delirium) আৰু মগজুত হেঁচা পৰি শিৰ ফাটি তেজ ওলোৱা অৱস্থাত (concussion & compression of brain) বাহিৰে লগালে ভাল।

১১। তেল (fat) উলিওৱা দৈ—পেট চলা বেমাৰত ভাল।

শ্ৰীমহানন্দ বৰুৱা

---

# মাছ-সিঁচা

(১)

আলি কাষৰত বগৰি এজোপা ৰৰকৈ ফুলিছে; তাৰে ওচৰত বহি,
সৰুকণ বোলা হালোৱাৰ লৰাটো থিয় হৈ আছে এচিলিম ধপাত লই।
সৰা বগৰিৰ ফুলেৰেই ভৰি আছে ঠাইখন—কেনেনো দেখি!
কেনেনো গোন্ধায় বগৰিৰ ফুল—ভোমোৰাও তাত নপৰে নে কি?
বতাহ বইছে, বতাহত উৰে কঁহুৱা ফুলৰ তুলা যেন আঁহবোৰ,
মকৰাৰ দৰে উৰি উৰি আহে—মকৰাই নে কি সেইবোৰ?
সউপিনে চোৱাঁ তিনটা বগলী লাহে লাহে যায় কিবাটো দেখি,
মাছৰ লোভত সিহঁতৰ আৰু তত নাই গাত—নেমেলেই পাখি।
দ মাটিবোৰবো বোৱা শেষ হ'ল—তাত হে মাছৰ বৰ ধেমালি,
উভৈনদী তাত দেহি ঐ মাছ—তোৰা, পুঠী, গৰৈ, শল, চেঙেলী!
সিদিনা এটা পানী-কাউৰী তাত—মাছ খাই খাই থাকোঁতে সি,
ক'ৰপৰা জানো ধনী লৰি আহি কাঁড়পাট মাৰি পেলালে সি।
পেটটোৱো তাৰ ফালিছিল সি—কিনো কম তাৰ গোন্ধৰ কথা!
পুঠী, খলিহনা, গৰৈ-চিৰিকা—খণ্ডাটোপো তাতে আছিল এটা।
বণ্ডালী এটা পৈছিল সেইপিনে কোৰখন লই কাণত তাৰ,
ধনীক খুজি লই গল সেই গেলা মাছবোৰ—লোভটো তাৰ!
—এনেতে দূৰৰপৰা মাকে খিঙিয়ালে "হেৰ কণ কৰিছ কি?
ধপাত বাপেৰক নিদি মনে মনে তই নিজেই হুঁপিছ নে কি?
খকৰা-মুকুটি পাবি এতিয়াই—অতপৰ কিয় আছিলি বহি,
বাৰীচোৱাৰ পুখুৰীৰ পাৰত বহি নেথাকিলি কিয়নো অ'ই।"

(২)

কচুথোৰ বুটলি কুঁজা হৈ ফুৰিছে কুঁজী-বুঢ়ী সউ পাণ্ডতী বায়ে,
দূৰৈৰ পুতেকক খিঙিয়াই মাতিছে কুঁজ থিয় কৰি ভাবে পৰায়ে।



"হেৰৌ গোপাই, শুচি আহ, শুচি আহ, শুদাই ভাত হেৰ পেটলৈ যাব,
পকি পৰিছেহি ওপৰৰ ৰ'দ, আৰু তই পল নেলাগে বাৱ।"
আকাশ ঢাকিছেহি চপৰা-চপৰে বগা মেঘ আহি কত'ৰা' পৰা,
আহিনৰ পচোৱাত উৰি উৰি ফুৰি শৰত কালৰ কয় বতৰা।
বাৰু হইছে হওঁতে বতৰ, লহপহকৈ বাঢ়িছে বোৱা,
ধৰিবই গৈৰ কাতিৰ ছিত—তুলসী তলত চাকি লগোৱা।
আকাশ-বাতি লগাবৰ দিনা কাকতী-ফৰিং বহচে বোৰ,
মৰি জাহ গই ভসম্ উঠিব—শইছৰ খাই বিৰিনিবোৰ।
ভাৰে বিষে আহি ধৰিবহি পিছে,—জাৰ যহ তহ বিষত মৰোঁ,
দিনো হুমন জুগলৰ থৰি গোটাবৰ দিহা ক'ত নো কৰোঁ!
ফটা কঁথা আৰু নিহালীৰ দশা! এন্দুৰ-নিগনিয়ে খৈছে নে চাগে!
এইবাৰো লাগিব বাৰে জোৰা দিব, মাটিৰ দেহাটো ক'হনো ভাগে!
ডালদিয়েক ঢেঁকীয়া তুলি লই যাওঁ কচুপোৰে সতে লাগিব ভাল,—
বাপুকণৰ বাৰীৰ ঐ টেঙাটোৰো থাকিবই পায় চাগে একাল।
লৰাটোৱে আকৌ ভাল পায় হেনো কোমোৰা মিহলি পচলাৰ খাৰখন,
জেংখৰি বিচাৰি কেনেকৈ নো বাৰু বান্ধো মই তালৈ দহখন?
সৰুকণৰ মাক জাতে-পাতে মিছা, তাঁত খন হে আৰু বৰ তাই জানে,—
লৰা নিচুকুৱা বুধিটোৱো জানে ঢেকীতো এনোণ হে ধান বানে।

( ৩ )

পুৰা ব'দালিত নিয়ৰত তিতি জলমল কৰে কোমল পাত,
সৰু বঙিয়াটোৰেদি যাওঁতে সদায় তিতি-বুৰি যায় ভৰি-হাত।
বঙিয়াৰেপৰা হুখোজমান গলে পদূলিৰে সতে এঘৰ পায়,
সাত হাল গৰু, তিনটা ভৰাল, পাচোঁটা সিহঁত ভাই-ককাই।
তামোল-পাণেৰে বাৰীখন ভৰা—সেয়েই জুৰিছে ছপুৰা মাটি,
আম কঠালেৰে? কবই নেলাগে, ঘৰে-ঘৰোৱাই থইছে ছাতি।
নিলগতো আছে তিনিখন পাম—মাহ-সৰিয়হ যত বেঙায়,
বতৰত গই কেউটাই মিলি বছৰৰ মাহ আনে চপায়।
দ বোৱাতলী আঢ়ৈকুৰি পুৰা—দহ পুৰাকৈ ভাগত পৰে,
বুঢ়া বাপেকৰ দিনতে অৱশ্য—বুঢ়া সিবছৰ হঠাতে মৰে।
বুঢ়া মৰিলত চাৰিওটা পুতেকে বিয়াই আনিলে ঘৰ-গোৱাৰী,
সিহঁতে শাহুৱেকক নেৰানে অলপো পুতেকহঁতৰ পাই সঁচাৰি।
ভাদত ওপজা সৰুটো পুতেক, ভদৰাম নাও—সৰাতে সৰু,
চুৰদশা তাৰ, ককাহঁতেকেইতে বেলেগাই দিলে ভাতৰ চৰু।

মাটিও বাখিলে সিহঁতৰ নামহে—পাঁচ পুৰা মাথো খাৰৈল দিলে,
মাকেৰে সতে বেলেগাই তাক দুৰ নিলগত থিতাপি দিলে।
চকুলো টুকি ককায়েকহঁতক কান্দি-কাটি কলে ভবিত পৰি,—
"কিয়নো আমাক তিয়াগিলি অই, কিটো নো আমি কৰিলোঁ অঁৰ।"
উত্তৰ সি পালে,—"ধেঁদৰ পচলা, নোৱাৰ তহঁতে থাব জগত,
বেলেগাই দিলোঁ তহঁত ডুয়োকে, নিজে কৰি-মেলি হ'বি শকত।"

(৪)

পাভতী বাই পুতেকৰে সতে আহিল আঁতৰি,—হৰিৰ বন!
সকলো হ'ৰিব এদিন চৰিয়ে গাজতে ইহঁতৰ কিহৰ চঙ!
এহাঁলিচামান কপিত মাটিকে কলে ভদৰায়ে চাপ মেৰাই,
কলে কলপুলি পুতিলে জেওৰা বাৰীখন সি কলে বেৰাই।
পাতিলে ডুখেৰে বাৰীখন তাৰ, লাহে লাহে সি হল পুৰঠ
সৰু ভৰাল এটা ভৰিল ধানেৰে, গৰুও এহাল, এখন গো-ৰথ।
গো-ৰথ বুলিলে স্তবুজা যদি হে গাৰী বুলি বাক কম নে মই?
জুকলা গৰুৰে গাৰীখন তাৰ হেলেকপেলেক—নথকা হৈ।
সুখে ডুখে তাৰ তৃপ্তি ইমানে—তৃপিতিৰে সতে সৰগ ভূমি,
দুকু ফিন্দাই কয়, তৃপিতিৰে সতে এয়েই মোৰ সুখৰ জনম ভূমি।
সংসাৰত আছে সকলোৰে সুখ, আছে পৰিজন, বান্ধৱ, ধন;
ভুৰকপলীয়া মোৰ একো নাই;—নেলাগে নমবো কৰি মুৰচন।
বিধিয়েই দিব দিলে মোক সুখ, হৰিৰ বিধিয়ে দেখিলে বেয়া,
তাৰ বাবে মই থাকিম নে সদায় কান্দি-কাটি আক ধাকুৰি তিয়া?
ফাগুনৰো গল বাৰ-তেৰ দিন, ভাল তিথি বাৰ লগন চাই,
পথালিপামৰ তোলনৰ জীয়েকক আনিলে এদিন বিয়া কৰাই।
ভাল ছোৱালীটি,—নামটো এখুন, বকুলী বুলিয়ে সবাৰে জানে,
মানে সংকাৰে সেৱে গিৰীয়েকক শাহুৱেকক আই বুলিয়ে মানে।
বছৰৰ পাচত বছৰ পাৰ হল, এইদৰে তাৰ সুখ গুচিল;
বকুলীৰো এদিন লৰা এটি হল—সৰগৰ সুখ তাৰ নামিল।

(৫)

সৰুকণ সেই লৰাটোৰ নাম এদিন বাপেকক কলেহি সি,
"বাৰীচোৰাৰ পুখুৰী সিঁচিবলৈ বুলি হৰপিলাইহঁত গৈছেহি,
পদূলিত পাই কই গল মোক তুমিও হেনো ভাটিলে যাবই লাগে,
কোৰ পোক লই বজালী কেইটামানো গৈছে সিহঁতৰ আগে আগে।
লাংনিও নিছে কেবাখনো সিহঁতে—বিহে এডাল পছাও নিছে,
মোৰ হলে বোপাই বৰ ভয় লাগে—যাবা জানো বোপাই তুমিও পিছে?"



ভাবিলে ভদায়ে, ককাইহঁতৰ সতে মাত বোল মোৰ আজিও নাই,
যদিও পুৰণি হৈছেহি দিন, তথাপিও কপট বোৱাগৈ নাই।
"যাওঁ বাক মই মাতিছে যেতিয়া—হেজাৰ হলেও ককাই সিহঁত,
আতাৰি হলেও মোৰ সৈতে যে,—সকলো তেঁৱো বাপেৰ সিহঁত।"
পানী গামোচাখন মাৰিলে মুৰত, তিৱনী পিন্ধিলে আঠুমুৰীয়া,
ভামোলৰ হাঁচটি ওলোমাই ললে,—টোকোনডালো ললে পচ'শিভীয়া।
জাপি এটা ললে মুৰত সুমাই—ভগা জাপি সি নিজেই সজা,
খালৈ এটা ললে ককালত বান্ধি,—মচুৱা বাই সি মাছৰ ৰজা।
পল এটা লই বেগাবেগি কই, পুখুৰীৰ পাৰত দেখিলে যি,
পৰে মুৰৰ চুলি পালেগৈ তাৰ—মুনিহালি তাৰ উটিল জী।
লকাখুন্দা লাগি মইমনসিং এটাই তাৰ ককায়েকক মাৰিলে চৰ,
—চকু পচাৰতে ভদাইৰ মাৰতো চৰ-মৰা হাত ভাগিল তাৰ।
দৰৱাদৰি লাগিল জাকৰে;—গোনামহ বেন ভদাই বীৰে,
দিলে এশিকনি মৈমনসিঙীয়াক পচশিভীয়া সেই লাঠীডালেৰে।

• • •

বিয়লি বেলিকা চাৰিও কলেগৈ ভদৰামৰ ভিভিত সাৱটি ধৰি,
"দোষ অপৰাধ ক্ষমিবি ভদাই ঐ, যি কৰিছিলো পেলা পাতৰি।"

'কচ'

---

# মানৱ দিন

## মানৱ চিনাকী

মানদেশ আমাৰ দেশৰ দক্ষিণ ফালে; পাটকাই পৰ্ব্বতৰ সিফালে আছে। আজিকালি মানদেশক বৰ্ম্মা বা ব্ৰহ্মদেশ বোলে। পাটকাই পৰ্ব্বতেই আসাম আৰু ব্ৰহ্মদেশৰ সীমা হৈ আছে। পাটকাই পৰ্ব্বতটো ঠায়ে ঠায়ে চাৰি হেজাৰ হাতহতকৈও ওখ। পাটকাই পৰ্ব্বতৰ এঠাইত এছোৱা চাপৰ হৈ আছে। সেই চিপ্ৰা ডোখৰেই এইখন দেশৰপৰা সেইখন দেশলৈ অহা-যোৱা কৰা বাট। সেই বাট সমপৃষ্ঠতকৈ ডুহেজাৰমান হাত ওখ। সেয়ে জানিবা খিয় নহয় হেলনীয়া। সেই বাটটো দিহিং নৈৰ আগত মাৰ্ঘেৰিতাৰ ফালে দ। সেই বাটে আমাৰ দেশৰপৰা মান দেশলৈ যাবলৈ আঠ-ন দিন লাগে। এইটো পৰ্ব্বতীয়া ডুৰ্গম বাট। সৰ্ব্বসাধাৰণ মানুহ এইটো বাটেদি অহা যোৱা কৰিব নোৱাৰে। আজিকালি মানদেশৰ খাই নগৰ ৰেঙ্গুন। তালৈ চট্টগ্ৰাম বন্দৰ, কলিকতা নগৰ আদিৰ পৰা জাহাজেৰে অহা-যোৱা কৰে। মানদেশখন পৰ্ব্বতেৰেই ভৰপূৰ, কাঠনিৰে পৰিপূৰ্ণ। মানদেশত বগা হাতী আছে। তাৰ গোৰাখিলাকো উত্তম। সেইখন ধনসোণৰ দেশকে বুলিব পাৰি। কেবাছিন তেলৰ অনেক পুং আছে। কোনো কোনো ঠাইত পৰ্ব্বতৰ জুৰিৰ পানীৰ বুঁৰুলিত অসংখ্য পান্না বাখৰ আদি পোৱা যায়। অনেক পৰ্ব্ব-

তত বগা মাৰ্ব্বল পাথৰ আছে। আমাৰ দেশৰদৰে তাতো যথেষ্ট বৰষুণ হয় বাবে ধান খেতি বেছিকৈ হয়। বহুত চাউল অনেক ঠাইলৈ বছৰি চালান হয়। ৰেঙ্গুন নগৰেদি অহাৰ কাৰণে সেই দেশৰ চাউলবোৰক ৰেঙ্গুন চাউল বোলে। আমাৰ দেশৰ দৰে তাৰ হাবিতো অনেক উত্তম কাঠ আছে।

এতিয়া মানদেশ ইংৰাজৰ তলত আছে। আমাৰ দেশেৰে একে বছৰতে ১৮২৬ সনত এছোৱা আৰু নিচেই শেহত ১৮৮৬ সনত গোটেইখন দেশেই ইংৰাজৰ অধীন হয়। আজিকালি আসামত ১৩ খন আৰু ব্ৰহ্মদেশত ৩৮ খন জিলা হৈছে। মানদেশত মানুহ আমাৰ দেশতকৈ অনেক গুণে সৰহ। দেশখন বেছি আহল-বহল বাবে মানুহ আমাৰ দেশতকৈ সেৰেঙা।

আমাৰ দেশত, মোৱামৰীয়া, কলিতা, চুতীয়া আদি নানা সম্প্ৰদায় থকাৰ দৰে মানহঁতৰো ভিনভিন ফৈদ আছে। সিবিলাকৰ ছুফৈদ মাথোন আমাৰ লগত পৰিচিত। এটা পৰিয়ালৰ নাম শ্যান; চুকাফাকে আদি কৰি ইয়াৰ আহোম সম্প্ৰদায়টো সেই পৰিয়ালৰে লগাভগা। আনটো ফৈদ হৈছে অসমীয়াক মাৰি-কাটি ধ্বস্তাং কৰা ছুৰ্দ্দান্ত মানহঁত। মানহঁতৰ থকা ঘৰবিলাক কাঠৰ টুপ লগা চাংঘৰ। সিহঁত বৌদ্ধ ধৰমী। তথাপিও বোলে সিহঁতে কানি, লাওপানী, গৰু, ঘোৰা, সাপ, বেং, শুকান মাছ ভক্ষণ কৰে। তেল আৰু ঘিউ সিহঁতে খাব নেপায়। মাছ গেলাই তাৰ লগত কিংবাৰ ৰস মিহলাই এবিধ আচাৰ কৰে, সিহঁতে তাক "নাপ্পি" বোলে। ই ভেকেতাভেকেত গোন্ধায়ো বোলে; তথাপি সিহঁতৰ সিহে আদৰৰ বস্তু।

আমাৰ গাৱেঁ গাৱেঁ নামঘৰ থকাদি সিহঁতৰ যি ঘৰ আছে তাক কিয়াং বোলে। সেইবিলাক আমাৰ দেশৰ দ'লৰদৰে ওপৰলৈ জোঙা দেখিবলৈ ধুনীয়া। সেইবোৰ কাঠৰ আৰু নানা কাৰু কাৰ্য্যেৰে ৰমক-জমক। কলচীবিলাকত সোণ চৰোৱা। আগ্ৰাৰ তাজমহলৰ দৰে মান দেশৰ পেগডা অতি শুৱনি বস্তু। কিয়াং ঘৰত বুদ্ধৰ মূৰ্ত্তি থাকে। প্ৰত্যেক কিয়াঙত মূৰ খুৰুৱা হালধীয়া কাপোৰ পিন্ধা একোজন পুৰোহিত থাকে। মানহঁতে তেওঁক ফুঙি বোলে। ফুঙিবিলাক বিয়া নকৰাই উদাসীন হৈ থাকে। তেওঁ লোকে নাললগা ভাপি ব্যৱহাৰ কৰে। নিজে পৰিশ্ৰম কৰি আৰ্জ্জি নেপায়। তেওঁলোক মৰিলে যেতিয়াই তেতিয়াই সংকাৰ নকৰে। তেওঁলোকৰ বাবে নিৰ্দ্দিষ্ট দিন আছে। সেই বাৰ পাৰলেহে কাম কৰে। মানৰ মাইকী তেওঁগোৰা, দেখিবলৈ ধুনীয়া। কেৱল নাকবিলাক হে চেপেটা চানেকীয়া। গাভৰুহঁতে স্বাধীনভাৱে যতে ততে ফুৰিব পাৰে। আৰু যাকে ইচ্ছা তাকে বৰিবও পাৰে। চহকী বিলাকৰ তিৰোতাই, হালধীয়া ৰঙৰ ৰেছমী কাপোৰৰ কুৰ্ট্টা পিন্ধি জাকজমক হৈ ফুৰে। মানহঁতৰ দেশৰ দস্তুৰ মতে কেইবাটাও ককাই-ভাই থাকিলে সকটোৱে হে সম্পত্তিৰ ভাগ পায়, মানহঁতৰ চহকীবিলাকে ঘৰ জোৱাই চপাই লয়। সিহঁতক জোৱাই-গুৰুলি গোলাম বুলিলেও হানি নাই। চপনীয়াবিলাকে ঠাইসৰা, পানীঅনা, ধান বনা সকলো বন কৰিব লাগে। ঘৈণীয়েকে খমখমকৈ বহি খাব মাথোন। চপনীয়াহঁতে সন্তানবো অধিকাৰী হবলৈ নেপায়। দেশৰ নিয়ম পালন কৰি বিয়া কৰাই নিয়া তিৰোতায়ো যদি শাহুৱেকেৰে মিলিব নোৱাৰে, লৰাছোৱালী থাকিলেও সিহঁতক গিৰীয়েকে এৰি দিয়ে। তাইহঁত অবাধে আনলৈ যাব পাৰে। সেই দেশৰ তিৰোতাবিলাকে বঢ়িয়াকৈ বোৱা-কটা জানে। মানহঁতে একনীতকৈ বেছি তিৰোতা নেপাখে। কিন্তু বেটী বুলি অনেকক ৰাখে। মানবিলাক এলেহুৱা হলেও সাহসী।

মানহঁতে মূৰত চুলি ৰাখে। পোপাবিলাক ওপৰলৈ থিয়কৈ বান্ধে। মতাবিলাকেও তপোন নেমাৰে, লুঙি এখন মেৰাই পিন্ধে। গাত বুকু ছোলা পিন্ধে। মাইকী বিলাকে ৰিহা-মেখেলা পিন্ধে। পোপাৰ ওপৰত পাগুৰিৰদৰে কাপোৰ এখন মেৰাই পিন্ধে। সিহঁতৰ দেশত গৰু-ছাগলী আদি পশু চুৰ কৰা ভয়ানক পাপ। আৰু তেনে অপৰাধৰ শাস্তিও কম নহয়, প্ৰাণ-দণ্ড পৰ্য্যন্ত; আন ফালে আকৌ নৰহত্যা কৰা দোষীও জৰিমনা ভৰি এৰাব পাৰিছিল বোলে। মানহঁত অলেহলৈ গলে এডাল বাঁহৰ দীঘল চোঙ্গা আৰু এখন দীঘল ফাকলগা দা লগত লৈ যায়। আমাৰ চহৰ বিহুৰ সময়ত সিহঁতৰ



তাতো সাত আঠ দিনীয়াকৈ বৰ ধুমধামেৰে উৎসৱ বছৰি হয়। ৰাজী মাৰি মহ, কুকুৰা যুঁজোৱাবো সিহঁতৰ নিয়ম আছে। সেই ৰং-ধেমালি চাবলৈ অনেক মানুহ চাপে।

মানহঁতৰ দেশৰ আৰু এটা কথা শুনিবলৈ পোৱা যায়। দূৰৰ কোনো গাৱঁত জহনী গ্ৰহণী-আদি হৈ অনেক মানুহ মৰা গম পালে তেনে বেমাৰ নোহোৱা আন গাৱঁৰ মানুহে মুনিচুনি বেলিকা গাৱঁৰ মুখিয়াল মানুহ এজনৰ সঙ্কেত অনুযায়ী গাৱঁৰ আটাইবোৰ মানুহে ঢোল-দগৰ কোবাই বাটি কাঁহী বজাই নানা ৰকম আৱাজ কৰি চিঞৰ-বাখৰ কৰি খলক লগাই দিয়ে। তেনে কৰিলে সেই বেমাৰ গাৱঁলৈ নাহে বুলি সিহঁতৰ বিশ্বাস।

মানবিলাকে মৰিবলৈ ভয় নকৰে। সিহঁতে ভাবে মৰিলেই আমি মুক্তি পাম। সগৰ্ভা তিৰোতা থকা মতা বিলাকে মৰাশ নোছোৱে, মাটি নাখানে, গাঁত নোপোতে, গাহৰি নচৰায় আৰু কাকো বিদ্ৰূপ নকৰে।

## ছিংফৌ

ছিংফৌহঁত আমাৰ দেশৰ দক্ষিণ-পূব চুকে থকা মানুহ। ছিংফৌহঁতৰ গাওঁ মোৱামৰীয়া দেশৰ উত্তৰ সীমাৰপৰা ন-দিহিং আৰু টেঙাপানী নৈৰ সিপাৰলৈকে আছে। সিহঁতৰ গুৰি-গোষ্ঠী মান দেশেই। পাটকাই পৰ্ব্বত পাৰ হৈ আহি তাৰ নামনিত আমাৰ দেশৰফালে বাস কৰা কুৰিপুৰুষ মান হৈছে বুলি সিহঁতে কয়। সিছা, নিংৰু, আৰু ছৰাঁয়া নগাহঁতৰ ওপৰত ছিংফৌহঁত বজা।

ছিংফৌবোৰ ওখ-পাখ বলিষ্ঠ পুৰুষ। আজিকালি গোপাত কানীয়া হোৱাত আগৰ চেহেৰা বেকৰাইছে। সিহঁত বৰ দুৰ্দ্দান্ত। ছিংফৌহঁতে ডাঙৰ চোকা দা, তৰোৱাল, যাঠি নিখেই কৰি লয়। মাইকীবিলাকে সূতা কৰিব আৰু কাপোৰ বব জানে। মতাবিলাকে কঁকালৰ পৰা তললৈ ২ হাতমান বহল ৬ হাতমান দীঘল এখন আঁকৰীক কাপোৰ মেৰিয়াই পিন্ধে। গাত চলো ছোলা পিন্ধে। মাইকীবিলাকে ৰিহা-মেখেলা পিন্ধে। ছিংফৌহঁতৰ ঘৰ-দুৱাৰবিলাক আহল-বহল। ঘৰ ডুটুপীয়া ভেটি ওখ। ঘৰৰ দীঘে দীঘে বাট ৰাখি দুয়োফালে কোঠা কৰে। টুপত মাইকীবিলাকে বোৱা-কটা কৰে, নহেমেলে আৰু আন বন-বাৰি কৰে। ছিংফৌবিলাকে মদ, ভাং, মহ, গাহৰি উচৰ্গি দেও পূজে। এতিয়া খামতি জাতিৰপৰা বৌদ্ধ ধৰ্ম্ম লৈছে।

ছিংফৌহঁত আজিকালি ইংৰাজৰ লগত মিলেৰে আছে। আটাইবিলাকে কৰ-কাটল দিব নালাগে। দৰ্কাৰ পৰিলে সিহঁতৰ থাই গামে ছৰ্কাৰক ৮০ জন মানুহ যোগাব লাগে। আৰু পাটকাইৰ বাটত যুঁজ বাগৰ হোৱাৰ আগন্তুক দেখিলে তাহানিকে ছৰ্কাৰক জনাব লাগে।

## মানৰ আগমন

সেই সময়ত মানদেশত বদৌফা বজা আছিল। ৰজাই বদনচন্দ্ৰৰ সকলো কথা মন দি শুনিলে। আৰু তেওঁনো কিমান সাহিয়াল আৰু কাজুৱা তাৰ অনেক প্ৰমাণ ললে। এদিন দুফালে দুশাৰীকৈ বহুত কল পুলি ৰোৱাই, সেই কল পুলি দুশাৰী ৰজাই বৰফুকনক কাটিবলৈ কলে। বৰফুকনে ৰজাৰ তেজী ঘোৰা এটাত উঠি তৰোৱালেৰে তৎক্ষণাত কল পুলিবিলাক এনে ভাবে কাটিলে যে ছিগিছিল যদিও থিয় হৈয়ে আছিল। বৰফুকনে কাটি আহিলো বোলাত ৰজাই মানুহ পঠাই কলপুলি বোৰ দোচোৱা কৰাৰ প্ৰমাণ ললে। আৰু বদনচন্দ্ৰৰ তৰোৱাল চলোৱাৰ পৰাক্ৰম বঢ়িয়াকৈ বুজিলে। ওচৰত থকা কাঁউতৰা দেশখনৰপৰা মাজে সময়ে দিগ পায়; সেইবাবে মান ৰজাই সেই দেশখন লৈ দিব পাৰানে বুলি বৰফুকনক সুধিলে, বৰফুকনে তাৰ উত্তৰত ইয়াকে কলে মহাৰাজে যদি সৈন্য-সামন্ত, অস্ত্ৰ-শস্ত্ৰ বছদ-পাতিৰ যোগ ধৰি দিব পাৰে, তেন্তে এবাৰ চেষ্টা কৰি চাব পাৰোঁ। মান ৰজাই ভাই ৰজাৰ বিপত্তি আৰু দেশৰ অৱস্থাৰ কথা বুজিছিল। বদন চন্দ্ৰৰ সাহ আৰু পৰাক্ৰম দেখি শুনি পৰম সন্তোষিত হৈছিল। এই বাবেই ৰজাই বুঢ়াগোহাইৰ হাতৰপৰা দেশ উদ্ধাৰ কৰি তেওঁক পূৰ্ব্বৰ বিষয় দিয়াৰ বুলি আশা দিলে। ৰজাৰ আদেশমতে এজন সেনাপতিৰে সৈতে ছহেজাৰ মান-সেনা বৰফুকনৰ লগত ওলাল। বাটত আহোঁতে আৰু আঠহেজাৰমান সেনাই যোগ দিলে।

১৮১৫ সনৰ ফাগুন মাহত মাকুংকুং আৰু মণিপুৰেদি আহি মানেৰে সৈতে বৰফুকন নামৰূপত ওলালহি, সেইতে বদনচন্দ্ৰ বৰফুকনক মান-অনা বৰফুকন বোলে। বদনচন্দ্ৰই এই সৈন্যবোৰ লৈ পাটকাই পাইছেই তাৰ সংবাদ আহি বুঢ়াগোহাঁইৰ কাণত পৰিল। তেতিয়া তেওঁ সৰ্ব্বনাশ হল বুলি সিহঁতক বাধা দিবলৈ লৰালৰিকৈ কেইবা দলো সেনা পঠিয়ালে। কিন্তু আটাইবিলাক যুদ্ধত হাৰিল। মানহঁতে বল কৰি কৰি ক্ৰমে ৰংপুৰৰ ফালে আহিবলৈ ধৰিলে। জাকে জাকে অসমীয়া সেনা খেদি গল। কিন্তু একো গুণ ধৰাব নোৱাৰিলে। এইবোৰ দেখি শুনি বুঢ়াগোহাঁইৰ মনৰ বেজাৰত মৃত্যু হয়। এই মৰণৰ কথা আন প্ৰকাৰেও শুনা যায়।

বাপেক মৰাৰ পিছত ৰুচিনাথ মন্ত্ৰী হল। পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ বুদ্ধিত বাইজ ৰজা সকলোৰে বিশ্বাস আছিল। তেওঁৰ মৃত্যু হোৱাত সকলো হতাশ হল। সকলোৰে মন ভাগিল। প্ৰজা দিহাদিহি ভাগিবলৈ ধৰিলে। উপায় নেদেখি মন্ত্ৰীয়ে ৰজাকো পলাবলৈ পৰামৰ্শ দিলে। ৰজা নোযোৱাত, বৰফুকনে আমাৰ ঘৰলৈ হে মান আনিছে বুলি মন্ত্ৰী নিজেই সপৰিয়ালে গুৱাহাটীলৈ ভটিয়াই গল।

বদনচন্দ্ৰই মান-সেনাৰে সৈতে নগৰতে ৰজাক দেখা কৰিলেহি। ৰজাই বৰফুকনক ৰেচৰাৰ মুখতে ঘৰ কৰাই থাকিবলৈ দিলে। বৰফুকনে বুঢ়াগোহাঁইৰ বংশৰ কাকো নাপালে। ঘৰ-বাৰী লুটি যি সম্পত্তি পালে তাকে মান-সেনাক দি তুষ্ট কৰি, ঢুংখুঙীয়া ফৈদৰ বগা কোঁৱৰৰ জীয়েক হেমো আইদেউক ৰজাৰ জীয়ৰী বুলি মান ৰজালৈ দি পঠালে। হেমো আইদেউ তেতিয়া কোমল বয়সীয়া। কিন্তু দেখাত ধুনীয়া আৰু ৰূপৱতী আছিল। তেওঁৰ কনো খোপাতো মেলিলে চুলিয়ে চৰিব গোৰোৱা পাইছিলগৈ। তেওঁ নিজৰ প্ৰিয় জন্মভূমি, মৰমৰ মাক বাপেক, চেনেহৰ ভাই ককাই, মিতিৰ-কুটুম আদিক এৰি চিৰকালৰ কাৰণে চকুৰে নেদেখা মান দেশলৈ যাব লগা হোৱাত হিনাই-বিনাই কান্দিছিল। তাৰ নগঠাৰৰ কাৰণে-কাকূতিত গছৰ পাত সৰাইছিল। অৱশেষত ৰজাই হেমো আইদেউৰ মাকক, টঙ্কেশ্বৰ আৰু মলো নামেৰে দুজন ককায়েকক, আন অনেক আপোন মিতিৰ-কুটুম আৰু সনবীয়া তোৱালীক লগত দি আইদেওক মান দেশলৈ পঠালে। এইবিলাকৰ উপৰিও অনেক বন্দী-বেটী যায়। আগলৈ মান দেশৰ ৰাণী হব বুলি আইদেউৰ সন্মানৰ নিমিত্তে ৫০০ পাঁচশ অসমীয়া বণুৱাক সপৰিয়ালেৰে তেওঁৰ লগত পঠাইছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বাৰী তিৰোতাকে নি বৰফুকনে ৰাজমন্ত্ৰী হৈ সুখেৰে খাই বৈ থাকিল। সেই সময়ত বুঢ়াগোহাঁইৰ ফলীয়া বুলি অনাকান্ত হেৰা অনেক মানুহে অনাহকত কষ্ট ভুগিব লগা হৈছিল। গুৱাহাটীৰপৰা পলাই যাওঁতে খেদি গৈ ধৰি আনিব খোজা মহেশ্বৰ পৰ্ব্বতীয়া ফুকনৰ বদনচন্দ্ৰই চকু ছটা খোকালে।

## বদনচন্দ্ৰৰ মৃত্যু

অনেক কথাৰ বাবে বদনচন্দ্ৰক ৰজতে লাহে লাহে দেখিব নোৱৰা হল। ৰাজমাওৰেও যে সমূলি ভাল নেপাইছিল। ডাঙৰীয়াসকলে ভিতৰি চক্ৰান্ত কৰি বদনচন্দ্ৰক ৰূপচিং নামেৰে ভোজপুৰীয়া ছিপাহী এটাৰ হতুৱাই শৌচ কৰি গাধোৱা সমাধা কৰোঁতেই তৰোৱালেৰে দোছোৱা কৰালে। আৰু তেওঁৰ ঘৰৰ বস্তুবিলাক সমুদায় ৰজাৰ ঘৰলৈ অনা হল।

ৰাজেশ্বৰসিংহৰ বংশৰ পুৰন্দৰ, চিলমাৰিত গৈ পলাই আছিল। তেওঁক লগত লৈ ৰুচিনাথ উভতি আহিল। তেওঁলোক যোৰহাটৰ ওচৰ পাওঁতেই লুকু ডেকাফুকনক সেনাপতি কৰি নগৰৰ ভাৰ দি ৰজা চন্দ্ৰকান্তসিংহ ৰংপুৰলৈ গল। ৰুচিনাথে ৰজাৰ সেনাৰ লগত যোৰহাটৰ ওচৰতে এখন ৰণ কৰিলে। ১৭৩৯ শকৰ চাৰি ফাগুনৰ দিনা ৰজাৰ ফলীয়া সেনা হাৰিল। ৰুচিনাথে নগৰ অধিকাৰ কৰি ৮ম ফাগুনৰ দিনা পুৰন্দৰক ৰজা পাতিলে। চন্দ্ৰকান্তসিংহ ভগনীয়া ৰজা হৈ ৰংপুৰত থাকিল। তেওঁ যাতে আগলৈ ৰজা হব নোৱাৰে ইয়াকে ভাবি বুঢ়াগোহাঁইৰ ভায়েক মৰঙী-খোৱা গোহাঁয়ে মানুহ লগাই কাণত ফুটা কৰালে। এই ঘটনাত চন্দ্ৰকান্তসিংহ অতিশয় দুখিত আৰু অপমানিত হল। তেতিয়াও বদনৰ ফলীয়া কিছুমান মানুহ আছিল। তাৰে কেইজনমানে গৈ মান ৰজাক ইয়াৰ সকলো কথা কলেগৈ। মান ৰজাই বদন বৰফুকনৰ অকাল মৃত্যু আৰু মিত্ৰ চন্দ্ৰকান্তসিংহৰ দুৰ্গতিৰ কথা শুনি বৰ দুখ পালে।

## ২য় বাৰ মান অহা

আলুমিঙি নামে সেনাপতি এজনৰ লগত ৩০ ত্ৰিশ হেজাৰ সেনা আকৌ অসমলৈ পঠালে। আগৰ বাৰ মান অহাৰ তিনিবছৰৰ পাছত আকৌ ফাগুনমহীয়া মানহঁত ওলালহি। চন্দ্ৰকান্তসিংহ মান সেনাৰ লগ লাগিল। পুৰন্দৰসিংহ নগৰ এৰি ভটিয়াই পলাল। মাথোন ২বছৰ ১৪ দিন ৰজা হৈছিল।

মান-সেনাপতিয়ে দেশ অধিকাৰ কৰি চন্দ্ৰকান্তক পুনৰ ৰজা পাতিলে। পুৰন্দৰক ধৰিবলৈ খেদা পঠিয়ালে। যিবোৰ মান সেনা বুঢ়াগোহাঁই আদিক ধৰিবলৈ ভটিয়াই গৈছিল সিহঁতে বাটত অনেক দৌৰাত্ম্য কৰিলে। চন্দ্ৰকান্ত সিংহক ৰজা পাতি দুহেজাৰমান সেনাৰে সৈতে দেশৰক্ষা কৰিবলৈ এজন সেনাপতি ৰাখি বাকীবিলাক নিজ দেশলৈ গুচি গলগৈ।

চন্দ্ৰকান্তসিংহ নামত মাথোন ৰজা হৈ আছিল। সকলো কাম মান-সেনাপতিয়ে চলাইছিল। এইবিলাক দেখি-শুনি ৰজাৰ মনত দুখ লাগিল। ভাবিলে এই দেশ লাহে লাহে মানৰহে হবগৈ। তাৰ প্ৰতিকাৰ ভাবি মানক বাধা দিবলৈ উজনিফালে জয়পুৰতে এটি গড় আৰু কোঠ মৰালে। আৰু ইয়াত থকা মান-সেনবিলাককো হাক বচন মনাই বশ কৰি চলাবলৈ চেষ্টা কৰিছিল।

## ৩য় বাৰ মান অহা

আলুংমিঙি বৰগোহাঁই এই দেশৰপৰা গৈ তাৰ ৰজাক ইয়াৰ ধনবস্তু আৰু মানুহ—বিশেষকৈ ৰূপহী গাভৰুবিলাকৰ ৰূপ লাৱণ্যৰ কথা সকলো কলে। সেই ৰজাই আমাৰ দেশত ৰজা হবলৈকো ইচ্ছা কৰিলে। সেই ইচ্ছা পূৰাবৰ নিমিত্তে এই দেশ কেনে চলিছে তাক চোৱাৰ চলেৰে মিঙিমাহা তিলোৱা নামে সেনাপতি এজনৰ লগত কিছুমান মান দি আমাৰ দেশলৈ পঠিয়ালে। ১৮২১ সনৰ ফাগুন মাহত সিহঁত উৰুৰীকৃত হৈ ওলালহি। জয়পুৰত নতুন বন্দ ও দেখি ৰজাৰ মন্ত্ৰণা বুজিব পাৰি সেনাপতিয়ে আমাৰ গতাল ৰদৰকৰাক চলেৰে মৰালে আৰু কোঠ ভঙাই পেলালে। ৰণত আমাৰ সেনাবিলাকক হৰুৱাই মান সেনাবিলাক ৰজাৰ নগৰৰ ফালে দহদহ কৰে আহিবলৈ ধৰিলে। শত্ৰুভাৱে মান অহা দেখি চন্দ্ৰকান্তসিংহই কলিমন বুঢ়াগোহাঁইৰ হাতত নগৰৰ ভাৰ দি গুৱাহাটীলৈ গলগৈ। মানে তেওঁক নিভয় দি মাতি পঠিয়াই হল। তেওঁ মহাত বগা কোঁৱৰৰ পুতেক যোগেশ্বৰ কোঁৱৰক ৰজা পাতি দেশ শাসন কৰিবলৈ ধৰিলে। বাজা হৈব হৰৰ নিমিত্তেহে মানুহক দেখুৱাবলৈ যোগেশ্বৰক ৰজা পাতিছিল। দৰাচলতে মান সেনাপতি মিঙিমাহা তিলোৱাইহে ৰাজত্ব কৰিছিল। সেই বছৰৰে চতৰ দুই তাৰিখে চন্দ্ৰকান্তসিংহ পলাই যায়। তেতিয়াৰপৰা মানৰ ৰাজত্ব বুলিব লাগে। স্বৰ্গদেও ভাগি যোৱাৰ পূৰ্ব্বে আৰু পাছেও অনেক লোক যেনিয়ে পায় তেনিয়ে ভাগি গল। যি অলপ লোক আছিল তেওঁলোকেও খেতি-পথাৰ এৰিছিল। অনেকে আকৌ মানৰ লগত যোগহে দিছিল। দেশত নানা অত্যাচাৰ হবলৈ ধৰিলে। মান সেনাপতিয়ে গোটেই ধন দেশ নিজৰ অধীনলৈ আনিবৰ নিমিত্তে আখোনমহাৰা নিজৰ সেনাবিলাকক তিনি ভাগ কৰি এভাগ উত্তৰ পাৰে এভাগ দক্ষিণ পাৰে আৰু আন ভাগ ব্ৰহ্মপুত্ৰ নৈয়েদি ভটিয়াই পঠিয়ালে। গোটেই দেশজুৰি মানহঁত গৈ গুৱাহাটী ওলালগৈ। নগৰ আক্ৰমণ কৰি দখল কৰিলে। তাতে তিনিওজাক সেনা একে ঠাই হৈছিল। সিহঁত আকৌ দুজাক হৈ ললে। এজাকে দেৱালয়, মঠ, মন্দিৰবিলাকত যি যি পালে তাক লুটিবলৈ ধৰিলে। আন জাক চন্দ্ৰকান্তসিংহক ধৰিবলৈ ভটিয়াই গল। ইহঁত যি ফালেই গৈছিল সেইফালেই মহামাৰি হোৱাদি হৈছিল। পুৰুষমহাৰা মাজুলীৰ মানুহবোৰক পাবেমানে অত্যাচাৰ কৰিছিল।

## মহগড়ৰ ৰণ

পুৰন্দৰসিংহ, ৰুচিনাথ আদি বঙ্গদেশত পলাই আছিল গৈ। তেওঁলোকে বিজনী, ভুটান আদিৰপৰা

গোটাই দিয়া সেনা আৰু চন্দ্ৰকান্তসিংহই সংগ্ৰহ কৰা পঞ্জাবী, হিন্দুস্থানী আদি তুৰুকোৱাৰমান সেনা লৈ উজাই আহিল। সেই সময়তে মান দেশৰপৰা মিঙিমাহা বান্দুলা বুঢ়াগোহাঁইৰে সৈতে অনেক মান সেনাও আহি পাইছিলহি। মানৰ বল আগতকৈও বাঢ়িল হে। ১৮২১ সনৰ জেঠ মাহত নগাওঁৰ মহগড় নামে ঠাইত দুয়ো পক্ষৰ মাজত এখন ভয়ানক যুদ্ধ হয়। আমাৰ সেনাৰ খাৰ-বাৰুদ ঢুকুৱাত স্বৰ্গদেও হাৰিল। মানে ১৫০০ মান সেনা বধ কৰিলে। শিখ আৰু হিন্দুস্থানী ছিপাহীয়েও অনেক মান তৰোৱালেৰে কাটিলে। ৰজাক মানে খেদি নিলে। অনেক আঘাত পোৱাত আৰু খাৰ-বাৰুদৰ অভাৱ হোৱাত মানইত উভতি আহিল। স্বৰ্গদেও নিৰ্ব্বিঘ্নে গোৱালপাৰা পালেগৈ। তেতিয়া গোৱালপাৰা ইংৰাজৰ দখলত আছিল।

এই যুঁজত জিকি মানহঁতে দোষী-নিৰ্দ্দোষী বিচাৰ নকৰি নানা দৌৰাত্ম্য কৰি ফুৰিবলৈ ধৰিলে। মানৰ জুলুম অতিচাৰ হোৱাত আমাৰ মানুহেও মৰো-জীও নাচাই সাহ কৰি অনেক ঠাইত ঠায়ে ঠায়ে জুম বান্ধি লৰা-তিৰোতাবিলাকক পলুৱাই মানহঁতক নেমাৰি নেৰিছিল। মানহঁতেই দেশত ধৰ-মতা হৈ পৰিছিল। গোটেই আসাম উপত্যকাত মানৰ শাসন চলিবলৈ ধৰিলে। ইয়াৰ পৰা ভাগি গৈ থকা অসমীয়া মানুহক আশ্ৰয় নিদিবৰ নিমিত্তে মানহঁতে গোৱালপাৰাত থকা ইংৰাজ কৰ্ম্মচাৰীকো জানিবলৈ দিছিল হে। মানক জিকাক যেন দেখি ৰজা হোৱাৰ আশাৰে মাঘমহীয়া চন্দ্ৰকান্তসিংহ অকলে উজাই আহি মানৰ শৰণাপন্ন হয়হি। মান সেনাপতিয়ে তেওঁৰ দোষ ক্ষমা কৰি ৰংপুৰতে থাকিবলৈ দিলে। মিঙিমাহা বান্দুলাই সৈন্য আৰু নিজৰ খৰচ বুলি মজলীয়া আৰু ওখ শ্ৰেণী মানুহৰপৰা পাঁচ টকাকৈ বৰঙনি তুলি নিয়ে মিঙিমাহা তিলোৱাই এই দেশ শাসন কৰিবলৈ ধৰিলে। মিঙিমহানন্দ নামে আন এজন শাসনকৰ্ত্তা আহি ঘৰমুৱি একোডাল খৰিকা টানি আনি গাওঁৰ খাজানা লগাইছিলহি। ইয়াকে খৰিকা-টনা কৰ বুলিছিল।

১৮২১ সনৰ ২ চতৰপৰা ১৮২৫ সনৰ ২১ মাঘলৈকে এই চাৰিবছৰ কাল মানহঁতৰ হাতত অসমীয়া যুঁজি হাৰিল, লালকাল হল, পলাই ভাগৰিল। আসাম জঁয় পৰিল আৰু জুকলা হল। মানুহৰ পিত মৰিল, সাহ হেৰাল, মন কেঁচ খালে। সমাজ জলকা হল। দেশৰ স্বাধীনতা গল। আহোম ৰাজত্ব চূৰ্ণীকৃত হল। ৰজা-মন্ত্ৰী আদিৰ বংশধৰসকল নিছলা ভিকহু হল। প্ৰকৃতিৰ কাম্যভূমি, অনেক তীৰ্থ আদিৰে ভৰপূৰ পবিত্ৰ আসাম শ্মশানৰ দৰে হল। তিনিবছৰ দহমাহ উনৈশদিন মাতৃ-ভূমি আঁউসীৰ ঘোৰ অন্ধকাৰত আছিল। (আগলৈ)

শ্ৰীভ্ৰমৰচন্দ্ৰ শইকীয়া

---

# কিচমৎ

বোগদাদ নগৰ আজি উৎসৱময়। নগৰৰ ঘৰ-দুৱাৰ, হাট-বজাৰ, বাট-পদুলি নানান আকাৰৰ নানান বৰণৰ চাকি-বন্তিৰে সুসজ্জিত, 'আতৰ-গুলাব' 'মক-লোবান' ফল-ফুল আদিৰ সৌৰভেৰে সুৰভিত, কাৱালী আদি ৰাগ-ৰাগিণীৰে মন-প্ৰাণ পুলকিত, বিমোহিত।

নগৰত আজি কিবা এটা জাতীয় উৎসৱৰ মেলা বহিছে। খলিফা হাৰুণ-অল-ৰছিদেও আজি বন্ধু-বান্ধৱ, আমিৰ-ওমৰাহসকলক নিজ মহললৈ নিমন্ত্ৰণ কৰিছে, অতি সমাৰোহেৰে এটা প্ৰীতি ভোজৰ আয়োজন কৰিছে। বুঢ়া উজিৰ ছাহাবে আজি সাত আঠ দিন অক্লান্ত পৰিশ্ৰমেৰে তাৰ দিহা-পোহাতে লাগি আছে; তাৰেই প্ৰমাণস্বৰূপে চাকিয়ে-বন্তিয়ে, ফুলে-পাতে, আতৰ, গুলাব, মক্ক, জাফ্ৰাণ আদিৰ সুগন্ধ সৌৰভ আৰু হাঁহি খিকিন্দালিত ৰাজপ্ৰাসাদ আজি অতুলনীয় হৈ পৰিছে।



দুজন একলৈকে সকলো আহিল। আহূত-অনাহূত সকলৰ কথা-বতৰা, হাঁহি-খিকিন্দালিত মহল গুঞ্জাৰ হৈ পৰিছে। ভোজ আৰম্ভ হবলৈ আৰু সৰহ পৰ নাই, এনেতে উজিৰ ছাহেৱ ফোপাই-জোপাই কঁপি-জপি উধাতু খাই আহি খলিফাৰ সন্মুখত উপস্থিত। মুখৰ চুলিগোৰ তেখেতৰ থিয় হৈ পৰিছে, চকু দুটি থিৰ, উদাস—ভয় ভাবনাসনা। নাকত ওপৰত নিশ্বাসৰ ঘন ঘন যাতায়াত, মুখত তেজৰ লেশ নাই— গোৰা সেৰেলুৱা ঠিক মৃতকৰ মুখৰ দৰে বিবৰ্ণ, ভ্ৰূ যুগলৰ মাজখিনিতে ঘামৰ টিন, হাত দুখন অৱশ, শিথিল, অথচ টানকৈ মুঠি মৰা, ভৰি দুখনো অথিৰ - শৰীৰৰ ভাৰ লবলৈ অশক্ত, পৰি যায় পৰি যায় যেন দেখি, গোটেই শৰীৰ আতঙ্কিত, ৰোমাঞ্চিত।

তেখেতৰ এই অৱস্থা দেখি খলিফাই অতি আচৰিত হৈ সুধিলে—খবৰ কি উজিৰ ছাহেৱ, কি হল তোমাৰ?

উজিৰ—(কঁপি কঁপি আদাব-জনাই, খোনাই খোনাই) হুজুৰক, গোলামক ছুটী দিয়াৰ প্ৰাৰ্থনা। ইয়াত আৰু মই পলেকো থাকিব নোৱাৰো। আজি ৰাতিয়ে এতিয়া এই মুহূৰ্ত্ততে মই চিৰকেছলৈ যাব লাগিব। দয়া কৰক, হুজুৰ কৃপা কৰক, গোলামক বিদায় দিয়ক।

খলিফা (আৰু আচৰিত হৈ) কিয়? কি হল তোমাৰ? এনে আচৰণৰ কাৰণ কি?

উজিৰ—কাৰণ, হুজুৰ কাৰণ? কাৰণ অতি ডাঙৰ!

খলিফা—(বিৰক্ত হৈ) হওক তোমাৰ ডাঙৰ কাৰণ, আজি তোমাক মই কোনোমতেই এৰিব নোৱাৰো। এই উৎসৱৰ সকলো ভাৰ তোমাৰ ওপৰত, তুমি নহলে মই কেনেকৈ কি কৰিম?

উজিৰ—(অধীৰ হৈ মাফ কৰিব খলিফা ছাহেৱ, বান্দাৰ ছুটী আজি মঞ্জুৰ কৰিবই লাগিব, কৰযোৰে মিনতি কৰিছো দুহাই।

খলিফা—কি হৈছে বাৰু মোক খুলি কোৱা, তেতিয়া মই যি হয় এটা কৰিম।

উজিৰ—শুনক হেনে জনাব! মৃত্যুৰ দূত আহিছে—যম দূত! এই মাত্ৰ তাক মই সৌ তাত দেখি আহিছো। সি মোৰ ফালে খোপাকৈ চাই চকু পকাই এনে ধৰণৰ ভাব-ভঙ্গী দেখুৱালে যে দেখি মই ঠিক বুজিছো সি মোকেই বিচাৰি আহিছে। এতিয়াই এই নিমিষতে যদি মই ইয়াৰপৰা পলাব নোৱাৰো মোৰ আৰু হেনে ৰক্ষা নাই, হুজুৰত! ৰক্ষা নাই।

খলিফা—(স্বগত:) মূৰ্খ, মৃত্যুৰ হাতৰপৰা পলাই সাৰিব খোজ? বাৰু তেই অপাটোৱেই হওক, জগতত এটা শিক্ষা হব। (ফুটাই) বাৰু যোৱা তেন্তে উজিৰ ছাহেৱ, মই তোমাক বিদায় দিছো, আৰু কিবা সাহায্য লাগিলে ছৰ্কাৰৰপৰা পাব পাৰিবা। এতিয়া যোৱা বিদায়।

অনাহকত এক নিমিষো পলম নকৰি তেতিয়াই সেই এন্ধাৰ নিশাতে উজিৰ ছাহাবে চিৰকেছলৈ যাত্ৰা কৰিলে। যাবৰ পৰত লৰালৰিৰ ভোৰত খলিফাক ছলাম জনাই যাবলৈও পাহৰি গল। তেওঁৰ আস্ত-ব্যস্ত দেখি খলিফাই নাহাঁহি নোৱাৰিলে।

আৰ পিছত ভোজ শেষ হল, অতিথিসকল বিদা-দিহি ঘৰলৈ গল। খলিফাই অৱসন্ন দেহে শয্যাত পৰি গাকত মূৰ দি উজিৰৰ কথাকে ভাবি-গুণি আছে এনেতে দেখে সন্মুখত হেখেতৰ সেই মৃত্যুৰ দূত! সি কোন আৰু কি লাগে বুলি খলিফাই সোধাত সি কলে "হুজুৰত! মই যমদূত, উজিৰৰ কথাৰে আহিছো।"

খলিফাই মিচিকিয়া হাঁহি মাৰি কলে "তুমি অহাৰ গম পাই আগনিয়েই উজিৰ পলাল, কলৈ গল মই তোমাক নকওঁ, মুঠতে তেওঁ আৰু এই নগৰত নাই।"

যমদূত—নাপাকিবৰেই কথা হুজুৰ! তেখেতক এতিয়াও ইয়াতে দেখি মই সঁচাকৈয়ে আচৰিত হৈছিলো! কিয়নো কাইলৈ পুৱাতে চিৰকেছত তেখেতৰ মৃত্যু হব লাগে, এয়ে প্ৰাক্তন।"

খলিফাই—(আকৌ এটা হাঁহি মাৰি) কিচমৎ!

শ্ৰীমহম্মদ পজিকদ্দিন আহমদ

# ৺ধীবেশ্বৰাচাৰ্য্য

## উত্তৰগুৱাহাটীত অধ্যাপনা

পূজ্যপাদ ৺ধী.ৰশ্বৰাচাৰ্য্যদেৱৰ সাপিণ্ড্য জ্ঞাতি শ্ৰীযুত নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্য মহাশয়ে কয়— 'দেৱে বিবাহ কৰোৱাৰ পিছত জীৱিকা নিৰ্ব্বাহৰ নিমিত্তে উত্তৰগুৱাহাটীলৈ যোৱাত, তাত স্থানীয় ন-গোসাঁইৰ ঘৰত জটাধৰ গোস্বামী প্ৰভৃতি ভদ্ৰলোকসকলে, এখন সংস্কৃত টোল স্থাপন কৰি, তেওঁক ৰাখিছিল।" সেই পঢ়াশালিত তিনি বছৰমান থকাৰ পিছত, ছাত্ৰাভাৱত টোলখন উঠি যোৱাত দেউ নগাওঁলৈ গৈছিল।

এই বিষয় মই এদিন ভ লুমুখত থকা উত্তৰগুৱাহাটীৰ * শ্ৰীযুক্ত শিৱনেশ্বৰ গোস্বামীদেৱক সোধাত তেওঁ কলে যে, যেতিয়া দেউ উত্তৰগুৱাহাটীত তেওঁলোকৰ ঘৰত থকা সংস্কৃত টোলৰ অধ্যাপক আছিল, তেতিয়া উক্ত গোস্বামীদেৱৰ বয়স আঠ ন বছৰ মাথোন। কিন্তু দেৱে তেওঁলোকৰ ঘৰত থকাৰ বিষয়খিনি তেওঁৰ গোলে প্ৰায় মনত আছে।

উত্তৰগুৱাহাটীৰ বক্ৰেশ্বৰ গোস্বামী তহছীলদাৰ যেতিয়া হাজোত আছিল, তেতিয়া দেৱে কোচবিহাৰৰ পৰা জ্বৰগ্ৰস্ত হৈ আহি তালৈমান দিন ঘৰতে আছিল। সেই সময়ত শ্ৰীযুক্ত নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্যে টিহ অঞ্চলৰ "বৰমা তহছীলৰ" জীবংশ্বৰ গোস্বামীৰ বহাত থাকি তেওঁৰ মহৰী কাম কৰিছিল। তাৰ পিছত এদিন শ্ৰীযুক্ত নাৰায়ণ চন্দ্ৰ ভট্টাচাৰ্য্যই দেউক হাজোত থকা ৺বক্ৰেশ্বৰ গোস্বামীদেৱৰ ওচৰলৈ আনি তেওঁ এজন পণ্ডিত বুলি পৰিচয় কৰাই দিয়ে। গোস্বামীদেৱ যদিও বিশেষ সংস্কৃতজ্ঞ নাছিল তথাপি নাৰায়ণ চন্দ্ৰ ভট্টাচাৰ্য্যৰ কথামতে দেউক সিদিনা হাজোৰ বহাত ৰাখি, ৰাতি হাজোৰ বহুত মানুহৰ সন্মুখত, শ্ৰীযুত ধনকান্ত চৌধুৰীৰ হতুৱাই, বন্দোবস্ত কৰি, গোস্বামীদেৱৰ হাত থকা হাতেৰে লিখা সাঁচিপতীয়া "চণ্ডী" ৺ধীবেশ্বৰাচাৰ্য্যদেৱক ব্যাখ্যা কৰিবলৈ দিয়াত তেওঁ অতি সুন্দৰকৈ ব্যাখ্যা কৰিলে। তেনেকুৱা ব্যাখ্যা শুনি বক্ৰেশ্বৰ গোস্বামী প্ৰভৃতি অতিশয় সন্তুষ্ট হল আৰু দেউক চণ্ডী ব্যাখ্যা কৰাৰ বাবে, নগদ ছুটকা, এখন ধুতী আৰু এখন চেলেঙ দিছিল। তাৰ পিছত গোস্বামীদেৱে দেউক তেওঁৰ উত্তৰগুৱাহাটীৰ নিজৰ ঘৰলৈ অনাই এখন সংস্কৃত টোল পাতি দিয়ে।

তেতিয়া দেউৰ ছাত্ৰ আছিল, পাণ্ডিদৰং মৌজাৰ অন্তৰ্গত নগাওঁৰ শ্ৰীযুক্ত মধুনাথ শৰ্ম্মা, বড়াপাৰ্ব্বৰ শ্ৰীপুৰুষোত্তম শৰ্ম্মা, আৰু কেলেচাৰ শ্ৰীযুক্ত পুষ্পচন্দ্ৰ দলৈ প্ৰভৃতি। ছাত্ৰবিলাকক ৰত্নমালা ব্যাকৰণ, অমৰকোষ আৰু হিতোপদেশ প্ৰভৃতি পাঢ়িছিল।

৺ধীবেশ্বৰাচাৰ্য্যদেৱৰ বয়স তেতিয়া চৌবিশ পঁচিশ বছৰমান হব। বক্ৰেশ্বৰ গোস্বামীয়ে দেউক পঢ়ুৱাৰ বাবে মাসিক খোৰাক দিছিল। দেৱে মাজে সময়ে ভাত পাঠ, স্বস্ত্যয়নাদি কৰিও অলপ-অচৰপ ধন পাইছিল। স্থানীয় ভদ্ৰলোকসকলৰপৰা মাসিক নিৰ্দ্দিষ্ট বেতন কিবা পাইছিল নে নাই, সেইটো কথা সঠিককৈ জানিব পৰা নাই।

উত্তৰগুৱাহাটীৰ শ্ৰীযুক্ত গোবিন্দেশ্বৰ গোস্বামী মৌজাদাৰৰপৰা শুনিছো যে,—দেউ দুবাৰ উত্তৰগুৱাহাটীত আছিল। প্ৰথমবাৰ থাকিবৰ আজি প্ৰায় সাতত্ৰিশ বছৰমান, আৰু দ্বিতীয়বাৰ থাকিবৰ প্ৰায় ত্ৰিশ বছৰমান হল। প্ৰথমবাৰ তিনিবছৰমান আৰু দ্বিতীয়বাৰ ডেৰবছৰমান আছিল।

ইংৰাজী ১৮৮২ সনত, গুৱাহাটীৰ গৱৰ্ণমেণ্ট হাইস্কুলত অসমীয়া উপস্থাপিক শ্ৰীযুত ৰজনীকান্ত বৰদলৈয়ে দেউক প্ৰথম দেখা পায়। তেতিয়া ঢাকা জিলাৰ, বিক্ৰমপুৰৰ অধিবাসী নবকুমাৰ তৰ্কপঞ্চানন মহাশয় হাইস্কুলৰ হেড্‌পণ্ডিত আছিল। তেওঁ এজন অদ্বিতীয় বৈয়াকৰণ পণ্ডিত। এদিন তৰ্কপঞ্চানন মহাশয়ৰ লগতে দেৱে অনৰ্গল সংস্কৃত ভাষাত আলাপ কৰি গুচি যোৱাত, শ্ৰীযুক্ত ৰজনীকান্ত বৰদলৈয়ে, তৰ্কপঞ্চানন মহাশয়ক তেওঁৰ বিষয়ে সোধাত, হেড্‌পণ্ডিত মহাশয়ে কলে যে, আমাৰ দেউ ব্যাকৰণ আৰু ছন্দঃশাস্ত্ৰত অসাধাৰণ ব্যুৎপত্তিশালী। তেতিয়া দেউৰ বয়স আনুমানিক তেইশ চৌবিশ বছৰ। উক্ত বৰদলৈ মহাশয়ে কয় যে, তেতিয়া ৺ধীবেশ্বৰাচাৰ্য্যদেৱ শুক্ৰেশ্বৰ দেৱালয়ত কিছুমান দিন অধ্যাপনা নকৰাকৈ আছিল। ইয়াৰ ছমাহমানৰ পিছত দেউ উত্তৰ গুৱাহাটীৰ ৺বক্ৰেশ্বৰ গোস্বামীৰ তাত পতা সংস্কৃত টোলৰ অধ্যাপক হৈছিল আৰু তেতিয়া আচাৰ্য্যদেৱৰ লগত তেওঁৰ সহধৰ্ম্মিণী আৰু জ্যেষ্ঠা কন্যা শ্ৰীমতী সৰস্বতীও আছিল। শ্ৰীমতী সৰস্বতীৰ বয়স তেতিয়া প্ৰায় তিনি বছৰ। শ্ৰীযুক্ত ৰজনীকান্ত বৰদলৈ মাজে-সময়ে উত্তৰগুৱাহাটীৰ মোমায়েকৰ ঘৰলৈ যোৱাত, দেউৰ লগতে প্ৰায় সাক্ষাৎ কৰিছিল। বৰদলৈ ডাঙৰীয়াৰ ভালকৈ মনত আছে যে, দেৱে সেই অৱস্থাত নসৰা, দুই তিনি বছৰীয়া শ্ৰীমতী সৰস্বতীক সংস্কৃত শিকাইছিল, আৰু শ্ৰীমতী সৰস্বতীয়েও আধাকুটাকৈ সংস্কৃত বাক্যবোৰ আওৰাইছিল। যেনেকুৱা "অয়ঃছাগঃ" এইস্থলত "অজংছাগঃ" "ইদংপুস্তকম্" কবলৈ দিলত "ইলংপুস্তকম্" "অয়ংনদঃ" এইঠাইত "অজংনদঃ" ইত্যাদি। উক্ত বৰদলৈ ডাঙৰীয়াৰ আগত তেতিয়াবা দেৱে নিজৰ জীয়েক শ্ৰীমতী সৰস্বতীৰ হতুৱাই শ্লোক আবৃত্তি কৰাইছিল। এইটো আনুমানিক ১৮৮৩ সনৰ কথা।

বৰদলৈয়ে ১৮৮২ সনৰপৰা ১৮৮৫ সনলৈ দেউক উত্তৰগুৱাহাটীত থকা দেখিছিল আৰু তেওঁৰ মতে দেউ তাত পাঁচ বছৰমান আছিল। এবাৰ বৰদলৈ কলিকতাৰপৰা আহি মোমায়েকৰ ঘৰলৈ যোৱাত, ব্ৰহ্মপুত্ৰ পাৰ হবৰ সময়ত, একেখন নাৱতে বৰদলৈৰ মোমায়েক আৰু আমাৰ আচাৰ্য্যদেৱো আছিল। নাৱতে বৰদলৈৰ লগত দেউৰ কথা হয়। ৺ধীবেশ্বৰাচাৰ্য্যদেৱে বৰদলৈক সুধিলে যে, বাপা কোৱাচোন, মতা শুৱনি নে মাইকী শুৱনি? বৰদলৈয়ে তত্তালিকে কৈ উঠিল, মাইকী শুৱনি। তেওঁৰ উত্তৰ শুনি আচাৰ্য্যদেৱে কলে যে, নহয় বাপা, মাইকীতকৈ মতা হে বেছি শুৱনি। চোৱাচোন বাপা! বগধতকৈ গাই বেছি শুৱনি নে? মঁৰা চৰাইৰ ভিতৰত মতাটোতকৈ মাইকীজনী বেছি শুৱনি নে? কেতিয়াও নহয়। এইবোৰ কথা শুনি, বৰদলৈৰ মোমায়েকে নাহেহৈক মাত লগাই দেউক কলে, দেউ, তাৰ

---

* উত্তৰগুৱাহাটীৰ শ্ৰীযুক্ত ত্ৰিপুৰেশ্বৰ গোস্বামীৰপৰা শুনা কথা :—প্ৰায় চৌবিশ পঁচিশ বছৰমান বয়সত, ৺ধীবেশ্বৰাচাৰ্য্য দেৱে জীৱিকানিৰ্ব্বাহৰ বাবে উত্তৰগুৱাহাটীলৈ যোৱাত, স্থানীয় ভদ্ৰলোকসকলে দেউক এখন সংস্কৃত টোল পাতি দিয়ে। টোলখনে লোকেলবোৰ্ডৰপৰা মাসিক অলপ সাহায্য পাইছিল। উত্তৰগুৱাহাটীৰ বৰ্ত্তমান বালিকা বিদ্যালয়ৰ ঠাইত, টোলখন সংস্থাপিত হৈছিল। আপদলাৰ ৺মথুৰানাথ অধ্যাপক প্ৰভৃতি দেউৰ ছাত্ৰ আছিল। দেউ উত্তৰগুৱাহাটীলৈ যোৱাৰ আগেয়ে, পাহনীৰ অধ্যাপকে তাত টোল পাতিছিল আৰু সেই টোলখনত লোকেলবোৰ্ডে মাহে ছটকাকৈ সাহায্য দিছিল। তেওঁ তাত ছবছৰমান আছিল। উত্তৰগুৱাহাটীৰ নগোসাঁইসকলৰ দুৰ্গাপূজা কৰা ঠাইত, ৰাহদীয়াৰ পণ্ডিতদেউৰ টোল আছিল। ৺ধীবেশ্বৰাচাৰ্য্যদেৱৰ লগতে ৰাহদীয়াৰ অধ্যাপকৰ প্ৰায় শাস্ত্ৰীয় তৰ্কাদি লাগিছিল। আমাৰ দেৱে তালৈ যোৱাৰ কিছুমান দিনৰ পাছত, ৰাহদীয়াৰ অধ্যাপক ঘৰলৈ গল। লোকেলবোৰ্ডৰ পৰা ৰাহদীয়াৰ অধ্যাপকে মাসিক সাহায্য পোৱা ছটকা বন্ধ কৰাৰ পিছত আমাৰ পূজ্যপাদ ৺ধীবেশ্বৰাচাৰ্য্যই পাইছিল। সোণকুছিয়াৰ গোঁসাই অধ্যাপক উত্তৰগুৱাহাটীত বহুত যজমান আছিল। যজমানৰ কাৰ্য্যোপলক্ষে গোঁসাই অধ্যাপক প্ৰায় উত্তৰগুৱাহাটীলৈ অহাযোৱা কৰিলত, ৺ধীবেশ্বৰাচাৰ্য্যৰ লগতে মাজে সময়ে কৰ্ম্মকাণ্ডাদিৰ বিষয়ত বিসম্বাদি হৈছিল। উত্তৰগুৱাহাটীৰ শ্ৰীনন্দ পাঠকদাই দান কৰি দিয়া মাটিত বৰ্ত্তমান গড়ুৰৰ গোস্বামীদেৱে এখন সত্ৰ স্থাপন কৰিছে। সেই সত্ৰৰ ঠাইত আমাৰ ৺ধীবেশ্বৰাচাৰ্য্যদেৱে সপৰিয়ালে বসতি কৰি আছিল। শ্ৰীযুক্ত ত্ৰিপুৰেশ্বৰ গোস্বামীদেৱে কয় যে, দেউ উত্তৰগুৱাহাটীত সাত আঠ বছৰমান আছিল।

দেউ উত্তৰগুৱাহাটীত থকাত, কদুদাসী নামে এজনী তিৰোতাই, প্ৰায় দুবছৰমান দেউৰ গৃহিণীৰ আলপৈচান ধৰা হৈ আছিল। সেইবাবে তেওঁক দেৱে মাহে দুটকাকৈ দিছিল। কদু দাসীয়ে কয় যে, দেৱে তেতিয়াও সাত্বিক আহাৰাদি কৰিছিল। এনে কি দেৱতাৰ দৰে লাগাছিও দেখাইছিল। গৃহিণীৰ লগতে দেউৰ তেতিয়া কোনো অৰিয়া অৰি ভাব নাছিল; আৰু দেউ তাত সাত আঠ বছৰমান আছিল।

লগত আপুনি এইবোৰ কি কথা পাইলে ? যি হওক ১৮৯০ সনত বদলৈ আকৌ উত্তৰগুৱাহাটীলৈ যোৱাত, ৬খীৰেশ্বৰাচাৰ্য্যদেৱ তাত নাছিল। শ্ৰীযুক্ত নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্য দলৈয়ে কয় যে, ছাত্ৰাভাৱত উত্তৰগুৱাহাটীৰ টোলখন ভঙাত, সেউৰ নাম শুনি নগাৱঁৰপৰা ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা, নকেশ্বৰ ফুকন আৰু ভদ্ৰকান্ত দাৰোগা প্ৰভৃতিয়ে সেউক চিঠি দি নগাৱঁলৈ নিয়ায়।

পণ্ডিত শ্ৰীকামাখ্যাচৰণ ভট্টাচাৰ্য্য

---

# স্বৰ্গীয় মহাৰাজ বুদ্ধিস্বৰ্গনাৰায়ণ আৰু মায়ামৰা সত্ৰ

এখেত বৰ পৰাক্ৰমী আৰু বুদ্ধিমন্ত ৰজা আছিল। সেই বাবেই এখেতৰ বিখ্যাত নাম বুদ্ধিস্বৰ্গনাৰায়ণ। শিঙৰি ঘৰত উঠি চুচাংফা নাম লয় আৰু বুঢ়া কালত ৰজা হোৱা বাবে বুঢ়া ৰজাও বোলে। এখেতৰ আন এটি নাম প্ৰতাপসিংহ।

এইজনা ৰজাৰ ৰাজত্ব কালত, অনেক সৎ-কাৰ্য্য হৈছিল। দ'ল, দেৱালয়, আলি, পুখুৰী, আদি বহুত প্ৰকাৰ কীৰ্ত্তিশালী স্তম্ভ নিৰ্ম্মাণ কৰাইছিল। মুছলমান ৰাজ-বাদচাৎ, চৈয়দ বাবাকৰ নবাবক বধ কৰি গুৱাহাটীলৈকে নিজ ৰাজ্যৰ ভিতৰ কৰি নিজৰ শাসনাধীনলৈ আনি সু-শাসন বিস্তাৰ কৰিছিল। আৰু দৰং বেলতলা ইত্যাদিতো ভলতীয়া ৰজা পাতি দি নিজৰ ৰাজ্য পালন কৰিছিল।

এখেতৰ দিনতে নামদাং ভটীয়াপাৰ, আদি গাঁও প্ৰতিষ্ঠিত হয়। পোন-প্ৰথমতে,—আমাৰ দেশত দুৰ্গোৎসৱ পূজাৰ প্ৰচলন এইজনা ৰজাই চলায়। ব্ৰাহ্মণ পণ্ডিত সকলেৰে পৰামৰ্শ কৰি আঠচুকীয়া সোণৰ পীঠৰ আহি হৈ আঠচুকীয়াকৈ সোণ-ৰূপৰ মোহৰ মাৰি মোহৰৰ প্ৰচলন কৰে আৰু ৰায়ুণৰ কটকী, বৰফুকন, বৰবৰুৱা উপাধি বা বিষয়ৰ নিয়ম কৰে আৰু দেৱোত্তৰ, ধৰ্ম্মোত্তৰ, ব্ৰহ্মোত্তৰ, আদি বিতৰণৰ প্ৰথা এখেতৰপৰাই সৰ্ব্ব প্ৰথম হয়। পৰ্ব্বতৰপৰা হাতী চলাই আনি যোৰহাটত "হাতীগড়" মৰাই এহেজাৰ হাতী ধৰাই, হাতী বন্ধা ঠাইক "হস্তিনাপুৰ" নাম দিবলৈ ধৰিছিল; কিন্তু হাজাৰ পুৰ হৈ হাতী নথকাত 'গজপুৰ' নাম দি ৰাখিলে।

এই প্ৰতাপান্বিত স্বৰ্গনাৰায়ণ ৰজাৰ ৰাজ্যতে মহাপুৰুষ শ্ৰীশ্ৰী৺ অনিৰুদ্ধ দেৱে জয়-জয় ময়-ময় হৈ চাৰি প্ৰসঙ্গ হৰিকীৰ্ত্তন কৰি মহা সমাৰোহেৰে অতি প্ৰাবল্যেৰে সত্ৰ কৰি থকাত পৰশ্ৰীকাতৰ কিছুমান স্বাৰ্থপৰ ঠেক মনৰ মানুহে সহিব নোৱাৰি, ৰজাক অনেক প্ৰকাৰে লগোৱাত* ৰজাই এদিন সত্ৰবাসীবোৰেতে ভূঞাঁসকলৰ শিৰোমণি ভূঞাৰ পো শ্ৰীশ্ৰী৺ অনিৰুদ্ধ দেৱতা সিদ্ধ পুৰুষক ধৰাই নিয়ে।

ৰজাই তেৰাৰ প্ৰশান্ত, সৌম্য আৰু নয়নাভিৰাম মূৰ্ত্তি দেখি আৰু চৰিত্ৰাদিলৈ বিশেষ নিৰীক্ষণ কৰি কথাবাৰ্ত্তা হৈ কেইটিমান সন্তোষজনক পৰীক্ষা কৰি চালে। সেই সময়ৰ ভিতৰত এটি মায়া উৎপন্ন হোৱাত, সৰ্ব্বসমুখে, সেই মায়া সিদ্ধ পুৰুষ শ্ৰীশ্ৰী৺ অনিৰুদ্ধ দেৱৰ বাক্যত নিৰ্ব্বাণ হোৱাত (অৰ্থাৎ বাক্যতে মায়া উৎপন্ন হৈ তা'ৰ বাক্যতে তৎক্ষণাৎ মৰাত) সভাসদ সহ সকলো আচৰিত হৈ অলৌকিক প্ৰতিভাৰ চিন তেৰাৰ শৰীৰত দেখি সকলো বিমুগ্ধ হৈ অৱনত হৈ নমস্কাৰ কৰি ৰজা-বিষয়া সকলোৱে মনলৈ অপূৰ্ব্ব ভক্তিৰ কৰুণাদ্ৰ প্ৰেম আদি লৌকিক-অলৌকিক লগাই দিলে। সকলো তেৰাৰ গুণত আৰু অমৃতোপম বাক্য সুধাৰসী পান কৰি মুগ্ধ হল। আৰু ৰজাই কলে "হে ভূঞাগণৰ শিৰোমণি অনিৰুদ্ধ দেৱ! আপোনাৰ শ্ৰীমুখৰ সুৱলা শাস্ত্ৰীয় কথা শুনি পৰম সন্তোষ লাভ কৰিছো, আৰু আপোনাৰ বাক্‌সংযম আৰু বাক্‌সিদ্ধতা দেখি আচৰিত মানিছো। আৰু মই আপোনাৰ সৌম্য, শান্ত মূৰ্ত্তি দেখি ভক্ত অনিষ্টকাৰী বুলি মোৰ মনলৈ অলপো সন্দেহ অহা নাই। বিষয়াসকল, এইজনা সিদ্ধ পুৰুষ, এখেতত মোৰ কোনো অবিশ্বাস নাই। মই এখেতৰ তেজস্বিতাৰ আৰু প্ৰকৃত মহত্ত্বৰ সম্যক পৰিচয় পাইছো। এখেতে আমাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ গুৎ একো মই পোৱা নাই। আজিৰপৰা মই এইজনা সিদ্ধ যোগানন্দ পুৰুষক, মোৰ ৰাজ্যত থাকি ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ আদেশ দিলোঁ। স্বচ্ছন্দে তেখেতৰ ধৰ্ম্ম কাৰ্য্য কৰক। আৰু মোৰ সাক্ষাতত মায়া-নিৰ্ব্বাণ কৰা বাবে মই "মায়ামৰা গোসাঁই" নাম দিলোঁ।

তেতিয়া ৰাজ সভাত এটা জয়ধ্বনি উঠিল। আকৌ ৰজাই সিদ্ধ পুৰুষক কলে—ভূঞাৰ পো আপোনাক মই সত্ৰ কৰি থাকিবৰ নিমিত্তে ডুশ একৰ ভূমি ধৰ্ম্মোত্তৰ স্বৰূপে দান কৰিলোঁ। আপোনাৰ মনোনীতমতে যত সুবিধা হয় লব পাৰে। তেতিয়া মহাপুৰুষ ৺অনিৰুদ্ধ দেৱে কলে—মহাৰাজ ক্ষমা কৰিব! দেৱোত্তৰ ধৰ্ম্মোত্তৰ লৈ কি কৰিম। তাৰপৰা আমাৰ পাপহে হব। তাত কৰা কৰ্ম্ম আদিৰপৰা যি পুণ্য সঞ্চয় হব সেই পুণ্য আপোনাৰ হব। আমাৰ একো ধৰ্ম্ম নিসিজে। পূৰ্ব্বে শ্ৰীশ্ৰীমহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱ, আদি গুৰুসকলে দেৱোত্তৰ ধৰ্ম্মোত্তৰ কোনো ৰজাই দিও যোগাত নললে, এতিয়াও মহাৰাজ আমাক লবলৈ নুবুলিব। মহাৰাজৰ মাত্ৰ অনুগৃহীত দয়া থাকিলেই হয়। আৰু এনে মিছা প্ৰবাদত কোনো দেখা ভাব নাৰাখে যেন। মহাৰাজ আমি প্ৰত্যহ চাৰি প্ৰসঙ্গ নাম কীৰ্ত্তন কৰো। তাৰে এক প্ৰসঙ্গ মহাৰাজৰ কুশলৰ নিমিত্তেই কৰোঁ আৰু ভবিষ্যতেও কৰি থকা হব। ৰাম নামেই আমাৰ সৰ্ব্বস্ব; সেই সুধাসম মধুৰ ৰাম নাম-প্ৰসঙ্গত যেন কোনো অনিষ্ট নহয় এয়ে মাত্ৰ মহাৰাজৰ ওচৰত সৰল গোহাৰি।

তেতিয়া ৰজাই প্ৰথমে ৰাম নাম-প্ৰসঙ্গ কৰাৰ অনুসন্ধান লবৰ নিমিত্তে এজন মানুহ নিযুক্ত কৰি দিলে। তেওঁ প্ৰতিদিনে মায়ামৰা সত্ৰলৈ গৈ "ইস্তাহান" লব লাগে, আৰু ৰজাক জনাবহি লাগে। সেই তত্বাবধান লোৱা জনক, "চকৰধৰা বৰা" বাব দি ৰাখিলে।*

সেই সময়তে সোমাৰপীঠৰ বহু প্ৰজাই, তেখেতৰ ধৰ্ম্ম গ্ৰহণ কৰি শৰণীয়া হয়। আৰু ৰাজ বিষয়াসকলৰ ভিতৰত কিছুমান সম্ভ্ৰান্ত লোকেও শৰণ ভজন লৈ শিষ্যত্ব গ্ৰহণ কৰে। বৰ্ত্তমান সিবিলাকৰ বংশধৰসকল বিদ্যমান আছে। সেই বাবেই "মায়ামৰা সত্ৰ"ৰ সেৱকসকল আসামৰ প্ৰায় এফাল হব। এইদৰে স্বৰ্গনাৰায়ণ মহাৰাজে অসংখ্যাত সৎ কৰ্ম্ম কৰি ৰাইজৰ ভিতৰত অৱস্থাৰ দোষবোৰ গুচাই ৰাজ্যত মিলাপ্ৰীতি, একতাৰ সোঁত বলাই, দেশত প্ৰেমৰ নিদৰ্শন দেখুৱাই, সমাজৰ বহুল উন্নতি সাধি, প্ৰতাপেৰে ৰাজ্য শাসন কৰি, অন্তিম কালৰ সময়ত বালা, বৃদ্ধ, যুৱা, সকলো প্ৰজাবৰ্গকেই মতাই আনি সাংগোকে চাই সম্বোধন কৰি, সন্ত সাধু সকলৰ আশীৰ্ব্বাদ গ্ৰহণ কৰি, বাবুণ-সজ্জনক দান-ধৰ্ম্মাদি কৰি একুৰি ওঠৰ বছৰ ৰাজভোগ কৰি স্বৰ্গী হয়।

শ্ৰীযোগানন্দ গোস্বামী

---

* ইতিপূৰ্ব্বে বাৰভূঞাঁই আসাম ৰজাৰ লগত যুদ্ধ কৰি বৰ লৌবাৰা আৰু দেশ জিনি শাসন কৰিবলৈ যত্ন কৰিছিল। কিন্তু দেৱীৰ শাপৰ বাবাই দক্ষিণপাৰ হোৱাত, যতেক কমি ৰজাৰ হাতত আটক হৈ বন্দী হয়। শেহত ৰজাৰ আদেশত ভূঞাসকলক সনীয়াত বলি দিবলৈ নিয়াত দেৱীয়ে বাৰভূঞাৰ বলি গ্ৰহণ নকৰাত, ৰজাই মুক্তি দিলে। কিন্তু সেই ভূঞাৰ বংশধৰ ৺ অনিৰুদ্ধ দেৱ। তেওঁ মানুহ তাত বহি পুনঃ যুদ্ধ আয়োজন কৰি, পৰোক্ষে ৰাজ্য লবলৈ চেষ্টা কৰিছে। ইত্যাদি নানা প্ৰকাৰে লগোৱাত ৰজাই সন্দেহ কৰি তেওঁক ধৰি আনে।—লিখক।

২৫৪

# পোৱা কিতাপ

**বহল ব্যাকৰণ।** ৰচক ৺সত্যনাথ বৰা, বি, এল। "এই পুথি ৰচোতাজনা আৰু ইহলোকত নাই। তেখেতে এই পুথি লিখি শেষ কৰি প্ৰেছত দি প্ৰায় এশ পিঠিমান ছপা হওঁতেই হঠাৎ গল। আঘোন মাহৰ ২৭ তাৰিখে দুপৰীয়া চিৰশান্তি ধাম লাভ কৰিলে।" বৰা ডাঙৰীয়াৰ সুযোগ্য পুত্ৰ দুজনে কিতাপখন ছপা শেষ কৰি উলিয়াইছে।

বৰা ডাঙৰীয়া অসম-সাহিত্যক্ষেত্ৰত কি আছিল অসমৰ সকলোৱে জানে। অসমীয়া ভাষাত তেওঁৰ অসাধাৰণ পাণ্ডিত্যৰ বিষয়েও তেওঁৰ 'সাৰথি' আদি কিতাপ পঢ়োতা, আৰু তেওঁৰ ছাত্ৰসকলে ভালকৈ জানে। তেওঁৰ ৰচিত "বহল ব্যাকৰণ" কিতাপখন আমি আগৰ পৰা শুৰিলৈকে ভালকৈ পঢ়িছো। ঠায়ে ঠায়ে সামান্য দুটা এটা খুঁত থাকিলেও, কিতাপখন অসমীয়া ভাষাৰ অমূল্য সম্পত্তি। আগৰ এটাইবোৰ অসমীয়া ব্যাকৰণতকৈ অনেক গুণে এই ব্যাকৰণখন শ্ৰেষ্ঠ। সেইবোৰৰ ঠাইত এইখন বি, এ; এম, এ, পৰীক্ষালৈকে চলোৱা উচিত। আমাৰ হাতত সেই ক্ষমতা থকাহেঁতেন, আমি এদিনলৈকে সেই কাৰ্য্য পলম নকৰিলোঁহেঁতেন। "বহল ব্যাকৰণ" বৰা ডাঙৰীয়াৰ বৰেণ্য কীৰ্ত্তি।

**স্বামী-স্ত্ৰী।** শ্ৰীতিলোৰাম বৰুৱা প্ৰণীত। বেচ আঠ অনা। পাতনি লেখকে, সাহিত্য ক্ষেত্ৰত গ্ৰন্থকাৰৰ এয়ে প্ৰথম উদ্যম বুলি কৈছে। আমি কওঁ তেওঁৰ প্ৰথম উদ্যমে অনেক পুৰণি লেখকৰ পুৰণি উদ্যমক চেৰ পেলাইছে। গ্ৰন্থকাৰৰ ভাষা সৰল, উপদেশ সাৰুৱা আৰু প্ৰশ্নৰ উত্তৰ আৰু সমাধান ওখ আৰু প্ৰাঞ্জল। আমি কিতাপখন পঢ়ি আনন্দিত হৈছোঁ। অসমৰ ছোৱালী স্কুলবোৰত এইখন পাঠ্যপুস্তকৰূপে নিৰ্দ্দিষ্ট হোৱা দেখিলে আমি বৰ সন্তোষ পাম। স্কুলৰ বাহিৰেও, পঢ়িব জনা প্ৰত্যেক জীয়ৰী বোৱাৰীৰ হাতত এই কিতাপৰ একোখন থকা উচিত।

**সতী-কাহিনী।** শ্ৰীদণ্ডিনাথ কলিতা প্ৰণীত আৰু প্ৰকাশিত। সতী, সীতা, সাবিত্ৰী, দময়ন্তী, শকুন্তলা, শৈব্যা, বেহুলা, জয়মতীৰ চমু উপাখ্যান। ইও এখন স্ত্ৰীপাঠ্যৰ উপযোগী কিতাপ। সুন্দৰকৈ ৰচোৱা, উজুকৈ লেখা, আৰু লেখকৰ হাত পকা। আমাৰ স্ত্ৰীপাঠ্য কিতাপৰ অভাৱত ইও এটি বহুমূলীয়া দান।

**মৌ মহাভাৰত।** লিখক শ্ৰীমিত্ৰদেৱ মহন্ত। মূল্য ১৷৹। গোটেই মহাভাৰতৰ কথাবোৰ চমুকৈ অথচ ৰসালকৈ লেখা হৈছে। লেখক কৃতকাৰ্য্য হৈছে বুলি কবই লাগিব। আমি পঢ়ি বৰ সন্তোষ পাইছোঁ। ভাৰতৰ অমূল্য অতুলনীয় পুথি মহাভাৰতৰ বিষয়ে অপ্ৰমাণে জ্ঞান লভাত এই কিতাপখনে আমাৰ লৰাছোৱালীক বৰ সহায় কৰিব। লেখক আমাৰ শলাগৰ পাত্ৰ। কিতাপখনত যে দোষৰ ভাগ নাই এনে নহয়। কিন্তু দোষৰ ভাগ তাকৰ। সেইবোৰ তন্নতন্নকৈ দেখুৱাবলৈ যাবৰ আমাৰ মন নাই। মুঠতে কওঁ যে লেখকে অনেক ঠাইত বৰ বাক্য-ৰচনা dignified হোৱা উচিত তাত levityৰ আশ্ৰয় লৈছে। কথাৰ গাম্ভীৰ্য্য ৰাখিও তাক সৰল আৰু চিত্তাকৰ্ষক কৰিব পাৰি। যদি কেতিয়াবা কিতাপখনৰ দ্বিতীয় তাঙৰণ হয়, লেখকে যেন সেইবোৰ সলাই দিয়ে। সেইবোৰ কোনবোৰ, সেইটোৰ উৱাদিহ লেখকে তেওঁৰ কিতাপখন ধীৰ ভাৱে পঢ়িলেই পাব। মহাভাৰতৰ নিচিনা কিতাপ এখনত সকলো অংগতে humour আৰু ৰুচিমাৰ্জ্জিত হোৱাটো হে শোভন কথা। কিতাপখনত গোটাদিয়েক ছবি বা চিত্ৰও দিয়া হৈছে। আজিকালি বঙলা কিতাপ কাকতত চিত্ৰৰ বানপানী। কিন্তু বঙালী চিত্ৰকৰসকলে থিয়েটৰী সাজপাৰেৰে, থিয়েটৰী গঢ়েৰে আৰু তাৰ আহিৰেই য়ুৰোপীয়সকলে কিতাচালিৰ ওপৰত ছাপি দিয়া ছবিৰ যি নমুনা উলিয়াইছে, প্ৰকৃত চিত্ৰৰ সেই travesty বোৰ দেখি দেখি মুখ সিবিকিয়াবলৈ ধৰে। তেনেবোৰ ছবি আকৌ আমাৰ কিতাপবোৰৰ



কাকতত উঠা দেখিবলৈ পালে গ্ৰন্থকাৰে পাতনিত উল্লেখ কৰা ধৃতৰাষ্ট্ৰৰ বিলাপ মনত পৰি যায়,—"তদানাশংসে বিজয়ায় সঞ্জয়।" কিতাপখনৰ যেটি পাতত এটা ছবি আছে "মৌৰ" বা পোনক এটাৰ ওপৰত কৃষ্ণ বহি বাঁহী বজাইছে। এই কৃষ্ণক দেখিছো নাওঠা বালগোপাল। কৃষ্ণ যেতিয়া বাঁহী বজাব পৰা হৈছিল, তেতিয়া তেওঁৰ ককালত পীতবস্ত্ৰ নাছিল জানো? এনে বিপৰ্য্যয়ৰ কাৰণেই হৈছে বঙালী চিত্ৰকৰে মচলা দি চিত্ৰ বান্ধি দিয়ে, আৰু আমি নাভাবি নিচিন্তি টকালি পাৰি থাওঁ।

**ডেকা হৰুৱাৰ বুলনী।** সাহিত্যভূষণ ডাক্তৰ শ্ৰীমহানন্দ বৰুৱা প্ৰণীত। এই ক্ষুদ্ৰ কিতাপখনিত ছটা ব্যঙ্গ কবিতা আৰু পাঁচোটা সৰু গল্প আছে। কিতাপখন পাই লেখকৰ শলাগ লৈছোঁ। গল্পবোৰৰ ভাষা আৰু লেখিবৰ প্ৰণালী ভাল।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# শব্দতত্ত্ব

আদিম ভাষা কেনেকৈ সৃষ্টি হৈছিল তাক জানিবৰ কোনো উপায় নাই। এই বিষয়ৰ কোনো কিতাপ বা বুৰঞ্জী নাই। ভাষাৰ লগে লগে নানাবিধ বৈজ্ঞানিক প্ৰক্ৰিয়াৰ দ্বাৰাই ভাষাৰ বিকাশ হয়। শিশুৰ অন্তৰত যেতিয়া ভাব ওপজে তেতিয়া ভাষাৰ সৃষ্টি হয়। যি বাক্যৰে মনৰ ভাব প্ৰকাশ কৰিব পৰা যায় তাকে ভাষা বুলিব পাৰি। মানুহে লৰা কালত যে প্ৰথমে কথা কব পৰা হয় গতিকে শিশুৰ ভাষাক বৈজ্ঞানিক চকুৰে চাই ভাষাৰ আদিম অৱস্থাৰ বিষয়ে আমি অলপ আভাস পাব পাৰোঁ।

মনৰ ভাব ভাষাৰে প্ৰকাশ কৰিবলৈ হলে বাক্‌শক্তিৰ দৰকাৰ। বাক্য স্ফুৰণ হবৰ আগেয়ে শিশুৰ অন্তৰত ভাব উদয় হলে সি তাক অঙ্গ চালনাৰ দ্বাৰাই প্ৰকাশ কৰিবৰ প্ৰয়াস পায়। এই অঙ্গচালনাৰে ভাব প্ৰকাশ কৰোঁতে কমকৈ বা বেছিকৈ শৰীৰৰ সকলো অঙ্গই চালিত হয়। অৱশ্যে বেলেগ বেলেগ ভাব প্ৰকাশ কৰোঁতে অঙ্গবিশেষৰ অধিক চালনা হয়। যেনে, খং উঠাৰ সময়ত শাৰীৰিক শক্তি বিকাশৰ প্ৰধান অঙ্গ হাতৰ বেছিকৈ চালনা হয়। ভাষাৰ প্ৰধান অঙ্গ মুখ, সকলো ভাব প্ৰকাশ কৰোঁতে মুখৰ চালনা হয়। সেই কাৰণে শিশুৰ মনত ভাব উপজিলে অঙ্গভঙ্গি আৰু বাক্য স্ফুৰণ প্ৰায় একে লগেই হৈ থাকে। ভাব প্ৰকাশ কৰোঁতে মুখৰ পৰা শব্দ ওলালে প্ৰথমতে শৰীৰৰ অঙ্গও লগে লগে চালিত হয়। কিন্তু লাহে লাহে অঙ্গ চালনা কমি যায় আৰু মুখৰ ক্ৰিয়া অৰ্থাৎ বাক্যস্ফুৰণ বেছি হয়।

ভাষা সৃষ্টি কৰিবৰ কাৰণে আগেয়ে বাক্‌শক্তি বা শব্দৰ দৰকাৰ। ওপজাৰ লগে লগে শিশুৱে মুখেৰে শব্দ কৰিব পাৰে; কিন্তু সেই শব্দ বা ধ্বনিয়ে শিশুৰ মনৰ ভাব প্ৰকাশ কৰাত অলপো সহায় নকৰে। যিমান দিনলৈকে শিশুৱে শব্দই মনৰ ভাব প্ৰকাশ কৰিব নোৱাৰে সিমান দিনলৈকে সি অঙ্গৰ আওভাৱেৰে মনৰ ভাব প্ৰকাশ কৰিবৰ প্ৰয়াস পায়। আৰু তেতিয়ালৈকে শিশুৰ শব্দ ধ্বনি মাথোন। শব্দই ভাষাৰ মূল। বাক্‌শক্তি বা শব্দ-ব্যৱহাৰৰ ক্ষমতা নহলে ভাষা হব নোৱাৰে। গতিকে ভাষা সৃষ্টিৰ আগতে শব্দৰ সৃষ্টি। শব্দ সৃষ্টিৰ আগেয়ে ধ্বনিৰ সৃষ্টি আৰু তেতিয়া শৰীৰৰ ভাৱভঙ্গিৰে মনৰ ভাব প্ৰকাশ কৰা হয়। সিয়ে ভাষাৰ কাম কৰে।

ধ্বনি আৰু বৰ্ণভেদ লৈ শব্দ দুবিধ। "শব্দো ধ্বনিশ্চ বৰ্ণশ্চ"—ভাষা পৰিচ্ছেদ। অৰ্থ থকা আৰু কণ্ঠ তালু আদি বৰ্ণৰ উচ্চাৰণৰ ঠাইৰ পৰা উৎপন্ন ধ্বনিয়েই প্ৰকৃত শব্দ। আৰু যি শব্দ শঙ্খ-মৃদঙ্গাদিৰ পৰা ওলায় সি অকল ধ্বনি হে। তাৰ দ্বাৰাই বৰ্ণবিশেষৰ জ্ঞান বা অৰ্থবোধ নহয়। শব্দতত্ত্ব সম্বন্ধে প্ৰাচীন ভাৰতবৰ্ষত দাৰ্শনিক আৰু বৈয়াকৰণসকলে যি সিদ্ধান্ত কৰি গৈছে, পাশ্চাত্য

জগতৰ সেই বিষয়ৰ আলোচনাই তাৰ ওচৰ চাপিব নোৱাৰে। তাহানি কালতে মিছৰ আৰু গ্ৰীছত 'শব্দ-তত্ত্ব'ৰ বিষয়ে আলোচনা হৈছিল সঁচা; কিন্তু ভাৰতবৰ্ষৰ গৱেষণা অতি ওখ ধৰণৰ। শব্দৰ উৎপত্তি আৰু বিনাশ নাই। মীমাংসা সিদ্ধান্তত শব্দৰ কাৰণো নাই বিনাশো নাই। শব্দ স্বতঃসিদ্ধ; নাশ হোৱা বস্তুৰ ধৰ্ম্ম ইয়াত নাই।

শব্দ বা ধ্বনি সদায় আমাৰ ভিতৰত আছে আৰু বাক্ইন্দ্ৰিয়ৰ চালনা কৰিলেই ইয়াৰ প্ৰকাশ হয়। বেদৰ নিত্যত্ব প্ৰমাণ কৰিবৰ কাৰণে যাজ্ঞিক আৰু মীমাংসক সকলে শব্দৰ নিত্যত্ব সমৰ্থন কৰিছে। শব্দ নিত্য নহলে মন্ত্ৰ ব্ৰাহ্মণৰূপ শব্দময়ী শ্ৰুতি বুলি কেতিয়াও প্ৰসিদ্ধি লাভ কৰিব নোৱাৰিলেহেঁতেন। বেদক শব্দব্ৰহ্ম বোলা হয়। শব্দৰ দুটা ৰূপ আছে এটা বাহিৰৰ আৰু এটা ভিতৰৰ। কাৰ্য্য শব্দ বাহ্য অৰ্থাৎ বহিৰিন্দ্ৰিয়ৰ গ্ৰাহ্য। নিত্য শব্দ দেহৰ ভিতৰত থাকে। ই অতি সূক্ষ্ম আৰু অনুমানগম্য। "আত্মা বুদ্ধ্যা সমেত্যাৰ্থান্ মনো যুঙ্‌ক্তে বিবক্ষয়া। মনঃ কায়াগ্নিমাহন্তি সঃ প্ৰেৰয়তি মাৰুতম্॥" আত্মাই অন্তৰত হোৱা ভাববিলাক বুদ্ধিৰ দ্বাৰাই প্ৰকাশ কৰিবৰ কাৰণে মনক নিযুক্ত কৰে। মনে দেহৰ ভিতৰত থকা অগ্নিত আঘাত কৰে বা স্পন্দন জন্মায়। এনেকৈ উৎপন্ন বায়ু তলৰপৰা শৰীৰৰ ওপৰলৈ উঠি আহি কণ্ঠ, তালু আদি বৰ্ণোচ্চাৰণৰ ঠাইত আঘাত পাই ক, খ, আদি বেলেগ বেলেগ বৰ্ণৰ আকাৰ ধাৰণ কৰে। অকল উচ্চাৰণৰ ঠাইবোৰতেই শব্দৰ উৎপত্তি আৰু লয় নহয়। বাস্তৱিকতে শব্দৰ সূক্ষ্মবীজ শৰীৰৰ ভিতৰৰপৰা আহে। কণ্ঠ, তালু আদি ঠাইবোৰে তাক ব্যক্ত কৰে মাথোন।

"নিত্য শব্দ বিকাৰবৰ্জ্জিত, উৎপত্তি আৰু বিনাশ ৰহিত।" এই নিত্য শব্দই সকলো শব্দৰ মূল। 'ওঁকাৰ মেবেদং সৰ্ব্বম্' এই শ্ৰুতিৰদ্বাৰাই প্ৰণৱকেই বিশ্বসংসাৰৰ প্ৰসূতি বোলা হৈছে। বেদাদি শাস্ত্ৰবিলাক গায়ত্ৰীৰপৰা উৎপন্ন। গায়ত্ৰীয়ে আকৌ প্ৰণৱৰপৰা শক্তি লাভ কৰিছে। এনেকৈ সমুদায় বাঙ্ময় জগৎ সূক্ষ্মভাৱে চাবলৈ গলে প্ৰণৱৰ পৰিণতি মাথোন। তন্ত্ৰপদ্ধতিত বৰ্ণাত্মক বীজমন্ত্ৰৰ জপ আৰু সাধনাকেই মোক্ষ আৰু পৰমপদ লাভৰ একমাত্ৰ উপায় বুলি কোৱা হৈছে। উপনিষদতো শব্দ ব্ৰহ্মোপাসনাৰ কথা উল্লেখ আছে। হিন্দুবিলাকে শব্দক ইন্দ্ৰিয়ৰ আঘাতৰপৰা উৎপন্ন ক্ষণস্থায়ী, সামান্য বস্তু বুলি ভবা নাই। তেওঁবিলাকৰ মতে শব্দৰ যথাৰ্থ ৰূপ "স্ফোট"। শব্দ মানুহৰ ভাব প্ৰকাশৰ এটা কল্পিত উপায় মাথোন নহয়। সকলো প্ৰকাৰ অৰ্থ সূক্ষ্মৰূপে শব্দত অধিষ্ঠিত আছে।—অনুবিদ্ধমিৱ জ্ঞানং সৰ্ব্বং শব্দেন ভাসতে। হিন্দুবিলাকৰ 'স্ফোটবাদ' শব্দতত্ত্বৰ চৰম সিদ্ধান্ত।

মুখেৰে উচ্চাৰণ কৰা ধ্বনিকেই আমি ভাষাৰ শব্দ বোলো। কিন্তু মুখৰপৰা ওলোৱা সকলো ধ্বনি শব্দ নহয়। মুখেৰে এটা স্বৰবৰ্ণ বা ব্যঞ্জনবৰ্ণ উচ্চাৰণ কৰিলেই শব্দ নহয়। স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ যোগত কোনো এটা অৰ্থপূৰ্ণ ধ্বনিকে শব্দ বোলো।

শব্দ উচ্চাৰণ কৰোঁতে কোন কোন অঙ্গ-প্ৰত্যঙ্গৰ চালনা হয় তাক অকল এশব্দটো উচ্চাৰণ কৰোঁতেই গম পোৱা যায়। সকলো শব্দ উচ্চাৰণ কৰোঁতে ডিঙি, তালু জিবা আদি সকলো অঙ্গ সমানভাৱে চলোৱা নহয়। জিবাই উচ্চাৰণৰ প্ৰধান প্ৰত্যঙ্গ। জিবা নহলে শব্দ উচ্চাৰণ কৰিব নোৱাৰি। বেলেগ বেলেগ শব্দ উচ্চাৰণ কৰোঁতে বেলেগ বেলেগ অঙ্গ কমকৈ বা বেছিকৈ ব্যৱহাৰ কৰিবৰ দৰ্কাৰ হয়। আকৌ জিবাখন দাঁতত লগাই উচ্চাৰণ কৰিলে এক ৰকম ধ্বনি ওলায় আৰু জিবাখন তালুত লগাই উচ্চাৰণ কৰিলে আন ৰকমৰ ধ্বনি ওলায়। বাক্য উচ্চাৰণ কৰোঁতে প্ৰথমতে হাওঁফাওঁৰপৰা বতাহ ওলায়। আৰু সেই বতাহ ডিঙিয়েদি আহি মুখৰ ভিতৰৰ অঙ্গবোৰত আঘাত কৰে। অঙ্গৰ চালনা কৰিলে মুখৰপৰা ধ্বনি ওলাই পাৰে। মুখ জপাওঁ আমি কেতবিলাক শব্দ উচ্চাৰণ কৰো। সকলো শব্দ উচ্চাৰণ কৰোঁতে সকলো অঙ্গ সমানুভাৱে সঞ্চালন কৰিলে শব্দবিলাকৰ বিভিন্নতা কাণেৰে ধৰিব নোৱাৰি। মুখেৰে শব্দ উচ্চাৰণ কৰিলে এটাৰপৰা আনটোক বেলেগ ধ্বনি বুলি কাণেৰে বুজিব পৰা হব লাগিব।



শব্দ-শাস্ত্ৰত 'শব্দ' বোলোঁতে মুখৰপৰা যি ধ্বনি ওলায় অকল যে তাকে হে শব্দ বোলে এনে নহয়। ধ্বনিটো উচ্চাৰণ কৰোঁতে ডিঙি যিভাৱে লৰচৰ হয়, জিভাখন কোন ঠাইত ৰখা হয় ইত্যাদি প্ৰক্ৰিয়াকো শব্দ বোলে। "When we talk of the sound 'S' we mean (1) the shape of the throat and the position of the tongue by which it is produced and (2) the hiss which is the result of sending the breath through the passage thus formed"—Henry Sweet.

শব্দক ভাষাত প্ৰয়োগ কৰিবলৈ হলে বাক্‌শক্তিৰ দৰ্কাৰ। বাক্ ইন্দ্ৰিয়ৰ চালনা ব্যতিৰেকে শব্দ ভাষা হব নোৱাৰে। গতিকে ভাষাৰ উৎপত্তিৰ কাৰণে শব্দৰ যেনে দৰ্কাৰ বাক্‌শক্তিৰ তেনে দৰ্কাৰ। বাক্ ইন্দ্ৰিয়ৰ দ্বাৰা হে শব্দ প্ৰকাশ পায়। ইতৰ জীৱবোৰেও বাক্ ইন্দ্ৰিয়ৰদ্বাৰা শব্দ কৰি সুখ-দুখ প্ৰকাশ কৰে। কিন্তু সিহঁতে ভাষাৰে নিজৰ ভাববোৰ আনৰ আগত প্ৰকাশ কৰিব নোৱাৰে। সেই কাৰণে ইতৰ প্ৰাণীৰ জ্ঞান সীমাবদ্ধ। এটা কুকুৰ বৰ প্ৰভুভক্ত চালাক-চতুৰ হব পাৰে; কিন্তু তাৰ ভাষা নথকাৰ কাৰণে সি তাৰ লগৰীয়াবোৰক তাৰ সমান কৰি নিব নোৱাৰে। গতিকে তাৰ জ্ঞান তাৰ মৃত্যুৰ লগে লগে অন্ত পায়। বাক্‌শক্তি সভ্যতা বিস্তাৰৰ প্ৰধান উপায়। বাক্‌শক্তিৰ অধিকাৰী হৈ হে মানুহ ইতৰ জীৱতকৈ শ্ৰেষ্ঠ হৈছে। মনৰ ভাব শব্দেৰে প্ৰকাশ কৰিব নোৱাৰা হলে মানুহৰ চিন্তা-শক্তি লয় পালেহেঁতেন। বাক্‌শক্তিৰ অবিহনে মানুহৰ পূৰ্ণ বিকাশ অসম্ভৱ।

"বাগেৱ বিশ্বা ভুৱনানি জজ্ঞে"—শ্ৰুতি। পৰম পুৰুষৰ মুখৰপৰা ওলোৱা বাক্যৰপৰাই বিশ্ব-প্ৰপঞ্চৰ সৃষ্টি হৈছে। "বাক্যৰূপ ব্ৰহ্মা আৰু নাম বা সংজ্ঞাৰূপ জৰীৰদ্বাৰাই ই বিশ্ব জগৎ প্ৰথিত হৈ আছে।" অমৃত বা মৰণশীল পদাৰ্থ মাত্ৰেই শব্দৰ পৰিণাম।

ৰূপ আৰু সংজ্ঞাৰ দ্বাৰাই পদাৰ্থবোৰৰ পৃথকত্ব থিৰাং কৰিব পাৰো। ৰূপ আৰু নাম নহলে বহুত একত্ৰত মিলি যাব। যি নামৰ সহায়েৰে পদাৰ্থবোৰৰ বিভিন্নতাৰ জ্ঞান হয় সি শব্দ মাথোন। শব্দ বা বাক্য ব্যৱহাৰ নহলে ব্যষ্টিভাৱে বিশ্বব্ৰহ্মাণ্ডৰ কোনো বিষয়ৰে আমাৰ পূৰ্ণ জ্ঞান নহলহেঁতেন। হাত-মুখ আদি দৈহিক অঙ্গ-প্ৰত্যঙ্গৰ আওভাৱেৰে আমি সকলো সময়তে সকলো মনৰ ভাব আনৰ আগত ভালকৈ প্ৰকাশ কৰিব নোৱাৰো। বস্তুৰ সংজ্ঞা নিৰ্দ্দেশ বা নামকৰণৰ কাৰণে শব্দ-ব্যৱহাৰেই উজু পন্থা। "অনীয়স্যাশ্চ শব্দেন সংজ্ঞা কৰণং ব্যৱহাৰাৰ্থং লোকে" নিৰুক্ত। শিশুৰ শব্দব্যৱহাৰৰ ক্ষমতা লাভৰ আগেয়ে আৰু বেলেগ বেলেগ ভাষা কওঁতা মানুহৰ ভিতৰত এজনে আনজনৰ ভাষা বুজিব নোৱাৰা হলে অঙ্গভঙ্গী ভাব প্ৰকাশৰ প্ৰয়াস মাথোন।

শ্ৰীসুৰেন্দ্ৰমোহন দাস, এম-এ

---

# বৰাহী-জাতি

আজি আসামৰ এটা সুদিন বুলি ধৰিব পাৰি, যিহেতু অসমৰ তলত পৰিথকা জাতি কিছুমানৰ স্বকীয় গৌৰব স্মৰণ কৰাই উন্নতিৰ অৰ্থে, নিজ নিজ জাতিৰ লোকসকলত যাতেও ব্ৰাহ্মণ, কায়স্থাদি উচ্চবৰ্ণৰ লোক সকলৰ দুই-এজনেও এইবিষয়ে নিজে কৰিব পৰাখিনিলৈকে অহোপুৰুষাৰ্থ কৰিছে আৰু শাস্ত্ৰাদিৰ সহায়েৰে সেই কাৰ্য্যত সহৃদয়তা দেখুৱাইছে। সেই মহৎ লোকসকলৰ সজ উদ্দেশ্য সাধন কৰিবলৈ পাৰগ হবলৈ যেন ঈশ্বৰে তেওঁবিলাকক যথেষ্ট বল দিয়ে এয়ে আমাৰো ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা।

এনে এজন লোকৰে সেই বিষয়ক এটা কথাত আমাৰ মত নিমিলাত, তাক ৰাইজৰ আগত দাঙি

ধবিলো। "আসাম চুতীয়া সম্মিলনৰ ১ম অধিবেশনত" সভাপতি ডাঙৰীয়াই, "মই অন্তৰেৰে সৈতে মোৰ অসম জননীৰ সন্তান সকলো জাতৰ, সকলো শ্ৰেণীৰ ভাতৃবৃন্দক ভাল পাওঁ। সকলো জাতৰ সকলো শ্ৰেণীৰ বাইজৰ উন্নতিত মোৰ দেশৰ উন্নতি বুলি ভাবো।" বুলি কৈ উক্ত অভিভাষণত চুতীয়া, বৰাহী আৰু দেউৰী এই তিনি জাতৰ প্ৰতি বৰ্ত্তমান হিন্দুসকলৰ কেনে দৃষ্টি হোৱা উচিত তাকো তেখেতে বিশদভাবে বুজাইছে। তেখেতে চুতীয়া আৰু দেউৰীসকলৰ বিষয়ে যি কৈছে তাত আমি একো কব নোখোজো, কিন্তু বৰাহীবিলাকৰ বিষয়ে যি কেইটা কথা অপ্ৰাসঙ্গিক যেন বোধ হৈছে তাকেহে কম।

এইজন্যে "সদীয়া ৰাজ্যৰ পুৰণি তত্ত্ব"ত আহোম আৰু চুতীয়াৰ সংঘৰ্ষ বিষয়ত লিখিছে—"আহোমসকলে যেতিয়া পাটকাইৰপৰা সমথলৈ নামিছিল সেই সময়ত গড়গাৰীত এজন চুতীয়া ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যৰ সীমা পূবে সদীয়া, পশ্চিমে শিৱসাগৰ, উত্তৰে দৰঙলৈকে আছিল। আহোমে প্ৰথমে আদি আৰু বৰাহ নামৰ দুই খেলৰ লগত ৰণ-বিগ্ৰহ কৰি আদি আৰু বৰাহীক ঘটুৱাই আনি চুতীয়াসকলেৰে সৈতে লেপ্ লেপ্ যুদ্ধ আৰম্ভ কৰিলে,'—(১৩ শ বছৰ বাঁহী ১৫১ আৰু ১৫২ পিঠি)। সেই কেইটি কথাকে উক্ত সন্মিলনৰ সভাপতি ৰূপে কি কৈছে তাকো তলত দিলো—"আহোমসকলে যেতিয়া পাটকাইৰপৰা সমথলৈ নামিছিল সেই সময়ত এজন চুতীয়া ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যৰ সীমা আছিল, পূবে সদিয়া, পশ্চিমে শিৱসাগৰ, উত্তৰে দৰং, দক্ষিণে পাটকাই। আহোমে প্ৰথমতে মৰাণ আৰু বৰাহী নামৰ দুই জাতৰ লগত ৰণ-বিগ্ৰহ কৰি মৰাণ আৰু বৰাহীৰ ৰাজ্য কাঢ়ি ললে। ইয়াৰ পাছত চুতীয়া সকলেৰে সৈতে লেপ্ লেপ্ যুদ্ধ আৰম্ভ কৰিলে।" (১৫ শ বছৰ বাঁহী ২৩৩ পিঠি)।

ছপা হোৱা আসাম বুৰঞ্জী কেইখনত উক্ত চুতীয়া ৰজাৰ কথা পোৱা নাযায়। আদি আৰু বৰাহ নামৰ দুইখেলৰ (তেখেতৰ মতে চুতীয়াৰে) লগত আহোমে পাটকাই পাৰ হৈ যুদ্ধ কৰাৰ কথাও দুবছৰৰ পিছত তেখেতে নিজেই বুৰঞ্জীৰে সৈতে সামঞ্জস্য ৰাখি মৰাণ আৰু বৰাহী দুই জাতত পেলালেহি। কিন্তু তেওঁলোকৰ ৰজা থকা কথাটো নোলাল। বুৰঞ্জীয়ে যদিও কয়—মটক বৰগোহাঞি ৰজাক আৰু বৰাহীৰ থাকুমথা ৰজাক প্ৰথমে আহোমে জয় কৰি লগুৱা কৰিছিলহি।

"সদীয়া ৰাজ্যৰ পুৰণি তত্ত্ব"—এখেন বৰাহী নাম লৈ আগৰ দৰেই ৰল।"—(১৩ শ বছৰ বাঁহী ৫২ পিঠি) "বৰাহীসকল আগৰ দৰেই মদ ভাতে মুৰগীয়ে খোৱাতে আছে।" (১৩ শ বছৰ বাঁহী ১৭১ পিঠি) এই দুটি কথায়ো বৰাহীক চুতীয়াৰ অন্তৰ্গত এটা খেল বা শাখা বিশেষ মাত্ৰ বুলি ধৰি লোৱাৰ প্ৰমাণ দিয়ে। কিন্তু দুবছৰৰ পিছত "সেই দৰে চুতীয়াসকলৰ অভ্যুদয়ৰ কালত কোনো কোনো বৰাহীও চুতীয়াৰ ভিতৰত সোমাইছিল। বৰ্ত্তমান দেউৰী আৰু বৰাহীসকলৰ আচাৰ-নীতি পৃথক, তেওঁলোকৰ সৈতে চুতীয়াসকলৰ বিবাহাদি কোনো আদান-প্ৰদান নাই; কিন্তু যদি কোনো বৰাহী বা দেউৰীয়ে অখাদ্য ত্যাগ কৰি চুতীয়াৰ ভিতৰত ভুক্ত হব খোজে তেন্তে সেইসকলকো আমাৰ চুতীয়া ভাতৃসকলে গুৰুধৰৰ সন্মত লৈ নিজৰ ভিতৰত ভুক্ত কৰি ললে ভালত বাজে একো হোৱা নহয়।" (১৫ শ বছৰ বাঁহী ২৯২ পিঠি) এই দৰে কৈ আওপাকে পৃথক জাতি বুলিও স্বীকাৰ কৰা যেন লাগে। ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াই তেখেতৰ বুৰঞ্জীত "বৰাহীবিলাক চুতীয়াৰে এক উপজাতি মাত্ৰ" বুলি কৈছে।

"বৰাহীসকল আহোম ৰজাৰ দিনত ৰজাঘৰৰ গাহৰি ৰক্ষক বা পালক আছিল"—(১৩ শ বছৰ বাঁহী ১৭৩ পিঠি) এইদৰে লিখিছে। কিন্তু এই বিষয়ে উক্ত ৰায় বাহাদুৰ ডাঙৰীয়াই তেখেতৰ "আসাম বুৰঞ্জী"ৰ ৭ম অধ্যায়ত কি লিখিছে তাক চক:—"চৰাই দেৱত নগৰ কৰাৰ পাছত নইক লোৱা দেশখনি যেতিয়া সুথিন হল চুকাফাই ভাবিলে গোলে হেঙ্গদানেৰে বশ কৰাতকৈ কুকুৰাৰে পৰাজিত লোকসকলক শীঘ্ৰে বশ কৰিব পাৰি। এইমতে বিবেচনা কৰি মটক আৰু মৰাণবিলাকক পড়িভাৰী, বাড়ী-চোৱা আৰু বৰাহীবিলাকক চাওমাই, জৰা-



ধৰা, ভড়ালী, বেজ আৰু কুকুৰাচোৱা এনেবিলাক বিষয়ী কৰ্ম্মত নিযুক্ত কৰিলে।" গেইট ছাহাবেও তেওঁৰ বুৰঞ্জীত এনেকৈয়ে হে কৈ যদিও ইমান বিতংকৈ নিযুক্ত কাৰ্য্যৰ বিৱৰণ দিয়া নাই। এই বিষয়ে তামুলীফুকনৰ বুৰঞ্জীয়ে কি কয় আমি কব নোৱাৰিলো, কিয়নো সেই বুৰঞ্জীখন আমাৰ আছিল যদিও কোনোবা পাঠকে পঢ়িবলৈ খুজি নি আত্মসাৎ কৰাতেপৰা সেই বুৰঞ্জীত চকু ফুৰাবলৈ আমি সুযোগ পোৱা নাই।

আকৌ উক্ত ১৭৩ পিঠিৰ বাঁহীতে "বৰাহীসকল চাওঘৰতো থাকে আৰু মাটিতো থাকে সেই কাৰণে তেওঁলোক চাঙী আৰু মাটি বৰাহী নামে দুই খেলত বিভক্ত।" এইদৰে লিখিছে।

এতিয়া প্ৰশ্ন হৈছে- (১) বৰাহী চুতীয়াৰে ঠেঙুলি নে আন এটা পৃথক জাতি। (২) পৃথকেই হক বা চুতীয়াৰ এটা ঠেঙুলিয়েই হক উক্ত সভাপতি ডাঙৰীয়াৰ কথাখিনি উচিতৰূপে কোৱা হৈছে নে? আৰু যিবিলাক কোৱা হৈছে সেইবিলাক তেখেতৰ নিজা কাল্পনিক নে কোনোবা কিবা পুৰণি পুথি-পাজিৰ আশ্ৰয় লৈ লিখা। আশ্ৰয় যদি কিবা আছে তাক বাঁহীৰ আগত তেখেতে দাঙি ধৰি সকলোৰে কৌতুহল পূৰ্ণ কৰে যেন।

"আসামৰ আঠোটা জাতিৰ বিৱৰণ" লিখকে বেছকৈ দেখুৱাইছে যে বৰাহী এটা পৃথক জাতি, যদিও আহোম আৰু চুতীয়া জাতিৰ হেঁচা-টেপাত নিজৰ অস্তিত্ব নাইকিয়া হৈছে। কিন্তু বৰদলৈ ডাঙৰীয়াই এইজাতিৰ লোকে "মদে, ভাতে মুৰগীয়ে খোৱাতে" কৰবাত পাইছে। কত পাইছে আৰু কিমান সংখ্যাত সেই লোকবোৰ আছে তাকো জনালে আৰু ভাল হব। কিন্তু আমি জানোতে Census Report বোৰ এই বিষয়ে নিমাত। এই পুস্তকত হৰ-পাৰ্ব্বতী সম্বাদ তন্ত্ৰৰপৰা নৰকাসুৰৰ জন্মৰ বিষয়ে যি লিখিছে সেই কথা এই ৰজাৰ বংশীয় পিছৰ ৰজাসকলে ব্ৰাহ্মণসকলক দিয়া তামৰ ফলিবোৰত থকা বিৱৰণে সৈতে মিলে। দশম স্কন্ধ ভাগৱতত নৰকাসুৰ বধ লীলাতো অনন্ত কন্দলিয়ে—

• • •

আৰু হেন ইতিহাস কথা আছি শুনি।
যৈসানি বৰাহে তুমি আনিল ধৰণী ॥
সিকালত অশুচি আছিল বসুন্ধৰী।
তাহান পৰশে কামাতুৰ হৈলা হৰি ॥
তেখনে বৰাহে তাক কৰিল শৃঙ্গাৰ।
কৃষ্ণ বীৰ্য্যে পৃথিবীৰ হৈলেক কুমাৰ ॥
সেহিতো নৰকাসুৰ হৈলেক দুৰ্জ্জয়।

• • •—এইদৰে লিখিছে।

নিজে দিয়া ফলিবিলাকত নিজৰ কথা ৰজাইকে লিখাব পাৰে; কিন্তু তন্ত্ৰ-ভাগৱতাদিত সেই ৰাজ-বংশবোৰৰ হাত নাছিল। সেইদেখি এই উৎপত্তিক অবিশ্বাস কৰিবৰ একো কাৰণ নাই, কিয়নো 'ভাগৱৎ-শাস্ত্ৰ'ক আজিলৈকে কোনো হিন্দুৱে আশঙ্কা কৰা দেখা নাই। ইংৰাজ লিখকসকলে অৱশ্যে এইবিলাক কথাত ভৰ নিদিয়ে। কাৰণ বুৰঞ্জী লিখক গেইট ছাহাবে তেওঁৰ বুৰঞ্জীৰ ২৯ পৃষ্ঠত এই আখ্যানবোৰক কেনেদৰে ? ভাক দেখুৱাই—

৫৩৯৬/অ:

"It is claimed by the        of this dynasty (Pralambha) that they were descended from Narak and Bhagadatta, but in the copper plates of the Pal Kings, who in their turn put forward the same claim, they are referred to as Mlechchhas or non-Hindus. The explanation doubtless is that both dynasties were of aboriginal origin and that when they rose to power, they were converted to Hinduism and fitted out with a noble ancestry by the Brahmans, who have always been adepts in procuring for themselves protection, favour and power by inducing the aboriginal chiefs to enter the fold of Hinduism on the fiction that they are descended from [illegible]

Hindu pantheon or some potentate in Hindu Mythology.

এতিয়া উক্ত আখ্যানৰ আশ্ৰয় লৈ যদি কোৱা হয় যে পৃথিবী আৰু বৰাহ এই দুই শব্দ সমাস নিষ্পন্ন হৈ হোৱা কথাত মাটি-বৰাহ ৰূপ পাই পিছলৈ এই উৎপত্তিৰেপৰা বাঢ়ি অহা মানুহৰ ঠালটোক মাটি-ৰবাহী বুলিছিল, আহোমৰ গাভৰি-ৰবীয়া, চাঙত নেথাকি মাটিত থকা জাতিটিক নহয়—ইয়াত তেওঁলোকৰ কিবা কবলৈ আছেনে?

সদায় পুৰণি পুথি-পাঁজি আৰু প্ৰত্ন-তত্ত্ব আলোচনাতে থকা বৰ্ত্তমান অসমীয়াৰ ভিতৰত এই কাৰ্য্যত অগ্ৰগণী শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াইও বৰাহী জাতিৰ তত্ত্ব বাবে মহা মেমজালিত পৰিছে—এওঁৰ ৪ৰ্থ বছৰৰ ১ম সংখ্যা 'চেতনাত' ওলোৱা "মাধৱ কন্দলি" প্ৰবন্ধ চক।

৬ষ্ঠ বছৰৰ 'চেতনাত' ২৬৩ ৰ পৰা ২৬৫ পৃষ্ঠাত "কৌস্তিলৰ ওচৰৰ বিবৰণ" বুলি যিটো প্ৰবন্ধ আছে তাৰপৰা বুজিব পাৰি যে সোমাৰত আহোমসকল সোমোৱাৰ আগতে যি কলিতা জাতিয়ে ৰাজত্ব কৰিছিল সেই জাতিকে আহোমসকলে উৎপত্তি মতে বৰাহী জাতি বুলি বুৰঞ্জীত নিৰ্দ্দেশ কৰিছে। নৰকাসুৰ বংশীয় ৰজা খিনিয়ে কলিবিলাকত ক্ষত্ৰিয় বুলি নিজক পৰিচয় দিছিল।

ক্ষত্ৰিয়ৰপৰা নামি নামো লোপ পাই কলিতা হোৱা কথাটো পণ্ডিত কি সৰ্ব্ব সাধাৰণ অসমীয়া সকলোৰে অবিদিত নহয়। এই ৰূপেই বৰাহী জাতি কলিতাই আছিল। যিখিনি আহোম চুতীয়াত সোমাই গল তেওঁলোকে সেই সেই জাতিতে বল। সেইদৰে নোসোমোৱাবোৰ আমাৰ বোধে কলিতাতে থাকি বৰাহী জাতি এতিয়া মৰি অস্ত পৰিল।

মৰি যোৱা জাতি এটাক কোনো হৈ চমা পেৰা যেনে, ভৰিবে গুৰিয়াই লখিয়াই লৈ ফুৰোৱাও তেনে। পৰিতাপৰ বিষয় এইহে যে নাশ্ৰুত-নাভূত কিছুমান কথা উলিয়াই এটা জাতিক হেয় জ্ঞান কৰাক জ্ঞানীসকলেও অকাৰ্য্য বুলি নেভাবে। বৰদলৈ ডাঙৰীয়াই নিজে ভাবি চাব আমি কিবা বঢ়াই কৈছো নে কি! তেওঁ অসমীয়া সাহিত্য-সেৱী ৰূপে আমাৰ চিৰ নমস্য। আৰু সেই বাবেহে আমি অনিচ্ছা স্বত্বেও এইখিনি কলোঁ; কিয়নো একোজন সুকবি বা সু লিখকৰ কথা সৰ্ব্বসাধাৰণৰ মনত "শিলৰ ৰেখা" যেন বোধ হয়। তেওঁলোকৰ কথাক অৱজ্ঞা কৰিবৰ আমাৰ এনে বিদ্যা-বুদ্ধি নাই, তথাপি কাণত যিটি কথা বাজি যায় তাক সুযুক্তিৰে লেখুৱালে আমাৰ কথাত কষ্ট হোৱাতকৈ সন্তুষ্ট হব বুলি বিশ্বাস কৰিহে লিখিলোঁ।

শ্ৰীবাপুৰাম দত্ত বৰুৱা

---

# ৺পুষ্পকান্ত শাস্ত্ৰী

১৮১১ শকত কামৰূপৰ অন্তৰ্গত সুপ্ৰসিদ্ধ বৰনৰ্দ্দী গাৱঁত ৺পুষ্পকান্ত শাস্ত্ৰী দেৱৰ জন্ম হয়। তেওঁৰ পিতাক ৺উগ্ৰকান্ত ভট্টাচাৰ্য্য নৰ্দ্দী গাৱঁৰ এজন গণ্য-মান্য লোক আছিল। তেওঁলোকে জ্যেষ্ঠ পুত্ৰ শাস্ত্ৰীদেৱক বৰ চেনেহ কৰিছিল আৰু বাল্যশিক্ষা লভিবৰ কাৰণে ছবছৰ বয়সতে গাৱঁৰ ওচৰৰে এখন নিম্নপ্ৰাইমাৰী স্কুলত ভৰ্ত্তি কৰাই দিয়ে। বৰ মনযোগেৰে পঢ়ি তেওঁ ৯ বছৰ বয়সতে, অতি দক্ষতাৰে নিম্ন প্ৰাইমাৰী উত্তীৰ্ণ হৈ, ইংৰাজী স্কুলত পঢ়িবলৈ মন মেলে; কিন্তু পিতাকে তাত অসন্মত হৈ পুৰুষানুক্ৰমে চলি অহা সংস্কৃতকে পঢ়িবলৈ আদেশ দিয়ে। গতিকে পিতৃ-আজ্ঞা পালন কৰি সুশিক্ষা লাভৰ কাৰণে নিজ গাৱঁৰ দুমাইল দক্ষিণে 'ৰাটুৱৰ' গাৱঁৰ সূৰ্য্যনাথ স্মৃতিতীৰ্থ দেৱৰ টোলতে পঢ়ে; কিন্তু তাত এবছৰ মান পঢ়ি কিবা অসুবিধাৰ কাৰণে সেই



টোলৰপৰা স্থানান্তৰ কৰি, গাৱঁৰ এমাইল দূৰৈত ৺কৃষ্ণপতি বিদ্যাবাগীশৰ টোলত দুবছৰ পঢ়ি সংস্কৃত প্ৰথম পৰীক্ষাত উত্তীৰ্ণ হয়। তাতে বিদ্যাবাগীশদেৱে মাহিলী ৭৲ টকা হিচাপে এটি বটা পায়।

ইয়াৰ এবছৰ পাছতে শাস্ত্ৰীদেৱে বৃত্তিৰ আশা কৰি আকৌ প্ৰথম পৰীক্ষাকে দিয়ে আৰু তেওঁৰ ইচ্ছানুযায়ী এটি বৃত্তি লাভ কৰে। প্ৰথম পৰীক্ষাত বৃত্তি পোৱাৰ দুবছৰ পাছত দ্বিতীয় পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ইয়াতো এটি বৃত্তি লাভ কৰে। তেওঁ বৃত্তি পোৱাৰ লগে লগে তেওঁৰ শিক্ষকেও মাহিলী দহ টকাকৈ এটি বটা পায়।

দ্বিতীয় পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ বিদেশত পঢ়িবৰ মন কৰি কুৰিগ্ৰামত পঢ়িব আৰম্ভ কৰে আৰু অতি মনযোগেৰে পঢ়ি কাব্য আৰু সাহিত্যৰ আদ্য, মধ্য দুয়োটা পৰীক্ষাতে সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰ পিছতে তেওঁ নবদ্বীপত পঢ়ি ন্যায় শাস্ত্ৰৰ আদ্য, মধ্য পৰীক্ষাত উত্তীৰ্ণ হৈ কাব্যৰ উপাধি-পৰীক্ষালৈ প্ৰস্তুত হয়। তেওঁ কাব্যৰ উপাধি চাৰি বছৰ পঢ়ে আৰু প্ৰায় যাবতীয় কাব্য-গ্ৰন্থ পঢ়ি শেষ কৰে। কাব্যৰ উপাধি-পৰীক্ষাত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰথমস্থান অধিকাৰ কৰে, আৰু কাব্যতীৰ্থ উপাধি লৈ অন্যান্য বহুতো সামাজিক উপাধি লয়।

ইয়াৰ পিছত তেওঁ নিজ জন্মভূমিলৈ আহি দ্বিতীয় বিবাহ কৰায়। দ্বিতীয় বিবাহৰ দুমাহমান পিছতে গাৱঁৰ অন্যান্য ভদ্ৰলোকসকলৰ অনুৰোধমতে আৰু নিজৰো অশেষ উদ্যম আৰু যত্নতে নিজ গাৱঁৰ মজলীয়া ঠাই এডোখৰত টোলৰ ঠাই নিৰ্দ্দিষ্ট কৰে। গতিকে শুভদিন চাই শুভ লগ্নত এদিন, নিজ পূৰ্ব্বপুৰুষৰ নাম অনুসাৰে টোলৰ নাম 'ৰমানন্দ পাঠশালা' নাম দি টোল আৰম্ভ কৰে। এজন সুদক্ষ পণ্ডিতে নতুনকৈ এখন টোল পতাৰ কথা শুনি নানা ঠাইৰপৰা বহুত লৰাই নতুন উৎসাহেৰে তেওঁৰ টোললৈ আহে আৰু এমাহমানৰ ভিতৰতে বাইশ, তেইশ জন মান লৰা হয়। টোল কৰি প্ৰথম বছৰতে তেওঁ দুজন লৰাক পৰীক্ষা দিয়ায়, আৰু দুয়োজনে পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে।

টোল পতা ঠাইখিনি তেওঁৰ ঘৰৰপৰা প্ৰায় আধা মাইলমান দূৰৈত। তাতে তেওঁ লৰা থাকিবলৈ কেইটিমান ঘৰ আৰু নিজেও থাকিবলৈ এটি ঘৰ কৰে। তেওঁ সদায় মনত স্ফূৰ্ত্তি লগাই থাকিবলৈ ভাল পাইছিল আৰু সেইবাবেই ছাত্ৰসকলৰ লগতে থাকি সদায় বিশ্ৰাম্ভালাপেৰে দিন কটাইছিল।

প্ৰতি বছৰে তেওঁৰ টোলৰপৰা লৰাই পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি পাইছিল আৰু সেই অনুযায়ী শাস্ত্ৰীদেৱেও মাহেকীয়া পুৰস্কাৰ পাইছিল। তেওঁ টোল কৰা দিনত ২২।২৩ টকা হিচাপে দুই তিনিবাৰ আৰু সাত আঠ টকা হিচাপে পাঁচ ছবাৰ পুৰস্কাৰ পায়।

অন্যান্য সামাজিক বিষয়তো তেওঁৰ যথেষ্ট উদ্যম আছিল। কোনো সভা-সমিতিলৈ নিমন্ত্ৰণ পালে তেওঁ যেৱে সকলো কামকে কাতিকৈ থৈ আগলৈ নগৈ নেথাকিছিল। সভাত গৈ যে জুপুকা মাৰি বহি থাকিব সেইটোও নহয়, তেওঁ অৱসৰ মতে সভাৰ মূল উদ্দেশ্য লৈ যেনে তেনে এটি সাৰুৱা বক্তৃতা দি সভ্যমণ্ডলীৰ মনত আনন্দ দিবই দিব। তেওঁৰ জীৱনৰ মহৎ উদ্যমৰ ভিতৰত ১৮৪৪ শকৰ চত মাহত নৰ্দ্দী গাৱঁত হৈ যোৱা "মহাবিষ্ণু যজ্ঞ"ও এটি। এই যজ্ঞ তেওঁ আহাৰ নিদ্ৰা পৰিত্যাগ আৰু অশেষ পুৰুষাৰ্থ কৰি সম্পন্ন কৰে। এই যজ্ঞ অতি সুচাৰুৰূপে হৈছিল আৰু টকাও প্ৰায় পাঁচ হেজাৰ মান খৰচ হয়। যজ্ঞকুণ্ডটোৰ ওপৰত সুন্দৰকৈ এটি টিনৰ ঘৰ কৰাইছে। আজিও এই যজ্ঞবেদীৰ ঘৰ নৰ্দ্দী গাৱঁত দেখিবলৈ পোৱা যায়। আৰু এতিয়া সি এখন দেৱালয়ৰ নিচিনা বিদ্যমান আছে।

আঠদিন যজ্ঞাহুতি প্ৰদানৰ পাছত যজ্ঞ সম্পন্ন কৰি শাস্ত্ৰীদেৱে নিজৰ কামত ব্ৰতী হব ধৰিলে। তেওঁৰ টোলখনৰ যাতে উন্নতি হয় তাৰ নিমিত্তে তেওঁ অশেষ যত্ন কৰিছিল। তেওঁ তেওঁৰ ছাত্ৰসকলৰপৰা যথেষ্ট শ্ৰদ্ধা আৰু ভক্তি পাইছিল। ছাত্ৰসকলে তেওঁক এজন মহাপুৰুষ যেন ভাবি সদায় সন্মান কৰিছিল। তেওঁৰ অমায়িক ব্যৱহাৰত সকলো মানুহ মুগ্ধ আছিল। ছাত্ৰসকলে তেওঁক সন্তুষ্ট ৰাখিবলৈ সদায় চেষ্টা কৰিছিল।

তেওঁ ছাত্ৰসকলক নিজৰ পুত্ৰেকৰ নিচিনা ভাবি অন্তৰেৰে সৈতে তেওঁলোকক নথৈ যতন কৰিছিল। তেওঁলোকৰ গুৰু-ছাত্ৰৰ সম্বন্ধ পিতা পুত্ৰৰ সম্বন্ধৰ দৰে স্নেহৰ ডোলেৰে বন্ধা আছিল। সৎ উপদেশৰে সহায় কৰাত তেওঁ কোনো ছাত্ৰকে পৰাঙ্মুখ নকৰিছিল।

শাস্ত্ৰীদেৱ যদিও এনে সুদক্ষ পণ্ডিত আছিল, তথাপি তেওঁৰ মনত অহং-মত্ততাৰ ভাব নাছিল। তেওঁ কেতিয়াও নিজক বৰ বুলি নেমানিছিল। তেওঁৰ গাত পিলপিতাৰ চিন সমূলি দেখা নগৈছিল। তেওঁ নিজৰ ধৰ্ম্মত যিবোৰ দোষ দেখিছিল, সেইবোৰ পুৰুষানুক্ৰমে চলি আহিলেও তাক মানি নচলিছিল, আৰু তাক গুচাবলৈ যথেষ্ট চেষ্টা কৰিছিল। তেওঁৰ স্বভাৱ সদায় উদাৰ আছিল। তেওঁ কাকো হিংসা নকৰিছিল আৰু তেওঁকো কোনেও হিংসা কৰা নাছিল। আনকি মৃত্যুৰ পাছতো কোনেও তেওঁৰ বিৰুদ্ধে এষাৰ কথাকে নকয়। কাৰোবাৰ লগত মতভেদ হলেও তেওঁ বিপক্ষজনক হিংসাৰ চকুৰে নেচাইছিল আৰু অনৰ্থক নানা অপবাদ ৰটনা কৰি কাৰো মনত দুখ দিবলৈ যত্ন নকৰিছিল। সকলো বিষয়তে তেওঁ ন্যায় পথত চলিছিল। এনে ন্যায়বান আৰু উদাৰ স্বভাৱৰ মানুহ সচাকৈয়ে দেশৰ ভূষণ।

মুঠতে মহামহোপাধ্যায় স্বৰ্গীয় দীৰেশ্বৰাচাৰ্য্যৰ মৃত্যুৰ পিছত কামৰূপত কাব্যৰ পণ্ডিত ৺পুষ্পকান্ত শাস্ত্ৰী কাব্যতীৰ্থই প্ৰথম আছিল বুলি কলেও একো বঢ়াই কোৱা নহয়। ইয়াৰ উপৰিও তেখেত প্ৰাচ্য আৰু পাশ্চাত্য উভয় ভাবৰে সামঞ্জস্য থকা এজন ভাল সামাজিক পণ্ডিত আছিল।

কিন্তু দুখৰ বিষয় এই যে, ১৮৪৮ শকৰ আহাৰ মাহৰ ১৮ তাৰিখ শনিবাৰে ১॥ বজাৰ সময়ত ওলাউঠা বেমাৰত পৰি, তেওঁ ইষ্ট-কুটুম্ব, বন্ধু-বান্ধৱ, পিতা-মাতা সকলোকে কন্দুৱাই এৰি ইহলীলা সম্বৰণ কৰিলে। তেওঁৰ মৃত্যুৰ পাঁচদিন পিছতেই তেওঁৰ পিতাকো ওলাউঠা বেমাৰতে মৰে। তেওঁৰ মাতৃ যদিও এতিয়া জীবিতা তথাপি পুত্ৰ আৰু স্বামীৰ শোকতে এতিয়া মৃত্যুতুল্যা। শাস্ত্ৰীদেৱ যদি আৰু দহ বছৰমান জীয়াই থাকিলহেঁতেন তেন্তে সমাজৰ যে কিমান উন্নতি হলহেঁতেন তাক কাগজেৰে লিখি অন্ত কৰিব নোৱাৰি।

আহা, আমি সকলোৱে ঈশ্বৰৰ ওচৰত তেওঁৰ মুক্তিৰ নিমিত্তে প্ৰাৰ্থনা কৰো।*

শ্ৰীভৈৰবচন্দ্ৰ ভট্টাচাৰ্য্য

* ১৮৪৮ শকৰ শাওণ মাহৰ ৩০ তাৰিখ ৰবিবাৰে হৈ যোৱা গৌৰীপুৰ "সুনীতি সাধিনী" সভাত পাঠ কৰা।

# শিৱজীৰ আগ্ৰা-যাত্ৰা

## শিৱজীৰ বিৰুদ্ধে জয়সিংহ

শিৱজীৰ আগ্ৰা যাত্ৰা তেওঁৰ জীৱনত এটা ডাঙৰ ঘটনা। কাৰণ মহাৰাষ্ট্ৰত মোগলৰ এজন প্ৰবল পৰাক্ৰমী শত্ৰুক হাতত পাই বাদছাহ আৰঙ্গজেবে তেওঁক বন্দী কৰি মহাৰাষ্ট্ৰ শত্ৰু-শূন্য কৰিবলৈ যি চেষ্টা কৰিছিল, সি ব্যৰ্থ হোৱাত ভাৰত বুৰঞ্জীৰ গতি বহুতো পৰিমাণে সালসলনি হল। আৰঙ্গজেবে মহাৰাষ্ট্ৰ বিজয়ৰ যি সপোন দেখিছিল, জীৱনৰ শেষ মুহূৰ্ত্তলৈকে তাক কাৰ্য্যত পৰিণত কৰিব নোৱাৰিলে। বিশ্ব-বিজয়ী বীৰ নেপোলিয়নৰ যশ যি দৰে কচ অভিযানে ধ্বংস কৰিছিল, সেইদৰে নেপোলিয়নৰ ডেৰ শ বছৰৰ পূৰ্ব্বে ভাৰতবিজয়ী প্ৰবল প্ৰতাপান্বিত আৰঙ্গজেবৰ পক্ষে মহাৰাষ্ট্ৰ কাল হল।

আফজল-বিজয়ী মহাৰাষ্ট্ৰবীৰ শিৱজীৰ হাতত পুনাত ছায়েস্তাখাঁৰ পৰাজয়ৰ বাতৰি পাই বাদছাহ মৰ্ম্মাহত হল। ছায়েস্তাখাঁৰ ওপৰত বাদছাহৰ বৰ আশা আছিল, যোৱাৰ



সময়ত ৰাতি ছায়েস্তাখাঁৰ পৰাজয়ত বাদছাহ বৰ বিৰক্ত হল; সেইবাবে ছায়েস্তাখাঁক লোনে লোনে বঙ্গদেশলৈ গৈ ছুবাদাৰৰ পদ লব লাগে বুলি হুকুম দিলে, আনকি বঙ্গদেশলৈ যাওতে আগ্ৰালৈ গৈ বাদছাহৰ লগত দেখা কৰিবলৈকে সময় নিদিলে; আওকলি এটি হেঁকৰাই ছায়েস্তা খাঁ বেজাৰ মনেৰে বঙ্গদেশলৈ আহিবলগীয়া হল। কিন্তু শিৱজীৰ বিৰুদ্ধে কাক পঠায়? অৱশেষত বাদছাহে মিৰ্জা ৰাজা জয়সিংহক পঠোৱা স্থিৰ কৰিলে, কাৰণ কেইবাটাও যুদ্ধক্ষেত্ৰত জয়সিংহৰ বীৰত্ব দেখি বাদছাহ তেওঁৰ ওপৰত সন্তুষ্ট হৈছে। জয়সিংহ পুনালৈ আহি শিৱজীৰ লগত যুদ্ধ কৰা কি দুৰূহ কাম, তাক বেছকৈ বুজি পালে; পাৰ্ব্বত্য প্ৰদেশত শিৱজীৰ দুৰ্গবোৰ সুৰক্ষিত, যাবলৈ ভাল বাট-পথো নাই, তাতে অচিনাকি ঠাই। সেইবাবে জয়সিংহই পুনাত বাহৰ পাতি শিৱজীৰ যত যিমান শত্ৰু আছিল, সকলোকে নিজৰ ফলীয়া কৰি শিৱজীৰ বিৰুদ্ধে ঠিয় কৰালে। কাৰণ তেওঁ বেছকৈ জানিছিল যে অকলে শিৱজীক যুদ্ধক্ষেত্ৰত পৰাজয় কৰা অসম্ভৱ, সেইবাবে শিৱজী যাতে চাৰিওফালৰপৰা আক্ৰান্ত হয়, তাৰেই আয়োজন কৰিলে; আৰু অৱশেষত শিৱজীও চাৰিওফালৰপৰা আক্ৰান্ত হৈ তেওঁৰ লগত সন্ধি প্ৰাৰ্থনা কৰিবলৈ বাধ্য হল। পুৰন্দৰৰ দুৰ্গত মোগলৰ লগত শিৱজীয়ে সন্ধি কৰিলে।

### আগ্ৰালৈ পঠোৱা যায় কেনেকৈ?

এতিয়া জয়সিংহই শিৱজীক কেনেকৈ আগ্ৰালৈ বাদছাহৰ ওচৰলৈ পঠাব পাৰে, তাৰেই উপায় চিন্তিবলৈ ধৰিলে। ধূৰ্ত্ত শিৱজীক আগ্ৰালৈ পঠোৱা সহজ কথা নহয়। শিৱজীক বুজনি দিয়া সত্বেও তেওঁ মান্তি হব কেনেকৈ? কাৰণ আৰঙ্গজেব এইবিলাক বিষয়ত চিৰপৰিচিত। যি আৰঙ্গজেবে সিংহাসনৰ কাৰণে নিজৰ ভায়েকৰ তেজেৰে দেশ ৰাঙলি কৰিছিল, সেই আৰঙ্গজেবক কোনোবাই বিশ্বাস কৰিব পাৰেনে? শিৱজীৰ বন্ধুসকলেই বা কি কাৰণে এনে বিপজ্জনক কামলৈ আগ বাঢ়িবলৈ শিৱজীক উপদেশ দিব? জয়সিংহই বুজালে যে আগ্ৰালৈ গলে কিজানি বাদছাহে তেওঁক দাক্ষিণাত্যৰ ছুবাদাৰ কৰিব পাৰে, নতুবা ফৌজ দি গোলকুণ্ডা বিজাপুৰ দমন কৰিবলৈ পঠাবও পাৰে। তদুপৰি বাদছাহে এনেবিধৰ কোনো প্ৰতিশ্ৰুতি দিয়া নাছিল। ইফালে শিৱজীৰো স্বাৰ্থ আছিল, আবিছিনীয় শত্ৰু সিদ্দিকক জলযুদ্ধত শিৱজীয়ে পৰাস্ত কৰিব পৰা নাছিল, বৰঞ্চ জঞ্জিৰা সিদ্দিকে দখল কৰিছে। বৰ্ত্তমানে সি মোগল বাদছাহত শৰণ লোৱাত, বাদছাহে তাক জঞ্জিৰা ওলোটাই দিবলৈ হুকুম দিবও পাৰে, তাৰ উপৰিও বিজাপুৰৰপৰা চৌথ আদায় কৰিবলৈ হুকুমো পাব পাৰে। এই প্ৰলোভন থকা সত্বেও আৰঙ্গজেবৰ কথা ভাবি তেওঁৰ মন কোচ খালে।

যি হওক অৱশেষত ৰাজপুত বীৰ জয়সিংহই শিৱজীৰ কোনো বিপদ নহয় বুলি শপত খোৱাত আৰু আগ্ৰাত থকা কেদিন তেওঁৰ পুতেক কুমাৰ ৰামসিংহই তেওঁক সকলো বিপদৰপৰা ৰক্ষা কৰিব বুলি শপত খোৱাত শিৱজী মান্তি হল।

### শিৱজীৰ আয়োজন

শিৱজী আগ্ৰালৈ যাওতে ৰাজ্য শাসনৰ কাম কিদৰে চলোৱা হব, তাৰেই দিহা তেওঁ লগাব ধৰিলে। এই সময়ত শিৱজীৰ আয়োজনবোৰলৈ চালে বেছকৈ বুজা যায় যে শিৱজী কেনেবিধৰ ৰাজনীতিক আছিল। তেওঁৰ প্ৰত্যেক কামতেই আমি ৰাজনৈতিক দূৰদৰ্শিতা আৰু কাৰ্য্যদক্ষতাৰ পৰিচয় পাওঁ। স্থানীয় শাসনকৰ্ত্তাসকলক প্ৰতি কথাতেই তেওঁৰ নাইবা কেন্দ্ৰ শাসনৰ হুকুমৰ তলতীয়া কৰি থলে শাসনৰ কামত বহুতো বাধা-বিঘিনি জন্মিব—এই কথাষাৰ তেওঁ বেছকৈ বুজিছিল। সেই কাৰণে দুৰ্গৰক্ষকবোৰক সম্পূৰ্ণ স্বাধীনতা দি তেওঁ আগেয়ে যি দৰে কাম চলাইছিল, সেইদৰেই সকলো কাম চলাবলৈ হুকুম দিলে। ইফালে তেওঁৰ আগ্ৰাত কোনো দুৰ্ঘটনা হলেও যাতে মাক জিজিবায়ে, "দেশ" শাসন চলাব পাৰে, তালৈও তেওঁৰ লক্ষ্য আছিল। পেশৱা মোৰো পান্ত, মজুমদাৰ নীলজী সোণদেব অন্নদত্তক কঙ্কন প্ৰদেশত স্বকীয়াভাৱে শাসন চলাব দিলে। দুৰ্গ ৰক্ষকসকলৰ সতৰ্কতাৰ পৰীক্ষা লবলৈ সকলো দুৰ্গতে আকস্মিক পৰিদৰ্শন কৰিবলৈ ওলাল। আগৰপৰা কোনো খবৰ

বাতৰি নিদি দুৰ্গৰ দুৱাৰ মুখত ঠিয় হৈ তেওঁ অহাৰ বাতৰি ভিতৰলৈ পঠায়—এইদৰে সকলো চাই-চিন্তি তেওঁ ৰাজগড়লৈ আহিল। মাতৃভক্ত শিৱজীয়ে মাতৃৰ আশীৰ্ব্বাদ নোলোৱাকৈকে আগ্ৰাযাত্ৰাৰ দৰে এনে এটা বিপজ্জনক কামত আগবাঢ়ে কেনেকৈ? তেতিয়া ১৬৬৬ সনৰ ফাগুন মাহ; গোটেই মহাৰাষ্ট্ৰ প্ৰদেশ পলাশ ফুলেৰে ৰাঙলি হৈ পৰিছে। শিৱজীয়ে ৰাজগড় দুৰ্গৰ টিঙৰপৰা ভৈয়ামৰ অপূৰ্ব্ব শোভা চাই পুতেক শম্ভুজী, ৭জন বিশ্বাসী অনুচৰ আৰু ৪ হাজাৰ ফৌজ লৈ আগ্ৰালৈ যাত্ৰা কৰিলে।

## আগ্ৰাৰ বাটত শিৱজী

দাক্ষিণাত্যৰ মোগল ৰাজভৰালৰপৰা বাট খৰচ বুলি শিৱজীক একলাখ টকা দিয়া হল। লগত গাজী বেগ নামেৰে এজন মোগল সেনাপতিকো দিয়া হল। বাটত শিৱজীয়ে বাদছাহৰপৰা এখন চিঠি পালে। তাত এইদৰে লিখা আছিল "তুমি দৰবাৰলৈ আহিবা বুলি লিখিছা, সোনকালে নিৰ্ভয়ে আহা। মোৰপৰা পুৰস্কাৰ লৈ সোনকালে দেশলৈ উলটি যাব পাৰিবা। মই তোমালৈ সন্মানৰ পোছাক এটা পঠালো।"

আৰঙ্গবাদ পাওঁতে আফজল-বিজয়ী এই মহাৰাষ্ট্ৰ-বীৰক চাবলৈ বাটত লোকে লোকাৰণ্য হল। কিন্তু তাৰ মোগল শাসনকৰ্ত্তা ছাফ ছিকন খাই শিৱজীক এজন সামান্য জায়গীৰদাৰ বুলি হীন জ্ঞান কৰি নিজে আগবঢ়াই লবলৈ নাহি পুতেককহে পঠালে। শিৱজী এই কথাত অপমানিত বোধ কৰি ছিকন খাঁৰ লগত দেখা নকৰাকৈ বাহিৰে বাহিৰে নিজৰ বাহৰ পালেগৈ। তেতিয়াহে ছিকন খাঁৰ সুবুদ্ধি হল, তেওঁ ততালিকে সকলো মোগল কৰ্ম্মচাৰীক লগত লৈ শিৱজীৰ লগত দেখা কৰিলেগৈ। ইয়াত শিৱজীয়ে জিৰাবলৈ কেইদিনমান ৰল। আৰঙ্গজেবে গোটেই বাটটোত শিৱজীৰ বাবে বছৰ-পাতি দিহা কৰি থৈছিল; সেইবাবে তেওঁ বাটত একো দুখ পোৱা নাছিল। এইদৰে এপ্ৰিল মাহৰ ৯ তাৰিখে (চ'ত মাহৰ ২৬ তাৰিখে) শিৱজী আগ্ৰাৰ দুৱাৰ মুখলৈ ওলাল গৈ।

## আৰঙ্গজেবৰ লগত শিৱজীৰ সাক্ষাৎ

এপ্ৰিল মাহৰ ১২ তাৰিখে বাদছাহৰ ৫০শ বছেৰেকীয়া জন্ম-তিথি আছিল। আৰু সেই দিনাই বাদছাহৰ লগত দেখা সাক্ষাৎ কৰাৰ বাবে নিৰ্দ্দিষ্ট আছিল। আগ্ৰাৰ দেৱান-ই-আম বাদছাহৰ জন্মোৎসৱৰ কাৰণে সুসজ্জিত. দৰবাৰীসকল ঝমক জমক পোছাক পিন্ধি বাদছাহলৈ ভক্তি জনাবলৈ শাৰীয়ে শাৰীয়ে ঠিয় দি আছে, দেৱোন-ই-আমৰ স্তম্ভই প্ৰতি সসন্মানে পাৰিষদসকল আছে, ওপৰত চন্দ্ৰ-তাপ থকা, সিংহাসনত ভাৰতৰ প্ৰবল প্ৰতাপান্বিত মোগল সম্ৰাট আৰঙ্গজেব বহি আছে। এনে অৱস্থাত কুমাৰ ৰামসিংহৰ লগত শিৱজী, পুতেক শম্ভুজী আৰু দহজন কৰ্ম্মচাৰীৰে সৈতে দৰবাৰত সোমাল। শিৱজীৰ পক্ষৰ পৰা ১৫০০ মোহৰ 'নজৰ' স্বৰূপে ৬০০০৲ টকা 'নিছাৰ' স্বৰূপে বাদছাহৰ সমুখত থোৱা হল। আৰঙ্গজেবে শিৱজীক দেখা পাই সন্মানেৰে সৈতে কলে—"আহক শিৱজী ৰাজা।" শিৱজীয়ে তিনিবাৰ ছেলাম দি সিংহাসনৰ গুৰিলৈকে গল। বাদছাহৰ ইঙ্গিতমতে শিৱজীক নিৰ্দ্দিষ্ট ঠাইলৈ নিয়া হল। সেই ঠাইডোখৰ তৃতীয় শ্ৰেণীৰ পাৰিষদৰ কাৰণে নিৰ্দ্দিষ্ট আছিল। দৰবাৰৰ কাম আৰম্ভ হোৱাৰ লগে লগে শিৱজীৰ অস্তিত্ব দৰবাৰত লুপ্ত হল। শিৱজীলৈ কোনেও ভ্ৰূক্ষেপেই নকৰিলে।

শিৱজীয়ে আগ্ৰাত এনেবিধৰ অভ্যৰ্থনা পাব বুলি কেতিয়াও সপোনতো ভবা নাছিল। আগ্ৰা পোৱাৰেপৰা শিৱজীৰ মনত অলপো শান্তি নাছিল। কুমাৰ ৰামসিংহ আৰু মুকালন্দ খা দুজন সামান্য কৰ্ম্মচাৰী মাথোন,—তেওঁ লোককহে অভ্যৰ্থনাৰ ভাৰ দিয়া হল। কোনো মূল্যবান উপহাৰ, কোনো উচ্চপদৱী, একোৱেই তেওঁক দিয়া হোৱা নাই। বাদছাহৰপৰা মিঠা মাত এটাও শুনিব পোৱা নহল। তেওঁ এইবোৰ কথা ভাবি থাকোতে কুমাৰ ৰামসিংহৰপৰা শুনিব পালে যে তেওঁক "পাঁচ হাজাৰী"ৰ মাজত হে ঠাই দিয়া হৈছে। এই বাতৰি পাই শিৱজীয়ে নিজৰ খং সংযত কৰিব নোৱাৰিলে। শিৱজীয়ে চিঞৰি উঠিল—'কি! মোৰ সাত বছৰীয়া লৰাটোও বাদছাহৰ ওচৰলৈ নঅহাকৈ 'পাঁচ হাজাৰী!' মোৰ



চাকৰ নেতাজীও 'পাঁচ হাজাৰী!' আৰু ইমান উপকাৰ কৰাত আৰু দৰবাৰলৈ অহাত, মোক 'পাঁচ হাজাৰী' উপাধিহে দিয়া হল!' সমুখত থকা চাৰিজন কোন বুলি সোধাত ৰামসিংহে কলে—'তেওঁ ৰাজা ৰায়সিংহ ছিছোদিয়া,' এই কথা শিৱজীৰ পক্ষে ঘৃতাহুতিহে হল—শিৱজীয়ে খঙত গৰ্জ্জিবলৈ ধৰিলে—'কি জয়সিংহৰ এটা চাকৰৰ লগত মোৰ ঠাই দিয়া হৈছে!' এইদৰে লাঞ্ছিত হোৱাত শিৱজীয়ে সজাত থকা বাঘটোৰদৰে গুজৰিবলৈ ধৰিলে। শিৱজীৰ অৱস্থা দেখি ৰামসিংহৰ ভয় হল, দৰবাৰৰ ৰীতি-নীতি ভঙ্গ হৈছে বুলি শিৱজীক শান্ত কৰা বৃথা। খঙ দমন কৰিব নোৱাৰি অথচ ভিতৰত সেই পুৰি অৱশেষত শিৱজী মূৰ্চ্ছা গল। বাদছাহে কি হৈছে বুলি সোধাত—ৰামসিংহই উত্তৰ দিলে—"বাঘ বনৰীয়া পশু, দৰবাৰৰ গৰম বতাহ সহিব নোৱাৰি মূৰ্চ্ছা গৈছে। 'দাক্ষিণী'য়ে দৰবাৰৰ মোল কি বুজে?" ইত্যাদি কৈ ৰামসিংহই ক্ষমা প্ৰাৰ্থনা কৰিলে। বাদছাহে ওচৰৰ কুঠাৰ এটালৈ নি গোলাপজল ছটিয়াবলৈ হুকুম দিলে। আৰু চেতনা হলে দৰবাৰ শেষ হোৱাৰ বাট নাচাই ঘৰলৈ যাব পাৰে বুলি কলে।

## বন্দী অৱস্থাত শিৱজী

শিৱজী দৰবাৰৰপৰা উলটি আহি অস্থিৰ হৈ পৰিল। "বাদছাহ বিশ্বাস ঘাতক" বুলি চিঞৰিবলৈ ধৰিলে। শত্ৰুৰ দুৰ্গ, তাৰ পাছত আৰঙ্গজেবৰ গুপ্তচৰ চাৰিওফালে বৰ্ত্তমান। শিৱজীৰ গঢ়-গতি আৰু সকলো কথা-বতৰা আৰঙ্গজেবৰ কাণত পৰিবলৈ সৰহ পৰ নালাগিল। সকলো শুনি আৰঙ্গজেবো জলি-পাক উঠিল। জয়পুৰ কাৰেঙত শিৱজীক থবলৈ হুকুম হল, তেওঁৰ দৰবাৰলৈ অহা বন্ধ হল। অৱশেষত শম্ভুজী মাজে সময়ে আহিব পাৰে বুলি তেওঁ কলে। ৰামসিংহক শিৱজীৰ বাবে দায়ী কৰিলে।

এইদৰে শিৱজীৰ সকলো আশা চুৰ্ণবিচুৰ্ণ হল। ক'ত দাক্ষিণাত্যৰ ছুবাদাৰী পাব বুলি শিৱজীয়ে আশা কৰিছিল, ক'ত বিজাপুৰ গোলকুণ্ডাৰপৰা চৌথ আদায় কৰিবৰ ক্ষমতা পাব বুলি আশা কৰিছিল, ক'ত শিৱজী এতিয়া বন্দী!

শিৱজীয়ে বিশ্বাসী বন্ধুসকলৰ লগত মুক্তিৰ উপায় আলচিবলৈ ধৰিলে। ৰাষ্ট্ৰ-লিপ্সু আৰঙ্গজেবক বিজাপুৰ আৰু গোলকুণ্ডা জয়ৰ লোভ দেখুৱালে কিজানি মুক্তি দিবও পাৰে। এই মৰ্ম্মে ৰঘুনাথ কোৰ্দ্দেই এখন চিঠিও লিখিছিল। কিন্তু বাদছাহে বাট চাবলৈ হুকুম দিলে মাথোন। এই প্ৰশ্নৰ প্ৰকৃত অৰ্থ কি তাক শিৱজীয়ে বেছকৈ বুজে। ইয়াৰ পাছত শিৱজীয়ে আৰঙ্গজেবৰ লগত গোপন সাক্ষাতৰ প্ৰাৰ্থনা কৰিলে। কিন্তু আফজল-হত্যাকাৰী শিৱজীৰ লগত কোনোবাই গোপন সাক্ষাতত মান্তি হব পাৰেনে? আৰঙ্গজেবক এনে কাম কৰিবলৈ সকলোৱে হাক দিলে। ইফালে প্ৰধান মন্ত্ৰী জাফৰ আলিৰ ঘৈনীয়েক ছায়েস্তা খাঁৰ ভনীয়েক। শিৱজীয়ে বতাহৰ লগত মিলি যাব পাৰে, শিৱজী এজন ডাঙৰ যাদুকৰ, শিৱজীয়ে ৪০।৫০ হাত জাপ দিব পাৰে ইত্যাদিও প্ৰবাদ-বাক্যৰ দৰে সমাজত প্ৰচলিত আছিল। সেইবাবে শিৱজী এই কথাতো নিৰাশ হবলগীয়া হল।

অৱশেষত শিৱজীয়ে বেছকৈ বুজি পালে যে নিজৰ শক্তিৰ বাহিৰে আন কোনো মুক্তিৰ উপায় নাই। লাহে লাহে শিৱজীৰ অৱস্থা গুৰুতৰ হৈ উঠিল। আগ্ৰাৰ 'কোতোৱাল' ফুলাদখাঁক সতৰ্ক প্ৰহৰাৰ বন্দোবস্ত কৰিবলৈ বাদছাহৰ হুকুম হল। শিৱজীৰ কাৰেঙৰ চাৰিওকাষে ৰবতোপ বহুৱা হল। তথাপিও শিৱজী নিৰাশ নহল। তিনিমাহ এইদৰে শম্ভুজীক বুকুত সাবটি ধৰি মুক্তিৰ উপায় মনতে পাঙিবলৈ ধৰিলে।

## মোগলৰ উদ্দেশ্য

শিৱজীক এইদৰে বন্দী কৰা বাদছাহ আৰঙ্গজেবৰ প্ৰথমে উদ্দেশ্য নাছিল। শিৱজীক হাতী এটা আৰু ধন-ৰত্নেৰে সৈতে মূল্যবান পোছাক এটা দিয়াই তেওঁৰ প্ৰথম উদ্দেশ্য আছিল। কিন্তু দৰবাৰত শিৱজীৰ আচৰণ আৰু তাৰ পাছতো শিৱজীৰ গঢ়-গতিত বাদছাহৰ মন সলনি হল। উপহাৰ আদি দিয়া কিছুদিনলৈ স্থগিত ৰাখি শিৱজীৰ সম্বন্ধে কি কৰা যায়, তাকেই বাদছাহে ভাবিবলৈ ধৰিলে। ইফালে জয়সিংহই কি প্ৰতিশ্ৰুতি দিছিল তাকো সুধি পঠালে। জয়সিংহই পুৰন্দৰৰ সন্ধিৰ বাহিৰে অন্য একো প্ৰতিশ্ৰুতি দিয়া নাছিল বুলি জনালে।

শিৱজীৰ দৰবাৰলৈ যোৱাৰ অপ্ৰত্যাশিত ফল দেখি জয়সিংহ বিমোৰত পৰিল, জয়সিংহই ছল-চক্ৰান্ত কৰি সেই সময়ত দাক্ষিণাত্যৰপৰা মোগলৰ পৰাক্ৰমী শত্ৰু শিৱজীক আঁতৰাইছে সচা, কিন্তু শিৱজীৰ শাৰীৰিক কোনো হানি নহব আৰু নিৰ্বিবাদে দাক্ষিণাত্যলৈ উলটি আহিব পাৰিব বুলি শপত খাইছিল। সেইবাবে শিৱজীৰ মিত্ৰতা মোগলৰ পক্ষে কিমান লাগতিয়াল ইত্যাদি বুজাই শিৱজীক হত্যা কৰাৰ বিৰুদ্ধে বুজনি দিবলৈ ধৰিলে। কিন্তু ইওতো সহজ কথা নহয়।

আৰঙ্গজেবে 'বাট-চোৱা নীতি' অবলম্বন কৰিব বুলি স্থিৰ কৰিলে। দাক্ষিণাত্যলৈ পঠোৱা অভিযানৰ ফলাফল চাই শিৱজী সম্বন্ধে মীমাংসা কৰিব বুলি মনে মনে ভাবি শিৱজীৰ জামিন হবলৈ ৰামসিংহক ধৰিলে; পুতেকে এনে এটা দায়িত্ব লোৱাৰ প্ৰতিবাদ কৰি জয়সিংহই জনোৱাত অৱশেষত বাদছাহৰো মন লৰিল। কাৰণ এজন হিন্দু ৰজাৰ ওপৰত আন এজন হিন্দু ৰজাৰ ভাৰ দিয়াৰ তেখেত অলপো পক্ষপাতী নাছিল। শিৱজীক আফগনিস্থানলৈ পঠালে শিৱজী পলোৱাৰ কোনো আশঙ্কা নাই বুলি ভাবি তালৈ পঠাবৰ কথা উলিয়াৰ অলপ দিনতে হুকুমো লবচৰ হল। বাদছাহে দাক্ষিণাত্যলৈ গৈ গোলকুণ্ডা আৰু বিজাপুৰৰ বিৰুদ্ধে নিজেই যুদ্ধ চলাব আৰু ইতিমধ্যে আগ্ৰাৰ দুৰ্গত ৰামসিংহৰ তত্বাৱধানত শিৱজীক থোৱা স্থিৰ কৰিলে; কিন্তু জয়সিংহই পুতেকৰ দায়িত্বত মাস্তি নহল। অৱশেষে শিৱজীক এৰি দিয়াৰ সম্বন্ধে তেওঁৰো এতিয়া মন লৰিছে। তেওঁ লিখিলে "শিৱজীক যেতিয়া এৰি দিবলৈ মই লিখিছিলো তেতিয়া অৱস্থা অন্য আছিল; কিন্তু এতিয়া যি স্থলত শিৱজী আমাৰ বিৰুদ্ধে হৈছে, এনে সময়ত দাক্ষিণাত্যলৈ শিৱজী উলটি অহা কোনো মতেই বিধেয় নহয়" এইদৰে শিৱজীৰ ঢিমিক-ঢামাক জ্বলি থকা মুক্তিৰ আশাৱন্তি লাহে লাহে সুমাৱ-লগীয়া হল।

## আগ্ৰাৰপৰা শিৱজী পলাল

শিৱজীয়ে এতিয়া সকলো ভৰসা এৰি মুক্তিৰ বাবে নিজে কি উপায় লব, তাকেহে চিন্তিব ধৰিলে। বন্দী হৈ কিছুদিন থকাৰ পাছত মোগলৰ বশ্যতা স্বীকাৰ কৰিছে বুলি তেওঁ চিঞৰি কব ধৰিলে আৰু যিসকলে তেওঁক দেখা কৰিব আহিছিল, সকলোকে তেওঁৰ হকে বাদছাহক জনাবলৈ অনুৰোধ কৰিব ধৰিলে। অন্ততঃ তেওঁৰ লগত অহা ছিপাহী আৰু অনুচৰসকলক দেশলৈ উলটি যাবলৈ অনুমতি দিলে, কাৰণ তেনেহলে শত্ৰুৰ সংখ্যা কমিব।

ইফালে মাৰাঠী অনুচৰসকলে শিৱজীৰ ইঙ্গিত মতে সৰু সৰু দল হৈ দেশলৈ উভটিবলৈ ধৰিলে। এইদৰে তেওঁলোকক পঠাই শিৱজীয়ে নিজৰ বৰ বেমাৰ হৈছে বুলি সকলোকে জনালে আৰু সদায় গধূলি ব্ৰাহ্মণ, সাধু-সন্ত আৰু পাৰিষদসকললৈ মিঠাই পঠাব ধৰিলে। এই বিলাক মিঠাই দুজন মানুহে ভাৰকৈ নিয়ে। প্ৰহৰীসকলে কিছুদিনলৈ মিঠাইৰ পাছিবোৰ পৰীক্ষা কৰি চাইছিল, কিন্তু লাহে লাহে চোৱা এৰি দিলে, আৰু এইদৰে এদিন শিৱজীৰ সুবৰ্ণ সুযোগ মিলিল। ১৯ আগষ্ট তাৰিখে গধূলি সকলোকে জনালে যে তেওঁৰ বৰ গা অসুখ কোনেও যেন বিৰক্ত নকৰে। হীৰাজী নামৰ বৈমাত্ৰেয় ভায়েক এজন লগত আছিল; শিৱজীৰ লগত তেওঁৰ মুখৰ চেহেৰাৰ বহুতো মিল আছিল। শিৱজীয়ে নিজৰ সোণৰ বাজুখোৰ তেওঁৰ হাতত পিন্ধাই নিজৰ বিছনাত শুৱাই থৈ, পুতেক শম্ভুজীক লৈ দুটা মিঠৈৰ খৰাহীত বহিল গৈ। প্ৰহৰীসকলে অন্য দিনৰ দৰে আজিও খৰাহীত কি আছে নাছে একোৱেই নাচাই বাট এৰি দিলে। ছহৰৰ বাহিৰলৈ নি এডোখৰ নিৰ্জ্জন ঠাইত ভাৰীহঁতক বিদায় দি শিৱজী আৰু শম্ভুজী পাছিৰ ভিতৰৰপৰা ওলাল। আগ্ৰাৰপৰা ৬ মাইল আঁতৰত নীৰাজী ৰাৱজী শিৱজীৰ কাৰণে বাট চাই আছিল। জঙ্গলৰ ভিতৰত গুপ্ত পৰামৰ্শ কৰি তেওঁলোক কেইবাটাও দলত বিভক্ত হল। শিৱজীৰ পুতেক আৰু কেইজনমান অনুচৰৰে সৈতে গাত ছাই সানি সন্ন্যাসী সাজি মথুৰাৰ ফালে গতি কৰিলে। অন্যদলে দেশৰ ফালে যাত্ৰা কৰিলে।

## শিৱজীৰ পলায়ন ধৰা পৰিল

ইফালে আগ্ৰাত হীৰাজী গোটেই ৰাতিটো আৰু তাৰ পাছ দিনাৰৈকে শিৱজীৰ বিছনাত পৰি আছে।



চলৰীহঁতে পৰাতে এবাৰ ভুমুকি মাৰি চাইছিল, কিন্তু চাওঁতে শিৱজীৰ 'পাজু'খোৰ দেখি আৰু শিৱজীৰ এটা চাকৰে ভৰি পিটিকি থকাত সিহঁতৰ একো সন্দেহ নহল। প্ৰায় ৩ টা মান বজাত হীৰাজী শোৱা পাটীৰপৰা উঠি বাহিৰলৈ ওলাই গল। যাওঁতে চলৰীহঁতক চাই কৰিবলৈ হাক দিলে—"শিৱজীৰ বেমাৰ বৰ টান।" লাহে লাহে প্ৰহৰীসকলৰ মনত সন্দেহ হল; গোটেই কাৰেঙ নিজম, কতো মানুহৰ টুঁ-টাঁ শব্দ নাই, ঘৰ শূন্যপুৰী ইত্যাদি সন্দেহ হোৱাত শিৱজীৰ খোটালীলৈ সোমাই গৈ দেখিলে যে "সজাৰ চৰাই উৰি গল।" সিহঁতে তৎক্ষণাৎ কোতোৱাল ফুলাদি খাঁক এই বাতৰি দিলেগৈ। শিৱজীয়ে যাদুৰ বলেৰে পলাল বুলি সকলো ঠাইতে ততালিকে বিয়পি পৰিল। 'ৰজাক অলপ আগতে বিছনাত শুই থকা আমি দেখিছো কিন্তু হঠাতেই কি যাদু বলেৰে নিৰুদ্দেশ হল, আমি কব নোৱাৰো। আকাশেদি উৰিয়েই গল নে পাতালেদি গল, আমি হলে একোৱেই ভু নাপাওঁ।"

কিন্তু বাদছাহ আৰঙ্গজেব এই সাধুকথাত ভোল নগল, ততালিকে শিৱজীৰ পলায়নৰ বাৰ্ত্তা নগৰে নগৰে ঢোল পিটি প্ৰচাৰ কৰি দিলে। দাক্ষিণাত্যলৈ আগ্ৰাৰপৰা দুটা বাট আছে—খান্দেশেদি আৰু গুজৰাটেদি। বাদছাহৰ হুকুমত দুটা বাটতেই প্ৰহৰীৰ বন্দোবস্ত হল। আৰু শিৱজীৰ লগত অহা মাৰাঠী ব্ৰাহ্মণসকলক য'তে পোৱা গল, তাতেই গ্ৰেপ্তাৰ কৰা হল।

## শিৱজীৰ যাত্ৰা

পাছ-খেদাওঁতাসকলক অন্য বাটেদি নিয়াবলৈ ধুৰ্ত্ত শিৱজীয়ে মহাৰাষ্ট্ৰৰ বাট নললে। আগ্ৰাৰপৰা ওলাই দক্ষিণ পশ্চিমলৈ মালৱা আৰু খান্দেশৰ বাট নলৈ, পুবফালে মথুৰালৈ গতি কৰিলে। আৰু মথুৰাৰপৰা প্ৰয়াগ, গয়া পুৰী আদি হৈ দেশলৈ উভটিল। মথুৰা পাওঁতে পুতেক শম্ভুজী ভাগৰত খোজ কাঢ়িব নোৱাৰা হল। মথুৰাত সেইসময়ত তিনজন দক্ষিণী ব্ৰাহ্মণ আছিল—কৃষ্ণাজী, কাশী, আৰু বিছাজী; নীৰাজীয়ে তেওঁলোকক চিনি পোৱাত শিৱজীৰ সকলো বাতৰি তেওঁলোকক জনালে। স্বদেশ আৰু হিন্দুধৰ্মলৈ প্ৰেমভাৱত শিৱজীৰ কাৰণে সকলো বিপদ তুচ্ছ কৰিব পাৰে বুলি তেওঁলোকে শপত খালে। শিৱজী দেশলৈ উলটি নোযোৱালৈকে শম্ভুজীক নিজৰ লগত ৰাখিব বুলি তেওঁলোকে শপত খালে।

শিৱজীয়ে মথুৰা পাইয়ে দাড়ি গোঁফ খুৰাই পেলাই, ছাই ভস্ম সানি ভালকৈয়ে সন্ন্যাসী সাজিলে। ইফালে সন্ন্যাসীৰ জোলোঙাত ধনসোণ লুকাই ললে, লগৰীয়াসকলৰ গাইপ্ৰতি ধনসোণ লুকুৱা আছেই। দুজনমানে মুখৰ মাজতো টকা লুকাই লৈছিল। শিৱজীৰ লগত তেতিয়াও ৪০।৫০ জনমান অনুচৰ আছে। তিনটা দলত ভাগ হৈ তেওঁলোক ওলাল। সন্ন্যাসীসকলৰ ভিতৰতো তিনটা শ্ৰেণী আছে—বৈৰাগী, গোসাঁই, উদাসী। শিৱজী কেতিয়াবা বৈৰাগী সাজে, কেতিয়াবা কপালত বহুতো তিলক লৈ কোনো মঠাধিকাৰৰ দৰে গোসাঁই সাজে, কেতিয়াবা উদাসী, এইদৰে প্ৰয়াগ ওলালগৈ। এখন ছহৰত ফৌজদাৰ আলিকুলিয়ে শিৱজীহঁতক গ্ৰেপ্তাৰ কৰিলে। শিৱজীয়ে ৰাতি তেওঁৰ সৈতে আলিকুলিক দেখা কৰি আত্ম-পৰিচয় দিলে; আৰু তেওঁক এৰি দিলে হীৰাৰ আঙঠি, একলাখ টকা বকছিছ দিব বুলি কলে। ফৌজদাৰে ভেটি খাই শিৱজীক এৰি দিলে। শিৱজী সদায় বৰ ধৰ্ম্মপ্ৰাণ আছিল, আৰু এই বিপদতো তীৰ্থস্থানলৈ আহি তীৰ্থযাত্ৰাৰ সকলো অনুষ্ঠান নকৰাকৈ কেনেকৈ দেশলৈ উলটি যায়? প্ৰয়াগৰ ত্ৰিবেণীৰ ঘাটত শিৱজীয়ে স্নান কৰি ততাতৈয়াকৈ তীৰ্থযাত্ৰীৰ সকলো অনুষ্ঠান পালন কৰিলে। ইয়াতো পুৰা এজন ঘোৰা-ছওৱাৰী কটকী শিৱজীৰ পলায়নবাৰ্ত্তা নগৰত ঘোষণা কৰি থাকোতে শিৱজী লাহেকৈ কাশীৰ ফালে ওলাল।

এইদৰে তেওঁ গয়া পালেগৈ। ইয়াৰপৰা জগন্নাথ ধামলৈ খোজ ললে; প্ৰতিদিনে খোজ কাঢ়ি অৱশেষত ঘোৰাত উঠিবলৈ তেওঁৰ মন হোৱাত এটা ঘোঁৰা কিনিলে। কিন্তু ইতিমধ্যে শিৱজীৰ পলোৱাৰ বাতৰি সকলো ঠাইতে বিয়পি পৰিছে, সেইবাবে ঘোৰা বেচোতাজনৰ মনত সন্দেহ হোৱাত চিঞৰি কলে,—আপুনি নিশ্চয়েই শিৱজী, আপুনি ঘোৰা এটাত ইমান দাম দিছে। এনেতে শিৱজীয়ে মোহৰৰ গোটেই মোনাটো তাক দি লাহেকৈ আঁতৰিলে।

জগন্নাথৰ মন্দিৰ পাই শিৱজীয়ে পূজা-অৰ্চ্চনা কৰি মহাৰাষ্ট্ৰৰ ফালে খোজ ললে। এই সময়ৰ এটা ঘটনা এতিয়াও সাধু কথাৰ দৰে, দাক্ষিণাত্যত প্ৰচলিত আছে। শিৱজীয়ে সন্ন্যাসীৰ বেশত গোদাবৰী জিলাৰ এঘৰত ৰাতি আশ্ৰয় ললে গৈ। গিৰিহঁতৰ বুঢ়ীমাকে সাধু-সন্থক দেখি সেৱা কৰি, ডকাইত শিৱজীৰ মানুহে অলপতে বস্ত্ৰ-বস্তু লুটি লৈ গৈছে, আজি এতিয়া কিহেৰে সাধু-সন্থক পূজা সেৱা কৰে ইত্যাদি আক্ষেপ কৰি শিৱজীক আৰু তেওঁৰ ডকাইতহঁতক শাও দিব ধৰিলে। শিৱজীয়ে গাওঁ আৰু মানুহ গৰাকীৰ নাম সুধি-পুছি লৈ দেশলৈ উভটি আহি বহুতো ধন সোণ পুৰস্কাৰ দিলে।

## মাতৃৰ লগত সাক্ষাৎ

মাতৃভক্ত শিৱজীৰ মাতৃদৰ্শনৰ মনোমোহা ঘটনা এটা আমি পঢ়িবলৈ পাওঁ। শিৱজীয়ে ৰাজগড়ৰ দুৱাৰ মুখত জিজিবাইৰ লগত দেখা কৰিব বিচাৰিছে বুলি দুৱৰী এটাক জনালে। জিজিবাইৰ সাধু-সন্ন্যাসীলৈ বৰ ভক্তি আছিল। জিজিবায়ে তেওঁলোকক আনিবলৈ কোৱাত শিৱজী সন্ন্যাসীৰ বেশত মাকৰ কাষ চাপিলহি; ইফালে নীৰাজী পান্তই সন্ন্যাসীৰ দৰে বাহ দাড়ি আশীৰ্ব্বাদ দি অভ্যৰ্থনা কৰিলে। শিৱজীয়ে কিন্তু মাকক দেখা পাই স্থিৰেৰে থাকে কেনেকৈ? ইমান দিনৰ মূৰত মাকক দেখা পোৱা মাত্ৰে ভৰিত দীঘল দি পৰিল; এই অপূৰ্ব্ব সন্ন্যাসীৰ আচৰিত ব্যৱহাৰত জিজিবাইৰ মুখৰ মাত হৰিল। শিৱজীয়ে মাকৰ কোছত মূৰ থৈ লাহেকৈ মূৰৰ পাগুৰীটো লোকোকালে, মাকে শিৱজীৰ মূৰৰ এটা দাগ দেখি পুতেকক চিনি বুকুত সাবট মাৰি ধৰিলে।

শিৱজী উলটি অহাৰ খাতিৰে পাই গোটেই মহাৰাষ্ট্ৰত উৎসৱ-আনন্দৰ ধুমুহা আহিল। চাৰিওফালে পুনঃ মোগলৰ বিৰুদ্ধে যুদ্ধৰ আয়োজনৰ ৰাও উঠিল। ইফালে পুতেক শম্ভুজী মৰিল বুলি চাৰিওফালে জাননী দি নিজে অশৌচ পালিলে, তেতিয়া মোগল কৰ্ম্মচাৰীসকল সতৰ্ক হোৱা এৰি দিলত, শম্ভুজীক আনিবলৈ মানুহ পঠালে। লগতে মথুৰাৰ সেই দক্ষিণী ব্ৰাহ্মণ তিনিজনো মহাৰাষ্ট্ৰলৈ ওলাল, তেওঁলোকে শম্ভুজীক ব্ৰাহ্মণ সজাই নিজৰ লগতে লৈ আহিল। এঠাইত তেওঁলোক ধৰা পৰিব লগীয়া হৈছিল।

এজন মোগল কৰ্ম্মচাৰীয়ে শম্ভুজী ব্ৰাহ্মণ নহয় বুলি সন্দেহ কৰি গ্ৰেপ্তাৰ কৰিবলৈ ধৰাত এওঁলোকে শম্ভুজীৰ লগত একেলগে খাই-বৈ মোগলৰ সন্দেহ দূৰ কৰিলে আৰু এইদৰে সকলো বিপদতে শম্ভুজীক ৰক্ষা কৰি শিৱজীৰ হাতত গতাই দিলেহি। শিৱজীয়ে কৃষ্ণজী, কাশী ৰাও আৰু বিছাজীক বিশ্বাস ৰাও উপাধি দি একলাখ মোহৰ আৰু দহ হাজাৰ টকাৰ বছেৰেকীয়া বৃত্তি দি প্ৰভুভক্তিৰ পুৰস্কাৰ দিলে।

---

# বেবিলনৰ সভ্যতা

টাইগ্ৰিছ আৰু ইউফ্ৰেটিছ নৈৰ মিলনৰ ঠাইৰপৰা পাৰস্য উপসাগৰৰ দাঁতিলৈকে ঠাই ডোখৰ "সামুদ্ৰিক প্ৰদেশ" নামে আৰু এই দুখন নৈৰ উত্তৰ ফালৰ ঠাই ডোখৰ তাহানি পুৰণি কালত বেবিলন নামে জনাজাত আছিল। বেবিলনত অতি ওখ ধৰণৰ সভ্যতাৰ বিকাশ পাইছিল। কিন্তু সঠিক কোন সময়ত কোন জাতি বেবিলনত এনে সভ্য হৈ উঠিছিল তাক থিৰাংকৈ কব নোৱাৰি; কাৰণ বেবিলন বহুত জাতিৰ সংঘৰ্ষণ, সংমিশ্ৰণ আৰু ৰাষ্ট্ৰবিপ্লৱৰ লীলাক্ষেত্ৰ আছিল। শিলৰ কলিৰ সহায়েৰে আমি পুৰণি জাতিবিলাকৰ ইতিবৃত্ত গোটাও; কিন্তু বেবি নত পাথৰ পোৱা নগৈছিল আৰু বোধ কৰোঁ সেই কাৰণেই অতীতকালতে বেবিলনৰ মানুহবিলাকে অতি উত্তম ইটা তৈয়াৰ কৰিবলৈ শিকিছিল। কেচা ইটাৰ ওপৰত লিখি তাক পুৰি এওঁলোকে কিতাপ ৰচনা কৰিছিল আৰু আইকৈ



এই ইটাৰ লিপিকে অৱলম্বন কৰি পিছৰ পণ্ডিতসকলে বেবিলনৰ প্ৰাচীন বুৰঞ্জী সংগ্ৰহ কৰিবলৈ প্ৰয়াস পাইছে।

বেবিলন কেবাখন জিলাত বিভক্ত আছিল আৰু বেলেগ বেলেগ জিলাৰ মানুহে বেলেগ বেলেগ ভাষা ব্যৱহাৰ কৰিছিল। কিন্তু তাহানি কালত বেবিলনত দুটা জাতিয়ে প্ৰাধান্য লাভ কৰিছিল বুলি আমি জানো। কিন্তু কালত এই দুটা জাতি এটা জাতিত পৰিণত হয়। এই দুটা জাতিৰ ভিতৰত এটা ছেমিটিক (Semitic) আৰু আনটো নন্ ছেমিটিক (non-Semitic) ছেমিটিক জাতিটোৱে হিব্ৰু আৰু আৰবিকৃৰ নিচিনা এটা ভাষা ব্যৱহাৰ কৰিছিল আৰু নন্ ছেমিটিক জাতিটোৱে চীনবিলাকৰ নিচিনা এটা ভাষা ব্যৱহাৰ কৰিছিল। এই দুটা জাতিৰ ভিতৰত কোনটো আগেয়ে বেবিলনত সোমাইছিল, ঠিককৈ কব নোৱাৰি। পুৰণি লিপিবোৰ কিন্তু নন্ ছেমিটিক ভাষাতেই দেখা যায়। তাৰপৰা অনুমান হয় যে "ছুমেৰ" নামে এটা নন্ ছেমিটিক জাতিয়েই প্ৰথমে বেবিলনত ৰাজত্ব কৰিছিল।

যীশু খ্ৰীষ্টৰ জন্মৰ পাঁচ হেজাৰ বছৰ আগতে ছুমেৰবিলাকে সামুদ্ৰিক প্ৰদেশত লিপিকৌশল, ধৰ্ম্ম, সাহিত্য আদি সভ্যতাৰ গুণত জিলিকিছিল। কিন্তু এই ছুমেৰবিলাকৰ উৎপত্তি আৰু তেওঁলোকৰ অতীতৰ সভ্যতাৰ বিশেষ বিৱৰণ পোৱা টান। ছুমেৰ আৰু ছেমিটিক জাতি দুই যি জাতি বেবিলনত উৎপন্ন, তেওঁলোকৰ নামতেই বেবিলনৰ সভ্যতা কীৰ্ত্তিত হৈছে। আচাৰ-ব্যৱহাৰৰপৰা অনুমান হয় যে এই ছুমেৰ জাতিৰ মানুহবিলাক আৰ্য্য আছিল নাইবা আৰ্য্য সভ্যতাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। ছুমেৰবিলাকৰ পিছত আৰবৰ ফালৰপৰা ছেমিটিক বংশৰ আবাদ নামে এটা জাতি আহি ছুমেৰবিলাকক জয় কৰে আৰু বেবিলনত প্ৰাধান্য লাভ কৰে। বাহিৰৰ এটা জাতি আহি এটা জাতিক জয় কৰিলে পৰাজিত জাতিটোৱে বাহিৰৰ জাতিটোৰ যে ধৰ্ম্ম, সভ্যতা গ্ৰহণ কৰিব ইয়াৰ কোনো অৰ্থ নাই। দুটা জাতিৰ ভিতৰত যিটোৰ সভ্যতা, ভাষা, ধৰ্ম্ম উন্নত আনটো জাতিয়ে স্বাভাৱিকতে লাহে লাহে সেই জাতিৰ সভ্যতা অৱলম্বন কৰে। পৃথিৱীৰ বুৰঞ্জীত সাধাৰণতঃ এই নিয়মকে দেখিবলৈ পোৱা যায়। ছুমেৰ জাতি বেছি সভ্য আছিল গতিকে ছেমিটিক জাতি আহি সাধাৰণতঃ ছুমেৰবিলাকৰ ধৰ্ম্ম আৰু সভ্যতা গ্ৰহণ কৰিছিল। দুটা জাতি একেবাৰে মিলি যায়। এনেকি তেতিয়াৰপৰা বেবিলনৰ সকলো ৰজাৰ নামতেই "ছুমেৰ আৰু আবাদ অধিপতি" আখ্যা যুক্ত হৈছিল। ক্ৰমাৎ এই দুটা জাতিৰ সংমিশ্ৰণত যি জাতি উৎপন্ন হল সেই জাতিয়েই বেবিলনৰ চৰম উন্নতি সাধোতা প্ৰাচীন জাতি। যীশু খ্ৰীষ্টৰ জন্মৰ ৪॥ হেজাৰ বছৰ আগেয়ে এই জাতিয়ে বেবিলনত নিজ কীৰ্ত্তি-চিন ৰাখিছে।

আবাদবিলাকৰ পিছত বোধ কৰো এছিৰিয়াবিলাকে বেবিলনত আধিপত্য কৰে। তাৰ পিছত বেবিলনৰ দক্ষিণ ফালে কাছ নামে এটা জাতি ক্ষমতাশালী হৈ উঠে। সিহঁতে খৃঃ পূঃ ১৭৮০ সনত বেবিলন জয় কৰে। কাছ জাতিৰ মানুহ সৰহ নাছিল। বেবিলনৰ সভ্যতাই কাছ জাতিক গ্ৰাস কৰিছিল বুলিলেও অত্যুক্তি নহয়। এনেকৈ বেবিলনত বহুতো ৰাষ্ট্ৰবিপ্লৱ ঘটিছিল। অৱশেষত মিডিয়া প্ৰদেশত এটা নতুন ৰাজশক্তি উঠি সমগ্ৰ পশ্চিম এছিয়াত প্ৰভাৱ বিস্তাৰ কৰে। চাইৰছ, এছিৰিয়া আদি জয় কৰি সিহঁতে বেবিলনতো প্ৰভুত্ব বিস্তাৰ কৰে। খৃঃ পূঃ ৫৩৯ সনত বেবিলনৰ স্বাধীনতা ধ্বংস হয়। এছিৰিয়াৰ অসুৰ ৰজাবিলাকে পাশৱিক ভাৱে বেবিলনৰ কীৰ্ত্তি আৰু মন্দিৰ ধ্বংস কৰি পৃথিৱীৰ সভ্যতাৰ অমূল্য ইতিবৃত্ত নষ্ট কৰিছে। এই ভগ্নাবশেষ আৰু ইটালিপিৰ ভগ্নাংশৰ আশ্ৰয় লৈ বেবিলনৰ বুৰঞ্জী ৰচা হৈছে। এই সামান্য উপকৰণ লৈ লিখা বেবিলনৰ বুৰঞ্জীত যি সভ্যতাৰ বিকাশ পাইছে সেয়ে পৃথিৱীক তধা লগাইছে।

আন্ আন্ ছেমিটিক জাতিৰ নিচিনা বেবিলনীয়নবিলাক ধৰ্ম্মপ্ৰাণ জাতি আছিল। আগতে কোৱা হৈছে যে আগেয়ে বেবিলনত সৰু সৰু কেবাখনো ৰাজ্য আছিল। কোন ৰাজ্যত বা চন্দ্ৰ (Sin) কোন দেশত বা সূৰ্য্য (Samas) আৰু কোন ৰাজ্যত বা যম (Ura) প্ৰধান

দেৱতাৰূপে পূজিত হৈছিল। ৰজাবিলাকেই দেৱতাৰ ৰক্ষক আছিল। ধৰ্ম্মযাজকবিলাকৰ বহুত ক্ষমতা আছিল আৰু সকলো বলি, পূজা সিহঁতৰ হতুৱাই দিয়া হৈছিল। বেবিলনিয়ানৰ প্ৰধান দেৱতা আছিল ইয়া (Ea)। কিন্তু আৰাদবিলাকৰ ভিতৰত সূৰ্য্য-চন্দ্ৰ পূজাৰ বাহিৰে তৰা আৰু মাৰ্ডুক (Merodoch) পূজাৰো প্ৰথা আছিল। তেতিয়াৰপৰা মাৰ্ডুক বেবিলনৰ প্ৰধান দেৱতা হয়। বেলিৰ আকৃতিৰে তাক সজা হৈছিল। দেৱতাৰ প্ৰধান নাম আছিল বেল (Bel)।

অতি পুৰণি কালতে বেবিলনত কি অদ্ভুত ৰকমৰ সভ্যতা বিকাশ পাইছিল দেখি আচৰিত হব লাগে। মিচৰ আৰু বেবিলনৰ ভিতৰত কোন ৰাজ্য বেছি সভ্য আছিল থিৰাংকৈ কোৱা অসম্ভৱ হলেও এইটো স্বীকাৰ কৰিবই লাগিব যে গ্ৰীচ আৰু ৰোমৰ সভ্যতা-বিস্তাৰৰ বহুত আগেয়ে সমগ্ৰ পশ্চিম এছিয়াত বেবিলনৰ সভ্যতা বিয়পি পৰিছিল। যীশুখ্ৰীষ্টৰ জন্মৰ প্ৰায় চাৰিহেজাৰ বছৰ আগেয়ে বেবিলনিয়েনবিলাকে লিখা প্ৰণালীৰ সৰ্ব্বাঙ্গীন উন্নতি সাধন কৰে। তেওঁলোক সভ্য, শিক্ষিত আৰু বুধিয়ক আছিল। বেবিলনিয়েনবিলাক স্বভাৱতে যুজাৰু জাতি নাছিল। তথাপি পুৰাকালত তেওঁলোকে বিশালৰাজ্য স্থাপনা কৰিব পাৰিছিল। দ্বিতীয় নেবুচাদনেজাৰ (Nebuchandnezzar II) বেবিলনৰ এজন ডাঙৰ ৰজা। তেওঁ পেলেষ্টাইন্ আৰু মিচৰদেশ জয় কৰে আৰু খৃঃ পূঃ ৫৮৭ সনত জেৰুজালেম জয় কৰি জুবিলাকক বন্দী কৰি আনে। তেতিয়া তেওঁলোকৰ ভিতৰত দাসত্ব প্ৰথাৰ প্ৰচলন আছিল। বেবিলনৰ ৰজাবিলাকে বিদেশ জয় কৰি বেবিলনৰ সভ্যতাৰ দ্বাৰা বিদেশী জাতিক উন্নত কৰি তুলিছিল। তেওঁলোকে বিজিত ৰাজ্যৰ উচ্ছেদ নকৰিছিল। আনকি চিৰদিনৰ কাৰণে কোনো বিদেশী জাতিক পৰাধীন কৰি ৰখা নাই। বিদেশৰ নগৰ, পৰ্ব্বতাদিত বেবিলনৰ কীৰ্ত্তিচিন্ এতিয়াও দেখিবলৈ পোৱা যায়। বেবিলনৰ সভ্যতাৰে বহুতো ওচৰচুবুৰীয়া জাতি জিলিকি উঠিছিল। ছিৰিয়া, পেলেষ্টাইন্, আৰৱ বেবিলনৰ সভ্যতা লৈ উন্নত।

বেবিলন্ কৃষি-প্ৰধান দেশ আছিল। বেবিলনে কৃষি বিষয়ত যে বহুতো উন্নতি কৰিছিল তাৰ যথেষ্ট প্ৰমাণ পোৱা যায়। বেপাৰ-বাণিজ্যই সভ্যতা বিস্তাৰৰ বাট উপায়। বেবিলনিয়েনবিলাকে সদায় দেশদেশান্তৰত বেচাবেপাৰ কৰি ফুৰিছিল। শিল্পবিদ্যা, সাহিত্য আৰু সঙ্গীত বিদ্যাৰো বেবিলনিয়েনবিলাকে যথেষ্ট উন্নতি সাধিছিল। ৰাজ্যশাসনৰ বিধিবোৰ দেখিলেই বুজিব পাৰি যে বেবিলন ৰাজ্যই অতি প্ৰাচীন কালতে সৰ্ব্বাঙ্গীন উন্নতি লাভ কৰিছিল। বেপাৰ-বাণিজ্য, কৃষি আদিৰ উন্নতিৰ কাৰণে ৰজাঘৰীয়া ব্যৱস্থা আছিল। দেশৰক্ষাৰ কাৰণে সৈন্য আৰু সুবিচাৰৰ কাৰণে বিশেষ বিশেষ কৰ্ম্মচাৰী নিযুক্ত আছিল। সকলোবিধ জ্ঞান-চৰ্চ্চা আৰু উন্নতিৰ কাৰণে ৰাজ দুৱাৰ মুকলি হৈ আছিল অথচ প্ৰজাই নামমাত্ৰ হে খাজানা দিব লাগিছিল। বেবিলনত জ্যোতিষশাস্ত্ৰৰো চৰ্চ্চা হৈছিল। সূৰ্য্য-চন্দ্ৰৰ গ্ৰহণ গণনা, নক্ষত্ৰৰ গতি-বিধি নিৰূপণ আৰু গ্ৰহ-নক্ষত্ৰৰ গতিৰ লগত মানুহৰ ভাগ্যগতি মিলাই জ্যোতিষ ৰচনা কৰা হৈছিল। বেবিলনিয়েনবিলাক যে ভাস্কৰ শিল্পীও আছিল তাক আগেয়ে কোৱা হৈছে। বেবিলনত মিচৰৰ নিচিনা কোনো স্থায়ী কীৰ্ত্তিস্তম্ভ নেথাকিলেও ভগা মূৰ্ত্তি আৰু মন্দিৰবোৰত উন্নত ভাস্কৰ বিদ্যাৰ প্ৰমাণ পোৱা যায়। বেবিলনৰ "জেগুৰাৎ" শিল্প সৌন্দৰ্য্যত অতুলনীয়।

শ্ৰীসুৰেন্দ্ৰমোহন দাস এম এ

---

# ভাৰতৰ সংস্কৃত স্বায়ত্ত-শাসন

১৯১৭ সনৰ ২০ আগষ্ট তাৰিখে বিলাতৰ পাৰ্লিয়ামেণ্ট মহাসভাত ভাৰতৰ ষ্টেট ছেক্ৰেটাৰীয়ে ঘোষণা কৰা মতে সংস্কৃত স্বায়ত্ত-শাসন ১৯২১ সনৰ ১ জানুৱাৰীৰপৰা ভাৰতত স্থাপিত হৈছে।

আন আন গভৰ্ণমেণ্টৰ দৰে ভাৰত গৱৰ্ণমেণ্টৰো অনেক বিভাগ আছে। এই স্বায়ত্ত-শাসন মতে ভাৰতৰ প্ৰাদেশিক গভৰ্ণমেণ্টবোৰৰ কিছুমান বিভাগ গভৰ্ণমেণ্টৰ হাতত ৰাখিছে আৰু কিছুমান বিভাগ আমাৰ ৰাইজে বাছি দিয়া মন্ত্ৰীক চলাবলৈ দিছে। সেই কাৰণে এই শাসন-প্ৰণালীটোক মিহলি বা সংস্কৃত স্বায়ত্ত-শাসন বোলা হৈছে। সকলো বিভাগৰ ভাৰ মন্ত্ৰীৰ ওপৰত দিলে হে সেই সংস্কৃত বা মিহলি নামটো গুচি পূৰা স্বায়ত্ত-শাসন নাম হব। গভৰ্ণমেণ্টৰ হাতত থকা বিভাগবোৰক সংৰক্ষিত (reserved) বোলে আৰু মন্ত্ৰীৰ হাতত থকা বিভাগবোৰক (transferred) হস্তান্তৰিত বিভাগ বোলে। কেন্দ্ৰ গভৰ্ণমেণ্টত এই মন্ত্ৰী নিয়োগৰ ব্যৱস্থা হোৱা নাই। তাত কাৰ্য্য-নিৰ্ব্বাহক সভাৰ তলতে সংৰক্ষিত আৰু হস্তান্তৰিত দুয়োটা শাখা থাকে। ভাৰত গভৰ্ণমেণ্টকে কেন্দ্ৰ গভৰ্ণমেণ্ট বোলা হৈছে।

এই স্বায়ত্ত-শাসনৰ ভাগ ভাৰতৰ এটাইবোৰ প্ৰদেশে পোৱা নাই। কেৱল তলত নাম দিয়া কেইখনে হে পাইছে।

১। বঙ্গ প্ৰেছিডেন্সি
২। বোম্বাই প্ৰেছিডেন্সি
৩। মাদ্ৰাজ "
৪। আগ্ৰা-অযোধ্যা যুক্ত প্ৰদেশ
৫। পঞ্জাব
৬। বেহাৰ-উৰিষ্যা
৭। মধ্য প্ৰদেশ
৮। আসাম

ব্ৰহ্মদেশে অলপ পাছত হে পাইছে।

এই সংস্কৃত স্বায়ত্ত-শাসনে পূৰ্ব্বৰ শাসন-প্ৰণালীৰ বহুত লৰচৰ কৰিলে। আগৰ ইম্পিৰিয়েল লেজিছলেটিভ কাউন্সিলখন ভাঙি দুখন কৰিলে। এখনৰ নাম কাউন্সিল-অৱ ষ্টেট আৰু আনখনৰ নাম লেজিছলেটিভ এছেম্বলী। ইম্পিৰিয়েল কাউন্সিলত ৬৯ জন মেম্বৰ আছিল। তাৰ ভিতৰত মুঠেই ২৭ জন হে প্ৰজা-নিৰ্ব্বাচিত আছিল। বাকী লাক চৰকাৰী কৰ্ম্মচাৰী আৰু গভৰ্ণমেণ্টে প্ৰজাৰ ভিতৰৰপৰা বাছি নিয়া। বৰ্ত্তমান কাউন্সিল-অৱ-ষ্টেটৰ ৫০ জন মেম্বৰ। তাৰ ভিতৰত প্ৰজাই বাছি দিব লাগে মুঠেই ২১ জন। ২৫ জন চৰকাৰী কৰ্ম্মচাৰী আৰু ৪ জন প্ৰজাৰ ভিতৰৰ পৰা বাছি নিয়া। ইয়াৰ উপৰিও গভৰ্ণৰ জেনেৰেল স্বয়ং এই সভাৰ মেম্বৰ। এই সভাৰ কাৰ্য্যকাল ৫ বছৰ। লেজিছলেটিভ এছেম্বলীৰ মুঠ মেম্বৰ ১২০ জন। তাৰ ভিতৰত ৮০ জন প্ৰজাই বাছি দিব লাগে। ১৪ জন গভৰ্ণমেণ্টে প্ৰজাৰপৰা বাছি লয়। বাকী ২৬ জন চৰকাৰী কৰ্ম্মচাৰী। এই সভাৰো স্বয়ং গভৰ্ণৰ জেনেৰেল মেম্বৰ। এই সভালৈ বঙ্গ প্ৰেছিডেন্সিৰপৰা ১৩ জন, বোম্বাই, মাদ্ৰাজ আৰু আগ্ৰা-অযোধ্যা যুক্ত প্ৰদেশৰপৰা ১২ জনকৈ, পঞ্জাব আৰু বেহাৰ-উৰিষ্যাৰপৰা ৯ জনকৈ, মধ্য প্ৰদেশৰপৰা ৫ জন, আসামৰপৰা ৩ জন, দিল্লীৰপৰা ১ জন আৰু বৰ্ম্মাৰপৰা ৪ জন মেম্বৰ যাব পাৰে। ইয়াৰ ভিতৰতে য়ুৰোপীয় বণিকসকলৰ ৬ জনকো ধৰা হৈছে এই সভাৰ ভিতৰতে কাৰ্য্যনিৰ্ব্বাহক সভা এখনো আছে। তাত ৭ জন মেম্বৰ আছে। তাৰ ভিতৰত ৩ জন ভাৰতীয়—বৰ্ত্তমান মিঃ এচ, আৰ, দাস; ছাৰ ভূপেন্দ্ৰ নাথ মিত্ৰ আৰু ছাৰ মহম্মদ চফিবুল্লা। এখেত-সকলৰ কাৰ্য্যকাল ৫ বছৰ। দৰ্ম্মহা বছৰেকত ৭৮ হেজাৰ। কাৰ্য্য নিৰ্ব্বাহক সভাৰ সভাপতি গভৰ্ণৰ জেনেৰেল। তেখেতৰ দৰ্ম্মহা বছৰেকত ২ লাখ ৫৬ হেজাৰ।

## প্ৰাদেশিক গভৰ্ণমেণ্ট

আসাম—আসাম কাউন্সিলৰ মুঠ মেম্বৰ ৫৩ জন। তাৰ ভিতৰত ৩৯ জন প্ৰজাই বাছি দিব লাগে। প্ৰজাই বাছি দিয়া মেম্বৰসকলৰ ভিতৰত চাহকৰসকলৰ ৫ জনকো ধৰা হৈছে। বাকী ১৪ জনৰ ৫ জন বে-চৰকাৰী আৰু ৯ জন চৰকাৰী মেম্বৰ গভৰ্ণমেণ্টে মনোনীত কৰে। চৰকাৰী মেম্বৰসকলৰ ভিতৰত ফাইনেন্স আৰু জুডিছিয়েল মেম্বৰকো ধৰা হৈছে। লেজিছলেটিভ এছেম্বলীৰ দৰে আসাম কাউন্সিলৰো এখন কাৰ্য্যনিৰ্ব্বাহক সভা আছে। এই সভাৰ মেম্বৰ মুঠে ৫ জন গভৰ্ণৰ ফাইনেন্স মেম্বৰ, জুডিছিয়েল মেম্বৰ আৰু মন্ত্ৰী দুজন। গভৰ্ণৰেই এই সভাৰ সভাপতি। আসাম গভৰ্ণৰৰ দৰ্ম্মহা বছেৰেকত ৬৬ হেজাৰ। কাৰ্য্য-নিৰ্ব্বাহক সভাৰ মেম্বৰ সকলৰ দৰ্ম্মহা গাইপতি বছেৰেকত ৪২ হেজাৰ। সকলো প্ৰাদেশিক কাউন্সিলৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰ সকলৰ কাৰ্য্যকাল ৫ বছৰ।

প্ৰত্যেক প্ৰদেশৰ গভৰ্ণৰ, কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰসকল আৰু মন্ত্ৰীসকলৰ দৰ্ম্মহা সমান নহয়। আৰু কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰ আৰু মন্ত্ৰীসকলৰ সংখ্যাও সকলো প্ৰদেশতে সমান নহয়।

গভৰ্ণৰে প্ৰজাই বাছি দিয়া মেম্বৰসকলৰ ভিতৰৰ পৰা মন্ত্ৰী নিয়োগ কৰে আৰু দৰ্ম্মহা কাৰ্য্যনিৰ্ব্বাহক সভাৰ সমানকৈ ধৰে; কিন্তু কাউন্সিলে কম বা বেছি কৰিব পাৰে। অৱশ্যে কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰ সকলতকৈ দৰ্ম্মহা বেছি কৰিব নোৱাৰে।

বিভিন্ন প্ৰদেশৰ গভৰ্ণৰ আৰু কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰসকলৰ বছেৰেকীয়া দৰ্ম্মহা আৰু কাউন্সিল বিলাকৰ মেম্বৰৰ সংখ্যা তলত দিয়া হল—

| প্ৰদেশ | সংখ্যা | গভৰ্ণৰ | কাঃ নিঃ সঃ মেম্বৰ |
|---|---|---|---|
| ১। বঙ্গ | ১২৫ জন | ১ লাঃ ২৮ হেঃ | ৬৪ হেঃ |
| ২। বোম্বাই | ১১১ „ | „ | „ |
| ৩। মাদ্ৰাজ | ১১৮ „ | „ | „ |
| ৪। আগ্ৰা-অযোধ্যা যুক্ত প্ৰদেশ | ১১৮ „ | „ | „ |
| ৫। পঞ্জাব | ৮৩ | ১ লাখ | ৬০ হেজাৰ |
| ৬। বেহাৰ-উৰিষ্যা | ৯৮ | „ | „ |
| ৭। মধ্য প্ৰদেশ | ৭০ | ৭২ হেজাৰ | ৪৮ হেজাৰ |

এছেম্বলী আৰু প্ৰাদেশিক কাউন্সিলৰ সহকাৰী সভাপতি হে মেম্বৰসকলেই বাছি লব পাৰিছিল। ১৯২৬ সনৰপৰা সভাপতিও বাছিব পৰা হৈছে। সভাপতি আৰু সহকাৰী সভাপতিসকলৰ দৰ্ম্মহা কাউন্সিলে ঠিক কৰে।

এছেম্বলী আৰু প্ৰাদেশিক কাউন্সিলৰ কাৰ্য্যকাল ৩ বছৰ। মেম্বৰসকলৰ কাৰ্য্যকাল শেষ হোৱাৰ লগে লগে মন্ত্ৰী, সভাপতি আৰু সহকাৰী সভাপতিসকলৰো কাৰ্য্যকাল শেষ হয়।

লেজিছলেটিভ এছেম্বলীত গৃহীত হোৱা প্ৰস্তাৱ কাউন্সিল অব-ষ্টেটটো গৃহীত হব লাগিব। তেহে গভৰ্ণমেণ্টে প্ৰস্তাৱ কাৰ্য্যত খটায়। ইফালে এনেকৈ গৃহীত হোৱা প্ৰস্তাৱকো গভৰ্ণৰ জেনেৰেলে 'ছাটিফিকেশ্যনৰ বলেৰে নামঞ্জুৰ কৰিব পৰা ক্ষমতা আছে। এছেম্বলীত গৃহীত হোৱা প্ৰস্তাৱ কাউন্সিল-অব-ষ্টেটত গৃহীত নহলে গভৰ্ণৰ জেনেৰেলে দুয়োখন সভাৰ কিছুমান মেম্বৰেৰে হৈতে এখন কমিটী গঠন কৰি দিয়া নিয়ম। এই কমিটীৰ সংখ্যাভাগ মেম্বৰৰ মত অনুসৰি প্ৰস্তাৱটো গ্ৰহণ কৰিব পাৰে। কমিটী গঠন কৰা নকৰাৰ ভাৰ গভৰ্ণৰ জেনেৰেলৰ ইচ্ছাৰ ওপৰত। প্ৰাদেশিক কাউন্সিলত গৃহীত হোৱা প্ৰস্তাৱ প্ৰাদেশিক গভৰ্ণৰেই 'ছাটিফিকেশ্যন'ৰ বলেৰে নামঞ্জুৰ কৰিব পাৰে।

লেজিছলেটিভ এছেম্বলী নাইবা প্ৰাদেশিক কাউন্সিলৰ মেম্বৰ হৈ থাকি কাউন্সিল-অব-ষ্টেটৰ মেম্বৰ হব নোৱাৰে। কিন্তু এছেম্বলীৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰসকল কাউন্সিল-অব-ষ্টেটৰো মেম্বৰ।

কাউন্সিল-অব-ষ্টেটৰ মেম্বৰসকলৰ ও নামৰ আগত 'অনাৰেবোল' লিখা হয়। লেজিছলেটিভ এছেম্বলীৰ মেম্বৰসকলৰ নামৰ পাছত এম এল এ আৰু প্ৰাদেশিক কাউন্সিলৰ মেম্বৰসকলৰ নামৰ পাছত এম-এল-ছি লিখা হয়। প্ৰাদেশিক কাউন্সিলৰ সভাপতি, কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰ, (মন্ত্ৰী সকলকো ধৰি) এছেম্বলীৰ সভাপতি আৰু এছেম্বলীৰ কাৰ্য্যনিৰ্ব্বাহক সভাৰ মেম্বৰসকলৰ নামৰ আগত কেৱল 'অনাৰেবোল' লিখা হয়।

প্ৰজাই বাছি দিয়া মেম্বৰসকলে নিজ ইচ্ছামতে কাউন্সিলত ভোট দিব পাৰে। কিন্তু নমিনেটেড অৰ্থাৎ গভৰ্ণমেণ্টে প্ৰজাৰ ভিতৰৰপৰা বাছি নিয়া মেম্বৰসকলে সদায় নিজ ইচ্ছামতে ভোট দিব নোৱাৰে। আৱশ্যক হলে গভৰ্ণমেণ্টে তেওঁলোকক গভৰ্ণমেণ্টৰ ফালে ভোট দিবলৈ বাধা কৰিব পাৰে।

---



# ৰূপে

(গল্প)

(১)

বিজয়া দশমীৰ দিন ধৰি আজিলৈ বাইজৰ গাত বা খেতি পথাৰত এটোপাল বৰষুণ পৰা নাই। ফাগুন-চ'তমহীয়া ৰদত পশ্চিমফালৰপৰা বোৱা খৰখৰীয়া বতাহত পথাৰৰ ঘাঁহ-পাত, গছ-গছনি শুকাই খৰখৰীয়া হৈছে। দুপৰীয়া পথাৰলৈ ওলাই গলে জুইহে গাত লাগে যেন।

বহাগ মাহ। ভৰ দুপৰ। ৰদৰ থাওথাও মূৰ্ত্তি। ঘৰতো কথাই নাই পথাৰতো অলপো বা-বতাহ নাই। আহল বহল পথাৰত চপৰাবোৰৰ মূৰৰপৰা যেন জুইহে ওলাইছে। ঘৰৰপৰা ৮ মাইলমান দূৰৈত গোঁসাই গাৱত চৌধুৰীইতৰ ঘৰ। তাত ভনীজনীৰ নৰিয়া। আইৰ কথাৰপৰা এবাৰ নোৱাৰি ১ মান বজাত গোঁসাই গাৱলৈ ৰাওনা কৰিলো। ভৰ দুপৰীয়া ছাতিটো মূৰত লৈ সেই আহল বহল পথাৰৰ মাজে মাজে গপগপকৈ যাব ধৰিলো। এই প্ৰখৰ ৰদত কিমান বেছি খোজ কাঢ়িম। ৩ মাইলমান গৈয়ে এজোপা পুৰণি বৰ গছৰ তলত থন্তেক বহিলোগৈ। প্ৰায় ১৫ মিনিটমান বহিছো এনেতে দেখিলো গছৰফালে পোনকৈ এটা মানুহ মূৰ্ত্তি আহিছে—পুৰুষ নে স্ত্ৰী ধৰিব নোৱাৰি—ৰদত সকলো বস্তু জিলমিল কৰিছে। মূৰ্ত্তি ক্ৰমে ওচৰ চাপিলহি—স্ত্ৰীমূৰ্ত্তি বয়স প্ৰায় ১৬।১৭ বছৰ। গাত বিশেষ কাপোৰ-কানি নাই; যি আছে সিও মলিয়ন আৰু ফটা ছিটা। সমস্ত শৰীৰ ঘামেৰে তিতি-বুৰি গৈছে। মুখখনি ক'লা পৰিছে। তিৰোতাজনী এখোজ দুখোজকৈ গছৰ তললৈ আহি মোৰ পাছফালে ঠিয় হলহি। মই সুধিলো "ৰূপে, তই এই ভৰ দুপৰীয়া ৰদত কিয় আহিলি? ৰূপেই চকুলো টুকি টুকি কলে, "এনেয়ে আহিলোঁ।"

মই—তই কান্দিছ কেলেই? কি হৈছে?

ৰূপে—একো হোৱা নাই।

মই—ঘৰত কিবা কাজিয়া লাগিছে নেকি?

ৰূপে—একো নাই।

কেইবাবাৰো সুধিলো। তথাপি ৰূপেই নিজৰ বিলাই-বিপত্তিৰ কথা ভাঙি নকলে। অলপ বেলি থাকি মই কলো—ৰূপে, এতিয়া লাহে লাহে যাগৈ; মই এবাৰ ভনীজনীৰ তাৰপৰা আহোগৈ; তাইৰ কেনে কিবা নৰিয়া হৈছে। আহি ঘৰতে আছে আমাৰ ঘৰত লোৱাই যাবি দেই।"

(২)

ৰূপে সচাকৈয়ে ৰূপৱতী, গুণৱতী। তাই সূতা কাটিব জানে, কাপোৰ বব জানে, ফুল বাছিব জানে, ৰান্ধিব-বাঢ়িব জানে, ঘৰৰ সকলো কাম চম্ভালিব জানে। হোগা খেতিয়কৰ ছোৱালী এজনীয়ে আৰু জানিব লাগে কি? ৰূপতো ওচৰ-চুবুৰীয়া গাৱৰ তাইৰ সমনীয়া ছোৱালীবোৰৰ ভিতৰত ৰূপে এখোপ বেছি। তাই সকলোৰে চকুত লগা; তাই সকলোৰে ওচৰত মৰম বেথা পায়। তাই ঘৰত থাকিবলৈ সময় নাপায়। গাৱঁৰ ইজনীয়ে মাতি নিয়েহি "আই ৰূপে, মোৰ তাঁতখন ৰবকৈ ছিগিছে

অলপ চাই থোৱাহি। আই ৰূপে, সক আইটীৰ বিয়াত লগত দিবলৈ এখন চাদৰ লগাইছো ভাত ভাল ফুল এটা বাছি দিয়াহি।" সিজনীয়ে মাতিবহি "সখি, ককাইৰ ধনীয়া-খনত যে ফুলটো বাছি দিছিলা মই ধৰোতেই দেখোন কেনা লাগিল এবাৰ আহাচোন। মিতিৰ, মেখেলাখনৰ গুটি ফুলবোৰ দেখোন ভাগকৈ ফুটি উঠে এবাৰ চোৱাহি।" ইত্যাদি। পুৱাৰপৰা গধূলিলৈ তাই ইঘৰ সিঘৰকৈ এই দৰে ফুৰোতেই যায়। ঘৰত থাকি নিজৰ কাম-কাজ কৰিবলৈ, মাহীমাকৰ আলপৈচান ধৰিবলৈ, লগে লগে মাহীমাকৰ এবছৰীয়া লৰাটো চম্ভালি ৰাখিবলৈ তাইৰ সময় ক'ত?

• * •

ৰূপেৰ মাক তাইৰ ১০ বছৰ বয়সত ঢুকায়। বাপেক হৰিনাথৰ তায়ে একমাত্ৰ সন্তান। হৰিনাথে তাইক তুলি-তালি ডাঙৰ দীঘল কৰিলে। বাপেকে তাইক বৰ মৰম কৰে—চেনেহ কৰে; ৰূপে বাপেকৰ আশাসৰ লাড়ু। মাউৰী ৰূপে বাপেকৰ দুখ-কষ্ট গুচাবৰ বাবে নিজৰ শক্তিৰে যি পাৰে তাকে কৰি ৰান্ধি-বাঢ়ি দিয়ে। কাপোৰ-কানি ধুই দিয়ে, লগে লগে ওচৰ-চুবুৰীয়া তিৰোতা বোৱাৰীপৰা কাপোৰ-কানি ববলৈ, ফুল বাছিবলৈ, গৃহস্থী কাম চম্ভালিবলৈ অতি যত্নেৰে শিকে।

ৰূপে-গুণে তাই ডাঙৰ-দীঘল হৈ বাপেকৰ আদৰত সুখেৰে আছিল। ৰূপেক বিয়া কৰাবৰ নিমিত্তে কত ঠাইৰপৰা কত মানুহ আহিল কিন্তু বাপেকে চেনেহৰ ৰূপেক কেনেকৈ লোকৰ ঘৰত লোকৰ হাতত সপি দিয়ে! বাপেকৰ হিয়া শুদা হব, ঘৰ শুদা হব। নঙলাৰ দুৱাৰখন জপাব কোনে? এই ৪০ বছৰ বয়সত দুপৰীয়া ৰ'দ বতাহত হাল বাই আহিলে পানী এঘটি, কাপোৰ এপন, ভাত এমুঠি দিব কোনে? সেইবোৰো থাওক তেওঁৰ বিষয়-সম্পত্তি খাব কোনে? তেওঁৰ যে তায়ে একমাত্ৰ সন্তান।

(৩)

বাপেকৰ বিয়া হৈ গল এজনী ১৭।১৮ বছৰীয়া ছোৱালীৰ লগত। ৰূপে ভাবিছিল—মাহীমাক আহিব, বাপেকৰ সুখ হব, তায়ো মাহী বুলি মাতি এবাৰ মুখ জুৰাব। মাহীমাকে তাইক ভাল পাব, মৰম কৰিব। বাপেকৰ বিয়াত সমস্ত কাম দিন ৰাতি খাটি নিজে কৰি দেহা পানী কৰিলে।

• •

মাহী মাক আহিল। ৰূপে আগৰ দৰে কাম-কাজ কৰে। ইঘৰ সিঘৰকৈ ফুৰে। এনেকৈ দুমাহ গল। তৰুণী মাহীমাকে বৃদ্ধ বাপেকৰ মন মুহিব পাৰিলেনে? কোনো এঠাইলৈ যাওঁতে, এঠাইৰপৰা আহিয়েই, উঠোতে, বহোতে, খাওঁতে, লওঁতে কেৱল "ৰূপে"। মাহী মাকৰ অন্তৰত হিংসাৰ অগনি দপদপাব ধৰিলে। ৰূপে তাইৰ চকুৰ কুটা হৈ উঠিল।

• •

বাপেকে বহুত ভাবি-চিন্তি কান্দি কান্দি ১০ মাইল মান দূৰৈত গোঁসাইগাৱঁত ধনী নামে এজন খেতিয়কৰ লৰাৰ লগত ৰূপেক বিয়া দিলে। মাহীমাকৰ মন পাতল পৰিল। চকুৰ পোৰণি কমিল। অন্তৰৰ জুই নুমাল, হিয়া শাত হল।

• •

ৰূপেক বিয়া দিবৰ আজি ১॥ বছৰ হল। হতভাগিনী মাউৰী ৰূপে আকৌ বাঘিনী (মাহী) শাহুৱেকৰ হাতত পৰিলগৈ। ৰূপে যিমানেই কাম কৰে তাইৰ নাম নাই, শলাগ নাই। তাৰ সলনি নানা গালি-শপনি, লগে লগে কিলটো, ভুকুটো। দুপৰীয়া ধনী হালবাই আহিলে তাৰ আগত তাই হেন কৰিলে, তেন কৰিলে, ইবিধ ভাঙিলে, সিবিধ ভাঙিলে, তাই এনে, তাই তেনে ইত্যাদি ইত্যাদি বুলি ঘৰৰ মজিয়াত ভাত বাঢ়ি দি মেলখন। ৰূপে শাহুৱেকৰ তলত বৰ দুখ-কষ্টৰে বিবাহিত জীৱন কটাবলৈ ধৰিলে।

(৪)

আজি বহাগৰ বিহু! আজি গাৱঁত বৰ সবাহৰ ধুম্-ধাম্। ঘৰে ঘৰে সান্দহ খুন্দা, পিঠা ভজা-পোৰাৰ বৰ ধুমধাম্। ধনী মাহ-তিল আনিবলৈ গাৱঁলৈ গৈছে। শাহুৱেকে ৰূপেক ইবিধ কৰ, সিবিধ খুন্দি আন বুলি ভিতৰৰ চকৰ কাষত বহি আদেশ দিছে।



ৰূপে বৰ দুৰ্ব্বল। তাই আগৰদৰে লৰি-ধাপৰি কাম-কাজ কৰি ফুৰিব নোৱাৰে। তাই গৰ্ভৱতী, আঠ মাহ। তাতে আকৌ আজি ২।৩ দিন ভাত-পানী খোৱা নাই—কান্দি কান্দি দিন কটাইছে। বেলি উঠি আহিল: কিন্তু কাম-কাজ একো হোৱা নাই। শাহুৱেক ওলাই আহি দেখে তাই ঢেঁকীৰে চাউল কেটামান নি বহি আছে। গালতে চপট্ চপট্‌কৈ দুচৰ সোধাই নিজেই চাউলকেটা খুন্দি আনি ভিতৰ সোমালগৈ। ৰূপে কান্দি কান্দি নাদৰ পাৰত চুৱা কাঁহী-বাটিবোৰ ধুবলৈ আছিল, ধৰিলে গৈ তাতে।

ধনী তিল-মাহ লৈ আহিল। মাহীমাক ওলাই আহি তিল-মাহৰ টোপোলা চোতালত দিলে দলিয়াই—নকৰো তইঁতৰ যুৰ। মৰে পেট পেলাই পেলাই খাম নহয়নে? ভাল দেখি তিৰী আনিছিলি—বেটীয়ে গাটোকে লৰাব নোখোজে ইত্যাদি ইত্যাদি। মাহীমাকৰ কথা শুনি ধনীৰ খং চুলিৰ আগ পালেগৈ। ধনীয়ে সুধিলে—তাই ক'লৈ গৈছে? মাহীমাক—সৌ নাদৰ পাৰত উমলিব ধৰিছে চাগৈ।

ধনী উঠি গৈ পিছফালৰপৰা ৰূপেৰ পিঠিতে মাৰিলে এগোৰ, গালতো দুচৰ। ৰূপে লুটিখাই পৰি মাই ঔ মাই ঔ বুলি বিনাই বিনাই কান্দিব ধৰিলে। আজি ৰূপেক কোনে সান্ত্বনা দিব! কোনে 'আই ৰূপে' বুলি মাত এষাৰ দিব।

ধনী আৰু মাহীমাক দুয়ো ভিতৰত পিঠা আদি পোৰাত লাগিলগৈ। বেচেৰী ৰূপেই নাদৰ পাৰতে এঘণ্টা মান বহি বহি কান্দিলে; চকু উখহালে। ৰূপেক কোনেও মাত এষাৰ নিদিলে।

দুপৰীয়া বাৰমান বজাত লাহে লাহে নাদৰ পাৰৰ পৰা উঠি নঙলাৰ বাহিৰ হল। সন্মুখত আহল-বহল পথাৰ—চপৰাৰ সাগৰ তাৰ ওপৰত বহাগ মহীয়া বদৰ তিৰ্‌বিৰ্ কৰি ঢৌ উঠিছে। মূৰত ফটা কানি ডুপৰি দি ৰূপে সেই খাওঁ খাওঁ মূৰ্ত্তি ধৰি উঠি অহা বদৰ মাজে মাজে বাপেকৰ মুখখন এবাৰ চাওঁ বুলি খোজ ললে। ৰূপেৰ ভৰি ডগ্‌ৰাবোৰ পুৰিব ধৰিলে, চকুৰে অন্ধকাৰ দেখিলে তলে ওপৰে অসহ্য তাপ। কেইখোজমান আহিয়ে ৫।১০ মিনিট জিৰাই লয়। গাত শক্তি নাই, ভৰি নচলে। দুইমান বজাত কোনোমতে সেই পছজোপাৰ গুৰি পালেহি। তাতে ১॥ ঘণ্টামান বহি আকৌ এখোজ দুখোজকৈ ঘৰৰ ফালে বাট ধৰিলে।

গোসাঁই গাৱঁত ভনীজনীৰ কুশল-বাতৰি লৈ গধূলি পালোহি। আইক সুধিলোহি, "আই, কেন্দুপুৰৰ হৰিনাথৰ জীয়েক ৰূপে ইফালে আহিছিল?"

আই--নাই, কিয়?

মই—তাই আজি দুপৰীয়া সেই ভৰ বদতে ঘৰলৈ আহিছে। তাইক চিনিব নোৱাৰা হৈছে। বদতে কলামলা পৰিছে।

আই—কিয় আহিছে দুসুধিলি?

মই—বোধকৰো গিৰিয়েকে কি শাহুৱেকে মাৰিছে। মই সুধিলত তাই একো নকলে। মাই, কাইলৈ মোমাইহঁতৰ তালৈ যাওঁতে এবাৰ ৰূপেৰো খবৰ লবিচোন।

(৫)

ৰূপে ওৰে বেলা খোজ কাঢ়ি দুখ ভাগৰত একেবাৰে কাতৰ হৈ পৰিছে; টানি টানি উশাহ লৈছে। পিৰালিত বহি কাকো নেদেখি মাতিলে—মাহী, মাহী। মাহীমাক আছিল ভিতৰত সন্ধিয়াৰ চাকি লগাই। বাহিৰলৈ ওলাই আহিয়েই ৰূপেক দেখা পাই চকু থিয় হল।

মাহীমাক—তই এই গধূলি কিয় আহিলি?

ৰূপে—এনেয়ে আহিলো। তাই তলমূৰকৈ কান্দিব ধৰিলে।

মাহী—ওঁ, বুজিলো। এঃ এঃ গুণৰ বেটী তাতো থাকিব নোৱাৰিলি? এতিয়া অমুকীৰ ঘৰত বোজা খবলৈ আহিছ?

মাহীমাক ঘৰ সোমালগৈ। ৰূপেই ফেকুৰি-ফেকুৰি কান্দিব ধৰিলে, আকাশ পাতাল ভাবিলে:—মাৰৰ কথা মনত পৰিল, চকুলোৰে কাপোৰ-কানি তিতি গ'ল। কিমান কান্দিব? চকু উখহিছে, ৩।৪ দিন ভাত পানী খোৱা নাই গাত বল-শক্তি নাই, ডিঙি শুকাই গৈছে।

কান্দি কান্দি তাই সেইপিনে বাগৰি পৰিল। মাহীমাকে গদ্‌গদ্‌কৈ নিজে নিজে বকি ২॥ বছৰীয়া লৰাটোক পিৰালিতে এৰি ভিতৰত সোমালগৈ। লৰাটোৱে বেচেৰী ৰূপেৰ গাত উঠি, কাপোৰ কানি টানি-আজুৰি তাইক নগুৰ শাস্তি কৰিলে। কাপোৰ-কানি টানি লওঁতে ৰূপেৰ হাতৰ খাৰু লাগি লৰাটোৰ কপালৰ ছাল ছিগি তেজ বব ধৰিলে। সি মাই মাইকৈ কান্দি কান্দি মাকৰ ওচৰ পালেগৈ; মাহীমাকল আৰু পাই কোনে—সাক্ষাৎ বাঘিনী হৈ ৰূপেৰ ওপৰতে পৰিলহি।

• • •

অলপ পাছতে বাপেক আহিল। অসময়ত ৰূপেক পিৰালিত পৰি থকা দেখি আচৰিত হৈ মাত ধৰি মাতিলে—আই ৰূপে। ৰূপেই চকু মেলি বাপেকৰ মুখখন চাই সেইপিনে আকৌ 'নতান মাৰিলে। মাহীমাকে লৰাটো আনি আগতে পেলাই দি কলে, চা তোৰ গুণৰ বেটীৰ কাণ্ড। বেটী গজমুখী......গিৰিয়েকৰ ঘৰত ঠাই নাপাই ইয়ালৈ মৰিব আহিছে। মোৰ বোপাইক খাবলৈ আহিছে ইত্যাদি—ইত্যাদি।

বাপেকে মন্ত্ৰমুগ্ধ সাপৰ নিচিনা মধুৰ বাণী শ্ৰৱণ কৰি ছটামান দীঘলকৈ হুমুনিয়াহ কাঢ়ি উঠি গল আৰু ভৰি-হাত ধুই ভিতৰ সোমালগৈ। মজিয়াত বৰ পিৰাত বহিল—বাটিভৰা পিঠালাক আগত দি মাহীমাক আগৰ ফালে বহিল, লৰাটো বাপেকৰ বোকোচাত উঠিলগৈ। মেল বহিল, হাঁহি-খিকিন্দালিৰে গল্পও হব ধৰিলে।

বেচেৰী ৰূপে পিৰালিত পৰি পাৰেমানে উচুপি উচুপি কান্দিলে—মনে মনে সকলোৰে ওচৰত বিদায় ললে। ৰূপেৰ জ্ঞান হল—এই সংসাৰত মোৰ কোনো আপোন নাই। আইৰ লগে লগে সকলো গৈছে। পিতাৰ আদৰৰপৰাও শেষত বঞ্চিত হলো। আকৌ কান্দিব ধৰিলে।

৯ মান বজাত লাহেকৈ উঠি বাটেৰে খোজ ললে। বাৰীৰ পিছফালে ব্ৰহ্মপুত্ৰ। অতল গভীৰ জল। ঠায়ে ঠায়ে থিয় গৰা পৰিছে। নদীৰ পাৰলৈ গৈ নদীৰফালে মুখকৈ থিয়হৈ ১০.১৫ মিনিট কি ভাবিলে? মাতৃ-গঙ্গা তোমাৰ বুকুত মোকো ঠাই দিয়া?

শ্ৰীশান্তিৰাম দাস বি-এচ-ছি

---

# জীৱন্ত সমাধি

[ মাসিক বসুমতীৰ শ্ৰীযুক্ত বিশ্বেশ্বৰ ঘোষৰ প্ৰবন্ধৰ ভাঙনী ]

মৃত্যু মানৱ জীৱনৰ এটা বৰ গুৰুতৰ বিষয়। সুখেৰেই থাওক বা দুখেৰেই থাওক জীৱন সকলোৰেই বাঞ্ছনীয়। জীৱ থকা স্বত্বেও যদি মৰণ হৈছে বুলি কোনোৱে কোনোৰ অন্ত্যেষ্টিক্ৰিয়া সমাপ্ত কৰে, সেইটো কেনে বিষম কথা, এয়েই আমাৰ আলোচ্য বিষয়। অনেক সময়ত মানুহ ঠিক নমৰে, অথচ মৰা বুলি তাৰ অন্ত্যেষ্টিক্ৰিয়া সমাধা হৈ যায়।

অনেক অনুসন্ধানৰ পিছত পণ্ডিতবিলাকে স্থিৰ কৰিছে যে জ্ঞান লোপ পোৱাৰ পাছত শৰীৰ পচিবলৈ আৰম্ভ কৰে, তেতিয়া বুজিব লাগিব ঠিক মৃত্যু হৈছে। যেতিয়ালৈকে পচিবলৈ আৰম্ভ নহয়, সেই পৰ্য্যন্ত সন্দেহ থাকে, মানুহটো জীয়াই আছেনে মৰিছে। অনেক সময়ত এনে অৱস্থা হয়, যাক দেখিলে মৰা বুলি অনুমান হয়, আনকি ২১৪ দিন ধৰি যাক মৰা বুলি ধৰা হৈছে সি মৰা নাই, আকৌ জ্ঞান পাই জীৱিত হৈছে। জীৱিত সমাধি নিবাৰণ কৰিবৰ নিমিত্তে ইংলণ্ড আৰু আমেৰিকাত সভা-সমিতি গঠিত হৈছে। কিন্তু নানা কাৰণে সমিতিৰ কাৰ্য্য আশানুযায়ী সম্পাদন কৰিব পৰা হোৱা নাই।

মৰা বুলি কোনো এজনক কফিনত বন্ধ কৰি মাটিত পুতি থোৱা হল—এনে সময়তে সি জ্ঞান লাভ



কৰিলে। কি ভীষণ অৱস্থা। কেৱল ই যে লোমহৰ্ষণ উপন্যাসৰ কথা, সি নহয়, এই কথা প্ৰকৃত। কৰ্ণেল যুনিভাৰ্ছিটীৰ মিঃ ৰচিঙে এই বিষয়ে এইদৰে মত প্ৰকাশ কৰিছে।

জীৱন্ত সমাধি সদায় ঘটিবৰ সম্ভাৱনা। মহা মহা মনীষীসকলে স্বীকাৰ কৰিছে যে অনেক সময়ত জীৱিত অৱস্থাতে কবৰ দিয়া হৈছে, হাস্পতালত শৰীৰ কটা-ছিঙা হৈছে, অথবা কোনো কোনো ঠাইত পুৰি পেলোৱা হৈছে। অনেক প্ৰসিদ্ধ লিখকে এই বিষয় লৈ আলোচনা কৰিছে; Humboldf, Hartman আৰু Hufeland সিবিলাকৰ মাজত প্ৰধান। সিবিলাক সকলোৱে কয়, যদি ভীষণ অস্ত্ৰাঘাত, বন্দুকৰ গুলী বা ভীষণ আকস্মিক আঘাতত মৃত্যু নহয়, যদি মানুহে আত্মহত্যা নকৰে, যদি কোনোক কোনোৱে হত্যা নকৰে, তেন্তে মৃত্যুৰ বিষয়ে সন্দেহ থাকিব পাৰে। এনে অৱস্থাত হঠাৎ কন্দা অনুচিত অথবা কোনো মানুহক মৰিছে বুলি ভাবপৰা অন্ত্যেষ্টিলৈ নিয়াও উচিত নহয়। যেতিয়ালৈকে মৰিছে বুলি দৃঢ় বিশ্বাস নহয় সেই পৰ্য্যন্ত ধীৰ ভাবে অপেক্ষা কৰা উচিত।

অনেক অনুসন্ধানৰ পিছত জনা গৈছে যে, মাৰ্কিন যুক্ত-ৰাজ্যত প্ৰতি ২৪ ঘণ্টাত গড়ে এজন মানুহক জীৱিত সমাধি দিয়া হয়। এই বিষয়ে অনেক বৈজ্ঞানিকে আপত্তি কৰিব পাৰে। কিন্তু অন্যান্য বিৱৰণ শুনি সিবিলাকে কি কব? 'লণ্ডন ভিউমেন চোচাইটিৰ' বিৱৰণত প্ৰকাশ যে, সিবিলাকে ২২ বছৰৰ ভিতৰত কম পক্ষেও ২ হাজাৰ ১শ ৭৫ জন মৰা বুলি ধৰা মানুহৰ প্ৰাণ দান কৰিছে আমাৰ দেশত 'পুনৰ্জীৱিত' বুলি এটা কথা প্ৰচলিত আছে। অনেক সময়ত দেখা যায়, মৰা মানুহ চিতাৰ ওপৰত উঠি বহিছে আৰু হাত ভৰি মেৰাইছে। সি আন একো নহয়, নিশ্চয় তেতিয়াও সি জীৱিত। কিন্তু দুখৰ বিষয় মূৰ্খ মানুহে সেই কথা বুজি নেপাই, ভূতে পাইছে বুলি তাৰ মূৰৰ ওপৰত টাঙোন মাৰি শুৱাই দিয়ে আৰু আনৰ আগত সাহৰ পৰিচয় দি নিজকে শলাগে। মুছলমানসকলেও কেতিয়াবা কেতিয়াবা ২।১ দিন মৰা শ ৰাখে সঁচা; কিন্তু তাক যেনেকৈ খঁহি পিহি তুলি-মেলি থাকে তাৰ যদি অলপমানো প্ৰাণবায়ু থাকে সেইকণো নাইকিয়া হয়।

নিউয়ৰ্ক নগৰৰ এজন প্ৰধান ডাক্তৰে দুখেৰে প্ৰকাশ কৰিছে যে, সম্প্ৰতি তেওঁ মৰা বুলি যাক কটাছিঙা কৰিছিল, সি মৰা শ নহয়, সজীৱ মানৱদেহ। এই নিমিত্তে তেওঁৰ মনত বৰ দুখ লাগিছিল। অধ্যাপক ৰচিঙে কয়, তেওঁ এইদৰে অনেক মানুহক মৃত্যুৰপৰা ৰক্ষা কৰিছে। এদিন এটা ঘটনাৰ কথা কয়, এটা মৰা লৰাক কটা-ছিঙা কৰিবৰ নিমিত্তে টেবুলত ৰখা হৈছিল। তেওঁ লৰাটোক দেখি পৰীক্ষা কৰি চাই কলে যে লৰা মৰা নহয়, জীৱিত। সহকাৰী চিকিৎসকসকলে তেওঁৰ কথা হাঁহি উৰুৱাই দিলে, নানা ঠাট্টা-বিদ্ৰূপ কৰিলে। মিঃ ৰচিঙে সিবিলাকৰ কথালৈ কাণ নকৰি দৃঢ় বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি লৰাটোক পুনৰ্জীৱিত কৰিলে। তেতিয়া সকলো স্তম্ভিত হল আৰু লাজ পালে।

ফৰাছী দেশীয় এজন ডাক্তৰে এই বিষয়ে এটা মৰ্ম্মান্তিক দুৰ্ঘটনাৰ কথা উল্লেখ কৰিছে। "৫ বছৰ হৈ গল, মই এটা পৰীক্ষাৰ নিমিত্তে প্ৰস্তুত হৈছিলো। ৰাতি অকলশৰে এটা লেম হাতত লৈ কটা-ছিঙা কৰা ঘৰত উপস্থিত হলোঁ। তলপেটৰ কিছুমান যন্ত্ৰ দেখিবলৈ মোৰ ইচ্ছা। গৈ দেখিলো, এজনী পাগলীৰ মৃতদেহ এখন টেবুলৰ ওপৰত ৰখা হৈছে। আগদিনা সেই পাগলী জনী মৰিছে বুলি স্থিৰ হয় আৰু তাইক উলঙ্গ অৱস্থাত শুৱাই থোৱা হৈছিল। হাতৰ লেমটো তাইৰ বুকুত ৰাখি পেটত ছুৰী বহুৱালোঁ। যেতিয়াই ছুৰী বহুৱালোঁ। তেতিয়াই পাগলীয়ে ভয়ানক চিঞৰ মাৰি উঠি তৎক্ষণাৎ মোৰ চুলিত ধৰিলেহি। কি ভীষণ কথা! লেমটো পৰি গল, আৰু কুমালো। তাই মোৰ গালত মেকুৰীৰদৰে আঁচুৰিবলৈ ধৰিলে। মোৰ গাত চেতনা নাই। মই উত্তেজনাবশতঃ হাতৰ ছুৰীখন চলাবলৈ ধৰিলোঁ, কিন্তু তাই মোক নেৰিলে। অৱশেষত সেই ছুৰী তাইৰ বুকুত লাগিল। তাই দীৰ্ঘ নিশ্বাস পেলাই অৱসন্ন হৈ পৰিল,ময়ো মূৰ্চ্ছিত হৈ পৰিলোঁ। যেতিয়া জ্ঞান হল, তেতিয়া

মই দেখোঁ পাগলীৰ ওচৰতে মযো পৰি আছো। কি দুখৰ বিষয়, মই পাগলীক বধ কৰিলোঁ। তাইৰ মৰা শটো টেবুলৰ ওপৰত ৰাখিলো আৰু এই কথা কাকো আগত প্ৰকাশ নকৰিলোঁ। কিন্তু সেই কথা মনত পৰিলে এতিয়াও মোৰ শৰীৰ ভয়ত শিয়ৰি উঠে। তাইৰ দাঁতোৰৰ চিন মোৰ গালত এতিয়াও আছে।”

প্ৰকৃত মৰা নে নমৰা, এই কথা বুজিব নোৱাৰি অনেক সময়ত অনেক দুৰ্ঘটনা হব লাগিছে। ৰাচেল নামৰ এজনী প্ৰসিদ্ধ অভিনেত্ৰীক জীৱিত অৱস্থাতে তেল আৰু মছলাৰ দ্বাৰা অভিষিক্ত কৰা হৈছিল। প্ৰসিদ্ধ ৱাশিংটন আৰভিঙে আনৰ মনৰ কথা কৈ দিব পাৰে। মাজে মাজে তেওঁ সমাধি অৱস্থা পাই থাকে। এবাৰ তেওঁ সমাধিত থাকোতে তেওঁ মৰিল বুলি সকলোৱে ভাবিলে। মৃত্যুৰ কাৰণ জানিবৰ নিমিত্তে যেতিয়া তেওঁৰ শৰীৰ কটা-ছিঙা কৰা হল তেতিয়া দেখা গল যে তেওঁ তেতিয়াও মৰা নাই;—পিছত সেই কটা-ছিঙাতে তেওঁৰ মৃত্যু হল। বিখ্যাত জেনেৰেল লিয়ে কয় তেওঁৰ জন্ম হোৱাৰ দুবছৰৰ আগেয়ে তেওঁৰ মাকক জীৱন্ত সমাধি দিয়া হৈছিল; সৌভাগ্যবশতঃ তেওঁ পুনৰ্জ্জীৱিত হল আৰু দুবছৰৰ পিছত তেওঁৰ জন্ম হয়। তেওঁৰ চিকিৎসকবিলাকে তেওঁক মৰা বুলি বিবেচনা কৰিছিল। কবৰ খনা মানুহে কবৰ দিবৰ সময়ত লক্ষ্য কৰিলে, যে তেওঁ জীয়াই আছে। পাছত শুশ্ৰূষাৰদ্বাৰা তেওঁক পুনৰ্জ্জীৱিত কৰিলে। এবেনেজাৰ আৰ্চ্চফিনে তেওঁৰ মাকৰ কবৰৰ পিছত জন্ম গ্ৰহণ কৰে। এওঁকো মূৰ্চ্ছিত অৱস্থাতে কবৰ দিয়া হৈছিল। কবৰ দিয়াৰ সময়ত কবৰ খনা মানুহজনে দেখিলে, তেওঁৰ আঙুলিত এটা বহুমূলীয়া আঙঠি আছে, তাক নিবৰ নিমিত্তে তেওঁৰ অতিশয় লোভ হল; ৰাতি অকলে সেই কবৰৰ ওচৰলৈ গৈ তেওঁ কবৰটো খানিলে আৰু বাকচটোও খুলিলে, কিন্তু আঙঠিটো উলিয়াব নোৱাৰি কাটি পেলাই বাহিৰ কৰিলে। যেতিয়াই কাটি ললে, তেওঁ সেই যন্ত্ৰণাত জ্ঞান লাভ কৰিলে আৰু তেওঁ কান্দিবলৈ ধৰিলে। চোৰ ভয়ত পলাল। কিন্তু সেই চোৰেই তেওঁৰ পুনৰ্জ্জীৱনৰ কাৰণ হল।

অলপ দিনৰ আগতে জৰ্জ্জ হেফডেকাৰ নামৰ এজন মানুহ হৃদ-যন্ত্ৰ বন্ধ হৈ মৰে। নিজ বংশৰ সমাধি ক্ষেত্ৰ নথকাত আনৰ সমাধি-ক্ষেত্ৰত তেওঁৰ কবৰ দিয়া হয়। তাৰ পিছত সেই বংশৰ লোকে নিজৰ নিমিত্তে এখন সমাধি-ক্ষেত্ৰ কিনে আৰু সেই মানুহজনৰ মৃতদেহটো নিজৰ সমাধিক্ষেত্ৰত ৰাখিবৰ নিমিত্তে উঠাই আনে। আত্মীয়বৰ্গৰ অনুৰোধত বাকচ খোলা হলত দেখা গল, মৃতদেহটো একেবাৰে উলটি আছে। মুখৰ চিন আৰু বাকচটো পৰীক্ষা কৰি দেখা গল যে তেওঁ কবৰৰ মাজত চেতনা পাইছিল আৰু বাহিৰ হবৰ নিমিত্তে ভীষণ চেষ্টা কৰিছিল।

ছেণ্টপিটাৰ্চবৰ্গ নগৰৰ ওচৰত এণ্টনোভা নামৰ এজনী ছোৱালীৰো এনে দশা হয়। মৰিছে বুলি ভাবি কবৰ দিয়া হল। কবৰ খনা কাম শেষ কৰিছে, এনে সময়ত ভিতৰৰপৰা এটা মাত শুনিবলৈ পালে। কিন্তু কোনেও খুলিবলৈ সাহ নকৰি ডাক্তৰ আনিবলৈ গল। সকলোৱে একেলগ হৈ কবৰ খুলি বাকচটোও খোলা হল। খুলিলে কি হব, সময় অতীত হৈ গল, অভাগিনীৰ মৃত দেহটো বাকচৰ মাজত শুই আছে। তাইৰ থকাৰ পৰিবৰ্ত্তন দেখি স্পষ্ট বুজা গল যে, হতভাগিনী তেতিয়াই মৰিছে।

কিছু দিনৰ আগতে ফৰাচী দেশৰ মন্ত্ৰীসভাত জীৱন্ত সমাধিৰ সম্বন্ধে আলোচনা হৈছিল। সেই সময়ত কাৰ্ডিনেল আৰ্কবিচপ ডনেটে শপত খাই তলত লিখা বিৱৰণ বৰ্ণনা কৰিছিল—“১৮২৬ খৃষ্টাব্দত জচকালি সন্ধ্যাৰ সময়ত এজন যুবক পাদ্ৰীয়ে বক্তৃতা মঞ্চত উঠি বক্তৃতা আৰম্ভ কৰিছিল। উপাসনা মন্দিৰ সেইদিনা ঠাহখোৱা। খৰ গৰম। বক্তৃতা দি থাকোতে তেওঁৰ মূৰ ঘূৰি গল। তেওঁৰ কথা ক্ৰমে অস্পষ্ট হবলৈ ধৰিলে, তেওঁ আৰু কথা কব নোৱাৰিলে, মাটিত দীঘল দি পৰিল। উপাসনা ঘৰৰপৰা তেওঁক তেওঁৰ ঘৰলৈ নিয়া হল। সকলোৱে স্থিৰ কৰিলে, তেওঁৰ মানৱলীলা সাং হল। কিছু সময়ৰ পিছত তেওঁৰ কবৰৰ ঘণ্টা বাজি উঠিল আৰু কবৰ দিবৰ আয়োজন হল। তেওঁৰ দৃষ্টি-শক্তি লোপ পাইছে; দৃষ্টি-শক্তি লোপ পালেও শ্ৰৱণ-শক্তি ঠিক আছিল। তেওঁক কবৰ দিবৰ আয়োজন হৈছে—সকলো তেওঁ শুনিবলৈ পাইছে, অথচ কথা কব নোৱাৰে, কি ভীষণ অৱস্থা। ডাক্তৰ আহিল, পৰীক্ষা কৰিলে আৰু মৰিছে বুলি মত প্ৰকাশ কৰিলে। তেওঁৰ বয়স কিমান, কত জন্ম ইত্যাদি লিখি লৈ পিছদিনা ৰাতিপুৱালৈ কবৰৰ অনুমতি দি গল। উপাসনা-মন্দিৰৰ বৰ পাদ্ৰী আহি বিচনাৰ ওচৰত শেষ মন্ত্ৰ উচ্চাৰণ কৰি গল। কফিনৰ নিমিত্তে শৰীৰৰ জোখ লোৱা হল। ৰাতি হল, তেতিয়া সেই যুৱকজনৰ মনৰ অৱস্থা কেনে হৈছিল এবাৰ ভাবি চাওক। ৰাতিপুৱা হলেই তেওঁৰ কবৰ দিয়া হব, অথচ তেওঁ জীৱন্ত। তেওঁ যে জীৱিত এই কথা প্ৰকাশ কৰিবলৈ তেওঁৰ শক্তি নাই। মানুহে চাৰিওফালে গোলমাল কৰিছে; এনে সময়তে বহুদিনৰ পৰিচিত এটা কণ্ঠস্বৰ তেওঁৰ কাণত বাজিল। উক্ত কণ্ঠস্বৰেই এই লীলাৰ কাৰ্য্য সম্পন্ন কৰিলে তেওঁ সাৰ পাই উঠিল। অধিক আৰু কি কম, যাক ৰাতিপুৱাই কবৰ দিবলৈ দিহা কৰিছিল, তেওঁ সেইদিনা সন্ধ্যা আকৌ বক্তৃতা-মঞ্চত উঠি বক্তৃতা দিবলৈ থিয় হল। হে মহোদয়সকল, যি যুৱকৰ কথা কলো, তেওঁ আজি ৪০ বছৰৰ পিছত আপোনালোকৰ আগত আত্ম-কথা বৰ্ণনা কৰিছে। ময়েই সেই যুৱক। সমাধি প্ৰভৃতিৰ নিয়মাৱলী আপোনালোকৰ অনেকে কৰিছে, কিন্তু এই ৪০ বছৰ ধৰি মই সকলোকে অনুৰোধ কৰি আহিছো, যাতে জীৱন্ত সমাধি ৰহিত কৰিব পাৰে তাৰ নিমিত্তে যেন সকলোৱে চেষ্টা কৰে।”

বোনচুটে তেওঁৰ ‘Les Signes do la Morte’ নামৰ কিতাপত লিখিছে যে, অনেক ৰোগ আছে, তাত তেতিয়াই মৃত্যু নহয়। কোনো এজন ডাঙৰ মানুহ এই দৰে এটা ৰোগত পৰে। মানুহজনৰ চিকিৎসা চলিছিল, তেওঁৰ সন্ধ্যা সময়ত অৱস্থা বেয়া হবলৈ ধৰিলে। পাছদিনা ৰাতিপুৱা চিকিৎসক ঘৰত সোমোৱা মাত্ৰে শুনিলে, ৰোগীটো যোৱা ৰাতিয়েই মৰিছে আৰু ইতিমধ্যেই তেওঁৰ মৃত দেহটো মৰা ৰখা ঠাইত ৰখা হৈছে। চিকিৎসকৰ কিন্তু সন্দেহ হল, তেওঁ ভালকৈ জানিছিল, এই বেমাৰত অতি সোনকালে মৰিব নোৱাৰে! তেওঁক আকৌ আনি বিচনাত শুৱালে। চিকিৎসাৰ কাৰণে ৰোগী পুনৰ্জ্জীৱিত হল আৰু তাৰ পিছত বহুত বছৰলৈকে জীয়াই আছিল।

ডাঃ হাৰ্টমেনে তেওঁৰ ‘Buried Alive’ নামৰ কিতাপত লিখিছে, অষ্ট্ৰীয়া দেশৰ ব্ৰেলছ নামে ঠাইত এজনী তিৰোতাৰ মৃত্যু হয়। পাঁচ দিন পৰ্য্যন্ত শৰীৰটো নপচা দেখি অনেক চিকিৎসা হবলৈ ধৰিলে কিন্তু সকলো চেষ্টা ব্যৰ্থ হল। অৱশেষত স্থিৰ হল, আৰু পলম কৰিবৰ দৰ্কাৰ নাই, কবৰ দিয়া হওক। কবৰ দিয়াৰ আগ ৰাতি সেই দেশৰ প্ৰথামতে মদ্যপান, খোৱা-লোৱা আদি নানা উৎসৱ হবলৈ ধৰিলে। সকলোৱে মদ্যপান কৰি আনন্দত উন্মত্ত হৈ হামাছা কৰিবলৈ ধৰিলে, কোনোৱে “মদ খা, মদ খা” বুলি শটোৰ মুখত মদ ঢালি দিছিল। খুব আনন্দোৎসৱ হৈ আছে, এনে সময়ত তাই চেতনা পাই উঠি বহিল। সকলোৱে ভয়ত চাৰিওফালে পলাবলৈ ধৰিলে। কিছু সময়ৰ পিছত সকলোৱে উলটি আহি দেখিলে তাই নিজৰ বিচনাতে শুই আছে। পিছদিনা তাই ভাল হৈ উঠিল। তাই কৈছিল যে তাইৰ যি যি হৈছিল, সেই সকলো কথা তাই বুজিছিল, কিন্তু তাইৰ কথা কোৱা বা লৰচৰ কৰিব পৰা শক্তি একেবাৰেই নাছিল।

ডাঃ হাৰ্টমেনে আৰু এঠাইত লিখিছে, অষ্ট্ৰীয়াৰ কোনো এক নগৰত এজন ছাত্ৰই বাজী লগালে যে, তেওঁ ৰাতি গৈ কবৰৰপৰা মৰা মানুহ বাহিৰ কৰি আনিব পাৰে। বাজী অনুসাৰে সি সেই কাম কৰিবলৈ ওলাল। কবৰখানাত গৈ সি এটা কবৰ খুলিলে। ঘটনাক্ৰমে সেই কবৰত আগদিনা এজনী ছোৱালীক কবৰ দিয়া হৈছিল। মৃত দেহটো আনি সি নিজৰ ঘৰৰ জুইৰ ওচৰত থকা বিচনাত ৰাখিলে। তাৰ পিছত সি নিজেও শুলে। ৰাতি সি কিবা এটা শব্দ শুনি সাৰ পাই উঠিল। তেতিয়া ছোৱালীজনী উঠি বহি থকা দেখা পালে। ছাত্ৰজন ভয়ত উঠি লৰ মাৰিলে কিন্তু ছোৱালীজনী জীলে। ছোৱালীৰ বাপেক-মাকে ছোৱালীক পুনৰ পাই বৰ আনন্দ লাভ কৰিলে।

৫৩৯৬৫/অ:

১৮৮৮ খৃষ্টাব্দত ২১ মাৰ্চ্চ তাৰিখে 'টাইমছ্ অব্ ইণ্ডিয়া নামে' কাকতত লিখা হৈছিল যে, 'গোল্লা নগৰত গাস্থুয়েল নামে ৭০ বছৰ বয়সৰ এজন বুঢ়া মানুহ প্ৰায় ৪ মাহ 'আমাশয়' বেমাৰ ভুগি মৰিছিল বুলি মনে কৰা হয়। কবৰ দিয়াৰ আগতে তেওঁক উপাসনা-মন্দিৰলৈ নিয়া হল। পাদুৰীয়ে তেওঁৰ বুকুত হাত দি দেখিলে, বুকুখন টপ্ টপাব লাগিছে। তেতিয়া তেওঁক 'জেমছেটজী জিজিভাই' আস্পতাললৈ নিয়া হল। দুখৰ বিষয় এসপ্তাহ অজ্ঞান অৱস্থাত থাকি তেওঁ জীৱন-লীলা সম্বৰণ কৰিলে। Teble and Vollum's এ লিখা Premature Burial নামে কিতাপখনপৰা তলত লিখা ঘটনাবিলাক সংগ্ৰহ কৰা হল। যোৱা আগষ্ট মাহত ছালোন নগৰৰ এজনী তিকতা প্ৰসূতা বেমাৰত মৃত্যু হল। ডাক্তৰে কলে যে ৰোগী মৰিল। তেতিয়া ভয়ানক গৰম বুলি তাইক সোনকালে কবৰ দিবলৈ দিহা কৰা হল। সেই মতে ৬ ঘণ্টাৰ পিছত কবৰ দিয়া হল। তাইৰ গিৰিয়েকে সোনকালে পুনৰ বিয়া কৰাবলৈ ইচ্ছা কৰিলে। তেওঁৰ শাহুৱেকে এই কথাত বেজাৰ পাই মৰাশটো নিজৰ ঘৰলৈ লৈ যাবলৈ ঠিক কৰিলে। শটো খোলাত আচৰিত ঘটনা দেখিবলৈ পোৱা হল। দেখা গল, শটোৰ মূৰৰ চুলি ছিগা-ভগা আৰু কাপোৰ-কানি খণ্ড-বিখণ্ড। হত-ভাগিনীয়ে জ্ঞান পাই দাঁতেৰে সকলোবিলাক কুটি বাহিৰ হবলৈ চেষ্টা কৰিছিল। হায় তাইৰ সেই সকলো চেষ্টা ব্যৰ্থ হল। এই দৃশ্য দেখি তাইৰ মাকৰ মূৰ্চ্ছা হৈ পৰিল।

Encyclopoedia of Death নামে কিতাপত লিখা হৈছে যে জন হাৱেল নামে এজন মানুহক পৰীক্ষা কৰি ৩ জন ডাক্তৰে নিজৰ নিজৰ অভিমত প্ৰকাশ কৰিলে যে ৰোগী মৰিছে। অন্ত্যেষ্টিক্ৰিয়াৰ সকলো আয়োজন হল। আত্মীয় বন্ধুসকলক মতা হল, পাদুৰী আহিল আৰু শটোক কবৰ দিবলৈ ঠিক কৰা হল। ৰাতিপুৱাতে কবৰত থোৱা হৈছে, এনে সময়ত তাৰ মাকৰ মনত হল, যে তাইৰ পুতেক জীয়াই আছে; তেতিয়া ৪ দিন হৈছিল। আৰু কবৰ দিয়া নহল। আত্মীয় সকলে তাক নি বিচনাত শুৱালে। তেতিয়া শবটোৱে কলে 'Let me'—আৰু একো কব নোৱাৰিলে; কথা শেষ নহল। ৮ মাহৰ পিছলৈকে তাৰ মাকে তাক শুশ্ৰূষা কৰিবলৈ ধৰিলে, তাৰ পিছত সেই শবটোৱে জ্ঞান পাই 'be' বুলি তাৰ কাম শেষ কৰিলে।

ডাঃ হাৰ্টমেনে আৰু এঠাইত লিখিছে, ফৰাছী দেশৰ কোনো এক নগৰত এজন মানুহে এদিন ৰাতি শুনিবলৈ পালে কবৰৰ ভিতৰৰপৰা চিঞৰ-বাখৰ ধ্বনি আহিছে। আগ দিনা সেই কবৰত এজন মানুহক কবৰ দিয়া হৈছিল। কোনেও অনুমতি নাপাই সেই কবৰটো খুলিবলৈ সাহ নকৰিলে। তেওঁ তেতিয়াই পুলিচক খবৰ দিলে। কবৰ খুলিবলৈ অনুমতি পোৱা অনেক সময় অতিবাহিত হল। কবৰটো খুলি দেখা গল যে, সেই মানুহটোক জীৱিত অৱস্থাতে কবৰ দিয়া হৈছিল, কিন্তু এতিয়া আৰু তেওঁ মৃত্যুগ্ৰস্ত। যেতিয়া কবৰ দিয়া হৈছিল তেওঁৰ গাটো শীতল আছিল; কিন্তু এতিয়া বৰ গৰম; বাহিৰ হবলৈ চেষ্টা কৰোতে তেওঁৰ গাত বহুত তেজৰ চিন দেখিবলৈ পোৱা গৈছিল। আহা, হতভাগাই কবৰৰ ভিতৰতে প্ৰাণ ত্যাগ কৰিলে।

মিঃ লেনোৰমণ্ডে লিখিছে, ১৮৪২ খৃষ্টাব্দত ডিচেম্বৰ মাহত ফৰাছী দেশৰ অন্তৰ্গত যুৰেছ নগৰত এজন মানুহ মৰে আৰু কবৰ দিয়া হয়। কিছুদিনৰ পিছত জনৰৱ উঠিল, ডাক্তৰে অধিক কানি দিয়াৰ কাৰণে ৰোগীৰ মৃত্যু হল। কৰ্ত্তৃপক্ষৰ আদেশ অনুসাৰে তেওঁৰ কবৰ খোলা হল। তেতিয়া দেখা গল, মৰা মানুহজন কবৰৰ ভিতৰত সাৰ পাইছিল আৰু বাহিৰ হবৰ নিমিত্তে অনেক চেষ্টা কৰিছিল।

এই দৰে সদায় শোচনীয় ঘটনা ঘটিব লাগিছে! এইবিলাক ঘটনা যে অতি অলপ, তাকে কোনেও মনত নকৰিব। কেতিয়াবা এই ৰকম কথা হৈছে বুলি কলে মিছা কোৱা হয়। মিঃ জেজাৰে কয়, কিছুমান বছৰৰ আগত পেৰী নগৰত জীৱন্ত-সমাধি সম্বন্ধে ঘোৰ আলোচনা হয়। ১৫ দিনৰ ভিতৰত ৪শ চিঠি সম্পাদকলৈ আহিছিল, প্ৰায়বিলাক 'চিঠিয়েই জীৱন্ত সমাধিৰপৰা পৰিত্ৰাণ পোৱা লোকেই লিখা, নতুবা তেওঁলোকৰ আত্মীয়ই এই দৰে বিপদৰপৰা ৰক্ষা পাই সিবিলাকৰ হাতেৰে লিখাইছিল।

শ্ৰীপুষ্পেন্দ্ৰনাথ তাম্বূলী